www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

‘ আজিৰ সংখ্যাৰ বিশেষ পৃষ্ঠা
সাহিত্য বীক্ষণ
------- ৫ পৃষ্ঠাত ------- ’

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৪০ | সোমবাৰ | ৩০ জুন, ২০২৫ চন | ১৫ আহাৰ, ১৯৪৭ শক | VOL - 6 | NO.- 140 | Monday | 30th June, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## কাইলৈ পুনৰ ৯০০ কোটি টকাৰ ঋণ ল’ব ৰাজ্য চৰকাৰে

### দহ বছৰৰ বাবে গভৰ্নমেণ্ট ষ্টক (ছিকিউৰিটি) নিলাম




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ জুনঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে পহিলা জুলাইত ৯০০ কোটি টকাৰ ল’বলৈ সাজু হৈছে। ঋণৰ ওপৰত ঋণ লৈ এক প্ৰকাৰ অভিলেখ সৃষ্টি কৰা চৰকাৰখনে মে’ মাহতে কেইবাবাৰো মুঠ ২৬০০ কোটি টকাৰ ঋণ লৈছিল। এতিয়া পুনৰ ঋণ ল’বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰখনে। ইয়াৰ বাবে ৰিজাৰ্ভ বেংকৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছে। দহ বছৰৰ বাবে গভৰ্নমেণ্ট ষ্টক (ছিকিউৰিটি) ৭ পৃষ্ঠাত

### ‘মন কী বাত’ত বিটিআৰৰ বিষয়ে মত প্ৰকাশ প্ৰধানমন্ত্ৰী মোদীৰ

## পূৰ্বে সংঘাতৰ বাবে পৰিচিত বড়োলেণ্ড বৰ্তমান ফুটবলৰ বাবে পৰিচিত ঃ মোদী

**অসম বাৰ্তা, কোকৰাঝাৰ, ২৯ জুন ঃ** এসময়ত সংঘাতৰ বাবে পৰিচিত আছিল বিটিআৰ। কিন্তু বৰ্তমান বড়োলেণ্ড সমগ্ৰ দেশত ফুটবলৰ বাবে পৰিচিত। আজি এই মন্তব্য প্ৰকাশ কৰিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ কয় যে, এসময়ত সংঘাত জৰ্জৰিত বিটিআৰ বৰ্তমান দক্ষ যুৱ ফুটবল খেলুৱৈৰ বাবে পৰিচিত। তেওঁ কয় যে, বিজয়ৰ বাবে কষ্ট আৰু প্ৰত্যাহ্বানক পৰাস্ত কৰা অঞ্চলটোৰ যুৱ ফুটবল খেলুৱৈসকল সমগ্ৰ দেশৰ বাবে প্ৰেৰণা উৎস হিচাপে পৰিগণিত হৈছে। ১২৩সংখ্যক ‘মন কী বাত’অনুষ্ঠানৰ সময়ত বিটিআৰত শান্তি পুনৰুদ্ধাৰৰ কথা উল্লেখ কৰি নৰেন্দ্ৰ মোদীয়ে কয় যে, “ৰাষ্ট্ৰৰ সন্মুখত বড়োলেণ্ডে এক নতুন পৰিচয় লৈ থিয় দিছে। অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ শক্তি আৰু তেওঁলোকৰ ৭ পৃষ্ঠাত



### মোক উপৰ্যুপৰি কৰা জেৰাত অতিষ্ঠ হৈ মোৰ মুখেৰে এষাৰ নক’বলগীয়া বাক্য ওলাই গৈছিল



## সাংবাদিকক দুব্যৱহাৰ! অৱশেষত ভুল স্বীকাৰ বহুবল্কী মন্ত্ৰী জয়ন্ত মল্লৰ

**অসম বাৰ্তা, গুৱাহাটী, ২৯ জুন ঃ** গীৰ গাই বিতৰ্ক সন্দৰ্ভত সাংবাদিকক অপমান কৰি অৱশেষত নিজৰ ভুল স্বীকাৰ কৰিলে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। দেওবাৰে সামাজিক মাধ্যমযোগে সাংবাদিকক নক’বলগীয়া মন্তব্য কৰা বুলি স্বীকাৰ কৰিলে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। সাংবাদিক সমাজক ভুল নুবুজিবলৈ অনুৰোধ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। উল্লেখ্য ৭ পৃষ্ঠাত

### এদিনৰ বাবে স্থগিত চাৰধাম যাত্ৰা

## উত্তৰাখণ্ডৰ উত্তৰকাশীত ভূমিস্খলন; নিখোঁজ ৯জন শ্ৰমিক



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুন ঃ** উত্তৰাখণ্ডৰ উত্তৰকাশীৰ চিলাই বেণ্ডৰ ওচৰত শনিবাৰে নিশাৰ পৰা অহা প্ৰবল বৰষুণৰ ফলত সংঘটিত ভূমিস্খলনত এটা শ্ৰমিক শিবিৰ ধ্বংস হোৱাত ৯জন শ্ৰমিক নিখোঁজ হৈ আছে। বৰষুণৰ ফলত চাৰধাম যাত্ৰাও এদিনৰ বাবে স্থগিত কৰা হৈছে। উদ্ধাৰকাৰী বিষয়াসকলৰ মতে, এই ঘটনা যমুনোত্ৰী ৰাষ্ট্ৰীয় ঘাই পথৰ পালিগড়ৰ পৰা ৪-৫ কিলোমিটাৰ আগত সংঘটিত ৭ পৃষ্ঠাত

### ৫০তকৈ অধিকজন আহত; উচ্চস্তৰীয় তদন্ত আৰম্ভ

## পুৰীৰ ৰথযাত্ৰাৰ সময়ত পদপিষ্ট হৈ তিনিজনৰ মৃত্যু



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৯ জুন ঃ** ওড়িশাৰ পুৰীত অনুষ্ঠিত জগন্নাথ ৰথযাত্ৰাৰ সময়ত ভিৰৰ মাজত হোৱা এটা হুৰাহুৰিৰ ঘটনাত তিনিজন ভক্তৰ মৃত্যু হৈছে আৰু ৫০তকৈ অধিকজন আহত হৈছে। দেওবাৰে পুৱা এই দুৰ্ঘটনাটো গুণ্ডিচা মন্দিৰৰ ৭ পৃষ্ঠাত

### আজিৰ কলম

## আমাৰ সমাজৰ আদৰ্শ গাঁৱৰ কেতবোৰ লক্ষণ-বৈশিষ্ট্য



শৰৎ চন্দ্ৰ চিৰিং ফুকন

**মা**নৱ সভ্যতাৰ আদিতম সামাজিক গোটটোৱেই হৈছে চুক বা চুবুৰি সংগঠন। ৭ পৃষ্ঠাত

## ’২৬ৰ ভিতৰত সম্পূৰ্ণ হ’ব শিৱসাগৰ-ডিমৌ সংযোগী পথ নিৰ্মাণৰ কাম

### শিৱসাগৰ চিকিৎসা মহাবিদ্যালয় আৰু ডিমৌ কেঞ্চাৰ হস্পিটেল পৰ্যবেক্ষণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**অসম বাৰ্তা, ডিমৌ, ২৯ জুন ঃ** শিৱসাগৰ জিলাৰ স্বাস্থ্য খণ্ডত এক বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ডিমৌ ই কৰানীত নিৰ্মাণাধীন শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়



আৰু ডিমৌ কেঞ্চাৰ হস্পিটালৰ কামৰ স্থলী পৰ্যবেক্ষণ কৰে। মুখ্যমন্ত্ৰীৰ সৈতে শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, শিৱসাগৰৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকে। পৰিদৰ্শনকালত ৭ পৃষ্ঠাত

### বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিক লৈ কঠোৰ ৰাজ্যৰ শিক্ষা বিভাগ

## অশিক্ষক কৰ্মচাৰী পুৱা ১০ বজাৰ পূৰ্বেই উপস্থিত হ’ব লাগিব বিদ্যালয়ত; থাকিব লাগিব বিয়লি ৪.৩০ বজালৈ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুন ঃ** বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিক লৈ কঠোৰ হৈছে ৰাজ্যৰ শিক্ষা বিভাগ। ইয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী সকললৈ কঠোৰ নিৰ্দেশনা জাৰি কৰা হৈছে ৭ পৃষ্ঠাত



## পৰাগ জৈনক RAWৰ নতুন মুৰব্বী নিযুক্তি

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৯ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ১৯৮৯ বেটছৰ ৭ পৃষ্ঠাত

## বিটিআৰক এটিএম হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছে বিজেপিয়ে ঃ লুৰিনজ্যোতি গগৈ

**অসম বাৰ্তা, কোকৰাঝাৰ, ২৯ জুন ঃ** “ইউপিপিএল আৰু বিপিএফৰ সৈতে মনে মনে তাল মিল কৰি বিজেপিয়ে বিটিআৰত সোমাব বিচাৰিছে। কাৰ্বি আংলঙক যেনেদৰে এটিএম হিচাপে ব্যৱহাৰ কৰি আছে, বিটিআৰ চীফকো ব্যৱহাৰ কৰি বিটিআৰক এটিএম হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছে বিজেপিয়ে। বড়ো জাতীয়তাবাদৰ ৭ পৃষ্ঠাত



### ৰংঘৰৰ বানপানীৰ সমস্যাৰ স্থায়ী সমাধানৰ আঁচনি এক মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**ষ্টাফৰিপটাৰ, শিৱসাগৰ ,২৯ জুন -**ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলা ভ্ৰমণ কৰি জিলা খনৰ কেইবাটাও ৭ পৃষ্ঠাত

### গোলাঘাটত আৰক্ষী, কংগ্ৰেছৰ প্ৰতিবাদী কৰ্মীৰ হতাহতি

## হেমচন্দ্ৰ বৰুৱাৰ লেগেছী বিজেপিৰ পৰিকল্পিত বিতৰ্ক

### বিজেপিৰ গীৰ গাই কেলেংকাৰীৰ বিৰুদ্ধে গোলাঘাটত কংগ্ৰেছৰ প্ৰতিবাদ



**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ জুন ঃ** গৰুখুটিৰ গীৰ গাই কেলেংকাৰীত অসম চৰকাৰৰ মন্ত্ৰী, বিধায়ক, বিজেপিৰ ৰাজ্যিক সভাপতি জড়িত হৈ পৰাৰ পিছত সমগ্ৰ ৰাজ্য তোলপাৰ হৈ আছে। আজি গীৰ গাই আৰু দুগ্ধ ৭ পৃষ্ঠাত

### আৰক্ষীৰ অভিযানত ২৫ লাখ টকাৰ সামগ্ৰী উদ্ধাৰ, আটক ধৃত ৫ অভিযুক্ত

## বৰপেটাত গুটখা ভৰ্তি ট্ৰাক হাইজেক



**অসম বাৰ্তা, চেঙা, ২৯ জুন ঃ** বৰপেটা জিলা আৰক্ষীৰ দ্বাৰা চলোৱা এক সু-সংগঠিত অভিযানত উন্মোচিত হৈছে এক গম্ভীৰ গুটখা হাইজেকিঙৰ কাণ্ড। চাঞ্চল্যক ভাৱে গুৱাহাটীৰ পৰা ৭ পৃষ্ঠাত

## ’২৬ৰ নিৰ্বাচনত নলবাৰীৰ পৰা টিকত বিচাৰিব অগপই

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ২৯ জুন ঃ** সমাগত বিধান সভা নিৰ্বাচন ২০২৬। শাষক-বিৰোধী প্ৰতিটো ৰাজনৈতিক দল সম্প্ৰতি পোনপতীয়াকৈ নহলেও আওঁপকীয়াকৈ ব্যস্ত হৈ পৰিছে নিৰ্বাচনী কুচকাৱাজত। আজি নলবাৰীৰ দেশপ্ৰাণ প্ৰয়াত নগেন শৰ্মা ভৱনত অগপৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। প্ৰায় শতাধিক লোকৰ উপস্থিতিত




অনুষ্ঠিত সভাত উপস্থিত থাকে অগপৰ কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাস। ৭ পৃষ্ঠাত



# লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুনৰ চুৰি ঃ আৰক্ষীৰ তীব্ৰ অভিযান

## ৩ গভাইত চোৰ আৰক্ষীৰ জালত ঃ উদ্ধাৰ বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী

**অসম বাৰ্তা, লালুক,২৯ জুন ঃ** লালুক আৰক্ষীয়ে আজি চোৰৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই ৩ টাকৈ গভাইত চোৰক কৰায়ত্ব কৰিবলৈ সক্ষম হৈছে। অভিযান কালত উদ্ধাৰ হৈছে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী। লালুক থানাৰ আৰক্ষীৰ এটা দলে এই অভিযান চলায়। আৰক্ষীৰ দলটোৱে এক গোপন সুত্ৰৰ ভিৰ্তিত লালুক থানাৰ অন্তৰ্গত ইছলামপুৰ বেচাপট্টিৰ আব্দুল মালেক নামৰ অপৰাধীটোৰ ঘৰত অভিযান চলায়। অভিযান কালত আৰক্ষীয়ে আব্দুল মালেকৰ ঘৰৰ ভিতৰৰ পৰা বহু চুৰি সামগ্ৰী সমূহ উদ্ধাৰ কৰে। আৰক্ষীৰ দলটোৱে আব্দুল মালেকৰ ঘৰৰ পৰা এটা আইফোন, বহুকেইটা মোবাইল, টেবলেট, তিনিটা ইনভাৰ্টাৰ, চাৰিটা বেটাৰী, পানী সিঁচা তিনিটা মেচিন, তিনিটা বিন্ধা কৰা যন্ত্ৰ, তিনিটা লোৰ কটা যন্ত্ৰ, বৈদ্যুতিক পাংখা, বৈদ্যুতিক জোখ মাপ কৰা যন্ত্ৰ, কাঁহৰ কাহি বাতি, বাচন বৰ্তন, এল ই ডি বাল্ব ইত্যাদি সামগ্ৰী উদ্ধাৰ কৰে। আৰক্ষীৰ অভিযানৰ কথা গম পাই আব্দুল মালেক পলাই হাৰে। আৰক্ষীয়ে অভিযান চলাই ফৰিদুল আলী (২২), আমিৰুল ভূএগ(২২) আৰু মাইনুদ্দিন (২০) নামৰ তিনিটাকৈ গভাইত চোৰকো কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইয়াৰে ফৰিদুল আলী উত্তৰ লখিমপুৰ থানাৰ অন্তৰ্গত চাপৰি গাঁৱৰ জমিৰ আলীৰ পুত্ৰ, আমিৰুল ভুএগ হৈছে লালুক থানাৰ অন্তৰ্গত ২নং কৰুনাবাৰীৰ নৰজাজ ভুএগৰ পুত্ৰ আৰু মাইনুদ্দিন লালুক থানাৰ অন্তৰ্গত ইছলামপুৰ বেচাপট্টিৰ ইদ্দিছ আলীৰ পুত্ৰ। লালুক থানাৰ প্ৰভাৰী বিষয়া সীমান্ত পাঠকে জানিব দিয়া মতে ড্ৰাগছ সেৱন কৰা চোৰ কেইটাই দীৰ্ঘদিন ধৰি অঞ্চলটোত চুৰিকাৰ্য্য সংঘটিত কৰি আহিছে। এই সামগ্ৰী সমূহ আব্দুল মালেকক বিক্ৰী কৰি আব্দুল মালেকৰ পৰা ড্ৰাগছ ক্ৰয় কৰি আনে চোৰকেইটাই। লালুক আৰক্ষীয়ে চোৰকেইটাক লালুক থানালৈ আনি জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে লালুক অঞ্চলৰ অগ্ৰনী শিক্ষানুষ্ঠান লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি কিছুদিন ধৰি সঘন চুৰিকাৰ্য্য সংঘটিত হৈ আহিছে। শিক্ষানুষ্ঠান খনত কেইদিনমানৰ বিৰতিৰ পাছে পাছে চোৰে নিশা দুৱাৰৰ তলাভাঙি বিদ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰি বিদ্যালয় খনৰ বৈদ্যুতিক পাংখা, পানী উঠোৱা মৰ্টাৰ আদি চোৰ কৰি নিয়ে। প্ৰতিবাৰে বিদ্যালয়ৰ তৰফৰ পৰা লালুক থানাত লিখিত এজেহাৰ দাখিল কৰি আহিছিল যদিওঁ আৰক্ষীয়ে চোৰ কৰায়ত্ত কৰিব নোৱাৰিছিল। যোৱা নিশাও বিদ্যালয় খনত চোৰ প্ৰৱেশ কৰি বৈদ্যুতিক পাংখা চোৰ কৰি নিয়ে।আৰক্ষীক ছাত্ৰছাত্ৰী আৰু শিক্ষকে গৈ এজাহাৰ দাখিল কৰাৰ পিছতে বিয়লি আৰক্ষীয়ে বহু চুৰি সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে তিনিটা চোৰক আটক কৰিবলৈ সক্ষম হয়।



## ঘগ্ৰাপাৰৰ পোনৰকাউনীয়াত পাঁচগৰাকী শিক্ষকলৈ বিদায় সম্বৰ্ধনা

# ভাল শিক্ষকে সময়-বালিত পদচিহ্ন এৰি থৈ যায় ঃ সুভাষ বৰ্মন

**অসম বাৰ্তা, ঘগ্ৰাপাৰ,২৯ জুন ঃ** নলবাৰীৰ ঘগ্ৰাপাৰত থকা বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত ৯০৭ নং পোনৰকাউনীয়া প্ৰাথমিক বিদ্যালয়ত আজি এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। ২নং পূব বনভাগ, বৰাজোল আৰু ১নং খাটিকুছি মণ্ডল সমল কেন্দ্ৰৰ শিক্ষকসকলে উমৈহতীয়াভাৱে এই অনুষ্ঠানৰ আয়োজন কৰে। আজিৰ অনুষ্ঠানত বৰাজোল প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ অন্তৰ্ভুক্ত ১নং বৰাজোল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পালীন্দ্ৰ দাস, ২নং বৰাজোল প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰতাপ চন্দ্ৰ দাস, পোনৰ কাউনীয়া প্ৰগতি বিদ্যাপীঠ এম ই স্কুলৰ সহকাৰী শিক্ষক সুৰেন্দ্ৰ নাথ দাস, ৪৫০নং ৰামপুৰ অজাগৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পোণা বৰুৱা, পাণবাৰী প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষয়িত্ৰী ৰীনা ভট্টাচাৰ্যক বিদায় সম্বৰ্ধনা জনোৱা হয়। বসুনপ্ৰিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুৰ্গেশ্বৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিদায়ী শিক্ষকসকলক গামোছা, শৰাই, সম্বৰ্ধনা-পত্ৰ, কলম, ফুলৰ থোপা আদিৰে সম্বৰ্ধনা জনোৱা হয়। সভাখনত নিমন্ত্ৰিত অতিথিৰূপে যোগদান কৰে জাৰজাবকুছি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহেশ্বৰ বৰ্মন আৰু ২নং বৰাজোল প্ৰাথমিক বিদ্যালয়ৰ যোগেশ পাঠকে। বিশিষ্ট অতিথি হিচাপে যোগদান কৰে সমগ্ৰ শিক্ষা, অসমৰ ৰাজ্যিক সমল গোটৰ সদস্য সুভাষ বৰ্মন, বি আৰ পি নৱ কুমাৰ দাস, চি আৰ চি পৱন কুমাৰ দাস আৰু মোস্তাফা আহমেদে। ভাষণ প্ৰসংগত সুভাষ বৰ্মনে কয় যে ভাল শিক্ষকে সময় বালিত পদচিহ্ন এৰি থৈ যায়। মহত্ব আৰু বিশালতাৰ গুৰুছন্দ বতাহত ভাল শিক্ষকৰ সৌৰভ বিয়পি পৰে। সম্বৰ্ধনা সভাখনৰ আঁত ধৰে পোনৰকাউনীয়া প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সুনীল বড়োৱে। সমৰ্ধিত শিক্ষকসকলে তেওঁলোকৰ চাকৰি জীৱনৰ অভিজ্ঞতা বৰ্ণনা কৰি আৱেগিক হৈ পৰে। সভাখন পৰিচালনাত সহায় কৰে কনক ডেকা, ধীৰেন হালৈ, প্ৰবীণ দাস আদি বিভিন্ন গৰাকী শিক্ষকে।

## ছিপাঝাৰৰ সমষ্টিৰ নামখলাত ৰাজ্যজুৰি চলা selfie with booth President কাৰ্যসূচী পালন

**অসম বাৰ্তা, খৈৰাবাৰী, ২৯ জুন ঃ** ২০২৫ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উল্লেখনীয় পদক্ষেপ। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কংগ্ৰেছ দলে আজি সমগ্ৰ ৰাজ্যজু ৰি elfieWith Booth President শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে সংগঠনৰ তৃণমূল পৰ্য্যায়ৰ প্ৰকৃত নায়ক বুথ সভাপতি আৰু নিষ্ঠাবান কৰ্মীসকলক সন্মান জনাইছে। সমান্তৰালকৈ ছিপাঝাৰ সমষ্টিত নতুন কৈ অন্তৰ্ভুক্ত হোৱা নামখলা গাঁও পঞ্চায়তৰ অন্তৰত ৬নং আঠিয়াবাৰী ৱাৰ্ডত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক কন্দৰ্প কলিতাই আয়োজন কৰিছে ঘৰ ঘৰ মত বিনিময় কাৰ্যসূচী । আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনকলৈ ৰণডংকা বজাইছে কন্দৰ্প কলিতাই। নিজৰ বুথতে অনুষ্ঠিত কৰিলে selfie with booth President সভা। এই কাৰ্য্যসুচীত নামখলা মণ্ডল কংগ্ৰেছ কমিটিৰ বিষয়ববীয়া লগতে কংগ্ৰেছ দলক সমৰ্থন কেইবা শতাধিক দলীয় কৰ্মী। এই সভাত প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা অনুষ্ঠিত বুথ স্পষ্টিকৰণ অনুষ্ঠানত বুথৰ সক্ৰিয় কাৰ্যকৰ্তা সকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক কন্দৰ্প কলিতাই। অন্যহাতে মত বিনিময় ঘৰ ঘৰ অনুষ্ঠানত কন্দৰ্প কলিতাক সংগ দিয়া অসম প্ৰদেশ কংগ্ৰেছৰ RGPRS ৰ জিলা আহ্বায়ক প্ৰানেশ্বৰ কলিতা, সমাজ সেৱক দুলাল বৰুৱা, দণ্ড চহৰীয়া, কুলেন নাথ, আৰু অৰুন ডেকাৰ উপৰিও বিভিন্ন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত কংগ্ৰেছ চৰকাৰ গঠন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# নলবাৰী চিকিৎসা মহাবিদ্যালয়ত ৰোগীৰ মাজত সু স্বাদু আহাৰ যোগান ধৰাৰ পিছতো ২৭ মাহে পোৱা নাই ধন

## আহাৰ খাই ৰোগী-আত্মীয়ৰ সন্তোষ প্ৰকাশ

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ২৯ জুন ঃ** অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সকলো শ্ৰেণীৰ মানুহ উপকৃত হোৱাৰ বাবে এখনৰ পিছত আন এখন অভিলাষী আঁচনিৰে ৰাইজক আকৰ্ষিত কৰি বাঃ বাঃ লৈ অহাৰ সময়তে নলবাৰী চিকিৎসা মহাবিদ্যালয়ত নলবাৰীৰ শিৱ এন্টাৰপ্ৰাইজ নামৰ স্হানীয় যোগনকাৰীৰ দ্বাৰা ৰোগীসলকৰ মাজত নিতৌ চাৰিবাৰকৈ আহাৰ যোগান ধৰিও বিগত প্ৰায় ২৭ মাহে ধন নোপোৱাত এক প্ৰকাৰ বিপদত পৰিছে।কিন্তু ইয়াৰ পাছতো বৰ্তমানেও ৰোগী সকলক যোগান ধৰি আহিছে পৰিষ্কাৰ পৰিচন্নতাৰে সু-স্বাদু আহাৰ। ৰাতিপুৱা ৮ বজাত ৰঙা চাহ, ব্ৰেড, জেলী, কণী, ক'ল আদিৰে পুৱাৰ আহাৰ। দুপৰীয়া আৰু সন্ধিয়া প্ৰায় প্ৰতি সাজতে দালি, ভাত, মাছ-মাংস, তৰকাৰী, ভাজিকে ধৰি দুবাৰ আহাৰ গ্ৰহণ কৰি মেডিকেল কলেজ খনৰ প্ৰায় সকল ৰোগী তথা আত্মীয় এতিয়া সন্তুষ্টি প্ৰকাশ কৰিছে। জানিব পৰা মতে নলবাৰীৰ শিৱ এন্টাৰপ্ৰাইজ নামৰ যোগানকৰীয়ে স্থানীয় ৰান্ধনী, বিলনীৰ দ্বাৰা বিশুদ্ধ আৰু পৰিষ্কাৰ ৰূপত প্ৰতিদিনে ৪০০/৫০০ ৰোগীক দালি, ভাত, তৰকাৰী,মাছ, মাংসৰ উপৰিও ৰাতিপুৱাৰ আহাৰত ৰুটী,কল, কণী আদি নিয়মীয়াকৈ প্ৰদান কৰি সকলো ৰোগীৰে দৃষ্টি আকৰ্ষণ কৰি আহিছে। নলবাৰী চিকিৎসা মহাবিদ্যালয় খনত নলবাৰীৰ যুৱকে প্ৰতিদিনে ৰোগীসকলক সু-ব্যৱস্থাৰে তৃপ্তি পুৰ্ণ ব্যঞ্জনেৰে খাদ্য যোগ ধৰি অহা কাৰ্যত একাংশ লোকে বেমেজালি লগাবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখি আহিছে বুলি নলবাৰী চিকিৎসা মহাবিদ্যালয় খনৰ বাহিৰে-ভিতৰে চৰ্চা চলি থকাত স্হানীয় যোগনিয়াৰ কৰ্মচাৰী সকলে দুখ প্ৰকাশ কৰে। ইফালে চিকিৎসা মহাবিদ্যালয়খনত ৰোগী সকলে ব্যৱহাৰ কৰা কাপোৰ ধোৱাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই কোনো ধৰণৰ বিজ্ঞান সন্মত কাপোৰ ধোৱাৰ ব্যৱস্থা গ্ৰহণ নকৰাত ভীষণ সমস্যাৰ সন্মুখীন হৈছে চাফ্ চিকুন কৰা প্ৰতিষ্ঠানে। এই সমূহ অসুবিধা শীঘ্ৰেই সমাধান কৰিবলৈ আহ্বান জনাইছে শিৱ এন্টাৰপ্ৰাইজে।

## বকোৰ ৪০ নং দক্ষিণ লুকী গাঁও পঞ্চায়ত গঠন

**অসম বাৰ্তা, বকো, ২৯ জুন ঃ** কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪০ নং দক্ষিণ লুকী গাঁও পঞ্চায়ত গঠন। পঞ্চায়তৰ সভানেত্ৰী আৰু উপ সভানেত্ৰীৰ পদ নিৰ্বাচিত। ৰাজ্যত এতিয়া চলিছে পঞ্চায়ত গঠনৰ ধূম। বকো ছয়গাঁও সমষ্টিতো গঠন হ'ল ৪০ নং দক্ষিণ লুকী গাঁও পঞ্চায়ত। পঞ্চায়ত কাৰ্যালয় প্ৰাঙ্গণতে উক্ত গাঁও পঞ্চায়তখনৰ সভানেত্ৰী আৰু উপ সভানেত্ৰী পদত বাচনি কৰা হয়। সভানেত্ৰী পদৰ বাবে জুনু বড়ো আৰু উপ সভানেত্ৰী ৰূপে অৰ্চনা ৰাভা নিৰ্বাচিত হয়। বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দিৱস বৰদলৈৰ উপস্থিতিত নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলক আনুষ্ঠানিকভাৱে শপত বাক্য পাঠ কৰোৱা হয় আৰু লগতে পঞ্চায়ত সমিতিখনো গঠন কৰা হয়। ইফালে নৱনিৰ্বাচিত সভানেত্ৰী আৰু উপ সভানেত্ৰী দুয়োয়ে আগন্তুক দিনত বৃহত্তৰ ৰাইজৰ উন্নয়নৰ হকে কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত এইদৰে প্ৰকাশ কৰে। সভানেত্ৰী আৰু উপ সভানেত্ৰী নিৰ্বাচিত হোৱাৰ পিছতে আদৰণী জনালে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ফ্ৰাইলিন আৰ মাৰাকৰ লগতে একাংশ সহযোগী লোকে।

# শত্ৰশাল ৰামৰাইকুটি সত্ৰৰ ৰথ যাত্ৰা, গুৰুজনাৰ স্মৃতি বিজড়িত এক গুৰুত্বপূৰ্ণ উৎসৱ

**অসম বাৰ্তা, আগমনি, ২৯ জুন ঃ** ধুবুৰী জিলাৰ সত্ৰশালত অৱস্থিত শ্ৰী শ্ৰী ধাম ৰামৰাইকুটি সত্ৰত শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ ৰথ যাত্ৰা মহোৎসৱ। সমগ্ৰ দেশৰ সমান্তৰাল কৈ গোলকগঞ্জ সম জিলাৰ অসম পশ্চিমবংগ আৰু বাংলাদেশ ত্ৰিসীমান্তৰ সত্ৰশালৰ শ্ৰী শ্ৰী ধাম ৰামৰাইকুঠী সত্ৰতো যোৱা কালি পালিত হৈছিল ৰথযাত্ৰা। অসমৰ আন সত্ৰ সমূহত ৰথযাত্ৰা অনুষ্ঠিত নহয় যদিও ৰামৰাইকুঠী সত্ৰত তিনিশ বছৰ ধৰি পালিত হৈ আহিছে ৰথযাত্ৰা। এয়া সত্ৰ খনৰ সুকীয়া বৈশিষ্ট্য। মহাৰাজ নৰনাৰায়ণে সত্ৰ খনত প্ৰদান কৰে পিতলৰ ৰথ খন। যিখন দেশৰ ভিতৰত অদ্বিতীয় । কাৰণ সৰ্বত্ৰে আছে অকল কাঠৰে নিৰ্মিত ৰথ। যোৱা তিনি বছৰৰ পৰা সংৰক্ষণৰ স্বাৰ্থত পিতলৰ ৰথৰ অনুৰূপ কাঠৰ ৰথ নিৰ্মাণ কৰি নিয়মৰ কাম চলোৱা হয়। এই উৎসৱত শ্ৰীকৃষ্ণ আৰু বলভদ্ৰৰ মূৰ্তি ৰথত স্থাপন কৰি গায়, বায়ন, নাম, কীৰ্তনেৰে সত্ৰৰ মূল গৃহ পৰিক্ৰমা কৰা হয়। পৰম্পৰাগত ভাবে আজি পুৱাৰ গীত আই সকলৰ নাম বাপু সকলৰ নাম প্ৰসঙ্গ দুপৰীয়া ৰথত ৰছী লগাই সহস্ৰাধিক ৰাইজ টানি টানি নামঘৰৰ চাৰিওফালে সাত বাৰ প্ৰদক্ষিণ কৰে। তাৰ পিছতে সাত দিনৰ বাবে নাতি দূৰত অৱস্থিত ঘুনুচাবাৰী সত্ৰ লৈ নিয়া হয়। অসম পশ্চিমবংগ লক্ষাধিক ৰাইজৰ সমাগম হয় স্মৰ্তব্য যে, শ্ৰীশ্ৰীজগন্নাথৰ ৰথ যাত্ৰা অনুষ্ঠিত হোৱা এই খনেই অসমৰ একমাত্ৰ সত্ৰ বুলি পৰিচিত। আন কোনো এখন সত্ৰত শ্ৰীশ্ৰীজগন্নাথৰ ৰথ যাত্ৰা অনুষ্ঠিত হোৱাৰ কথা জনা নাযায়। উল্লেখ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিজেই স্থাপন কৰে সত্ৰ খন। এই সত্ৰতে গুৰুজনাৰ উপস্থিতিত আই ভুৱনেশ্বৰী আৰু নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ৰ বিয়া সম্পন্ন হৈছিল। পিছত মহাৰাজা নৰনাৰায়ণে এখন ৰথ সত্ৰত দান কৰে গৌৰীপুৰৰ ৰজাৰ হতুৱাই। ৰথখন সম্পূৰ্ণ পিতলৰে নিৰ্মিত। তিনি শতাধিক বছৰ ধৰি সত্ৰ খনত শ্ৰীশ্ৰীজগন্নাথৰ ৰথযাত্ৰা পালিত হৈ আহিছে।

## হাজো-শুৱালকুছি সমষ্টিৰ গাঁও পঞ্চায়তৰ সভাপতি - উপসভাপতি নিৰ্বাচিত

# টুটুমণি দাস, বনানী দাস, অনিল ডেকা, আইৰন খাতুন সভাপতি নিযুক্ত

**অসম বাৰ্তা, সংবাদ দাতা, হাজো, ২৯ জুন ঃ** নৱগঠিত হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিখনকৈ গাঁও পঞ্চায়ত আজি হাজো উন্নয়ন খণ্ড কাৰ্যালয়ত গঠিত হয়।হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইন,খণ্ড উন্নয়ন বিষয়া ইন্দ্ৰনীল কাশ্যপ আৰু পঞ্চায়ত সচিবৰ উপস্থিতিত ১ নং হাজো গাঁও পঞ্চায়তৰ সভাপতি হিচাপে টুটুমণি দাস, উপ সভাপতি ৰুমী মালাকাৰ, ২নং হাজো গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ সভাপতি হিচাপে নিৰ্বাচিত হয় ক্ৰমে বনানী দাস আৰু কৈলাশ ৰাজবংশী, কুলহাটী-পাচগাওঁ গাঁও পঞ্চায়তৰ প্ৰাক্তন ৱাৰ্ড সদস্য অনিল ডেকা পুনৰ নিৰ্বাচিত হৈ এইবেলি সভাপতি আৰু স্মৃতি ৰেখা মেধি উপ-সভানেত্ৰী হিচাপে নিৰ্বাচিত হয়।আনহাতে বঙালপাৰা গাঁও পঞ্চায়তৰ সভাপতি পদত আইৰন খাতুন সভাপতি আৰু উপ সভাপতি পদত কাচেম আলী নিৰ্বাচিত হৈ শপত গ্ৰহণ কৰে। উল্লেখ্য যে,হাজো-শুৱালকুছি সমষ্টিৰ আন পঞ্চায়তকেইখনৰো পৰ্যায়ক্ৰমে নিৰ্বাচিত সদস্যৰ দ্বাৰা গঠন কৰা হ'ব বুলি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ে জানিব দিয়ে।









# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, জাঁজী, ২৯ জুন ঃ** শিৱসাগৰ জিলাৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত ২৬ জুন, তাৰিখে উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ -ছাত্ৰীসকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা সহযোগী অধ্যাপক ড০ ৰাজীৱ গগৈয়ে আঁতধৰা প্ৰতিযোগিতাখনিত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মানজিৎ গগৈয়ে। কুইজ মাষ্টাৰ হিচাপে অংশগ্ৰহণ কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক তথা শৈক্ষিক সমন্বয়ক ছাজিদুল হক বৰবৰা, ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড০ বসন্ত সন্দিকৈ আৰু শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক মৃণাল বৰুৱাই। মুঠ নটা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত প্ৰাৰম্ভিক পৰ্য্যায়ৰ পৰা ছটা দলে মূল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু মুল প্ৰতিযোগিতাত অংকিতা শইকীয়া,বাৰ্বী বড়া আৰু উজ্জ্বল ফুকনৰ দলে প্ৰথম, দিব্যজ্যোতি দত্ত, ধৰিত্ৰী চাংমাই আৰু জ্যোতিষ্মান দাসে দ্বিতীয় আৰু কৰিশ্মা কটকী,জোনমণি গগৈ আৰু প্ৰজ্বলিতা নাথে তৃতীয় স্থান লাভ কৰে। স্থান প্ৰাপ্ত আটাইকেইটা দলকে গ্ৰন্থ আৰু মানপত্ৰ প্ৰদান কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমন্বয়ক তথা সহকাৰী অধ্যাপিকা ৰবিনা ছেত্ৰীয়ে পৰিচালনা কৰা বঁটা প্ৰদান অনুষ্ঠানত বিশ্ব পৰিবেশ দিৱস উপলক্ষে আয়োজন কৰা শ'গান আৰু প'ষ্টাৰ মেকিং প্ৰতিযোগিতাত স্থান প্ৰাপকসকলকো পুৰস্কাৰ প্ৰদান কৰা হয়।

# কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিবৰ দ্বাৰা কামৰূপ জিলাৰ ধৰতী আবা জনভাগীদাৰী অভিযানৰ সজাগতা শিবিৰ পৰিদৰ্শন

**অসম বাৰ্তা কামৰূপ, আমিনগাঁও, ২৯ জুন ঃ** কামৰূপ জিলাত ধৰতী আবা জনভাগীদাৰী অভিযানৰ অধীনত চলি থকা এক সজাগতা শিবিৰ আজি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব দেৱলীনা ঠাকুৰে পৰিদৰ্শন কৰে। উল্লেখ্য যে জনজাতীয় সম্প্ৰদায়ৰ লোকৰ সবলীকৰণৰ লক্ষ্যৰে মন্ত্ৰালয়ৰ উদ্যোগত চলি থকা ধৰতী আবা জনভাগীদাৰী অভিযানৰ অংশ হিচাপে সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাতো প্ৰতিটো উন্নয়ন খণ্ডত সজাগতা শিবিৰসমূহৰ আয়োজন কৰা হৈছে। কামৰূপ জিলাত আজি বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত সৰু বাকা চাৰ্চ খেলপথাৰত আয়োজিত শিবিৰ পৰিদৰ্শনৰ সময়ত জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিবগৰাকীয়ে হিতাধিকাৰী আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। আজিৰ শিৱিৰত উপস্থিত স্বাস্থ্য, কৃষি, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ বিভাগৰ প্ৰতিনিধি তথা বেংকৰ অগ্ৰণী জিলা প্ৰবন্ধকে জনজাতীয় সম্প্ৰদায়ৰ লোকসকলক আয়ুষ্মান ভাৰত স্বাস্থ্য কাৰ্ড, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পিএম-কিষান), প্ৰধানমন্ত্ৰী জন ধন যোজনা, ৰেচন কাৰ্ড, আধাৰ আৰু ই-শ্ৰমৰ বাবে পঞ্জীয়নৰ দৰে জন কল্যাণমূলক আঁচনিৰ সুবিধা সম্পৰ্কে সজাগ কৰাৰ লগতে আৰু এনে আঁচনিৰ অধীনত হিতাধিকাৰীসকলক পঞ্জীয়নৰো ব্যৱস্থা কৰে। আজি যুটীয়া সচিব দেৱলীনা ঠাকুৰৰ সৈতে কামৰূপৰ সহকাৰী আয়ুক্ত সুনম দাস আৰু বেজেৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাও উপস্থিত থাকে।

# দীপ্তেশ্বৰী গাওঁ পঞ্চায়তৰ সভাপতি জগদীশ দাস আৰু উপ সভাপতি মঞ্জুলা বেগম নিৰ্বাচিত

**অসম বাৰ্তাৰ সেৱা ৰঙিয়া, ২৯ জুন ঃ** নৱগঠিত ৰঙিয়া সমষ্টিৰ আজি দীপ্তেশ্বৰী গাওঁ পঞ্চায়তৰ সভাপতি আৰু উপ সভাপতি নিৰ্বাচন কৰা হয়। পঞ্চায়তখনৰ আগন্তুক সময়ছোৱাৰ বাবে জগদীশ দাসে সভাপতি আৰু মঞ্জুলা বেগম উপ সভাপতি হিচাবে নিৰ্বাচিত হয় ।সভাপতি জগদীশ দাস ৬ টা ভোট পোৱাৰ বিপৰীতে প্ৰতিদণ্ডী মৃগেন নাথে ৪টা ভোট পায় ।আনহাতে উপ সভাপতি পদত মঞ্জুলা বেগম ৬ টা ভোট পোৱাৰ বিপৰীতে নমিতা কলিতাই ৪টা ভোট পায় ।ৰঙিয়াৰ চেপ্তিস্থিত জলসিঞ্চন বিভাগৰ পৰিদৰ্শন বাংলাত আজি অনুস্থিত বিশেষ সভাখনত ৰঙিয়া খণ্ড উন্নয়ন বিষয়া বিপুল ডেকাৰ তত্ত্বাৱধানত তথা পঞ্চায়ত সচিবৰ উপস্থিতিত পঞ্চায়তখনৰ গাওঁসভাৰ সদস্য আৰু সদস্যা সকলে সভাপতি আৰু উপ সভাপতি নিৰ্বাচিত কৰে ।লগতে পঞ্চায়তখনৰ কাম কাজ উন্নীতকৰণ আৰু ত্বৰান্বিতকৰণৰ হেতু বহুকেইখন উপ সমিতিও গঠন কৰে পঞ্চায়তখনৰ প্ৰতিনিধিসকলে। পঞ্চায়তখন আনকেইজন সদস্য আৰু সদস্যা কেইগৰাকী হ'ল-বিপ্ৰ নাথ, নমিতা কলিতা, চাহাবুদ্দিন আহমেদ, চুমি বেগম, মনোৱাৰ হুছেইন,জয়শ্ৰী ৰাজবংশী,চেমিমা আখতাৰা,মৃগেন নাথ ।নৱ নিৰ্বাচিত পঞ্চায়ত সভাপতি,উপসভাপতি তথা সমূহ সদস্য/সদস্যা বিষয়ববীয়াক অভিনন্দন জনাই ৰঙিয়াৰ জনপ্ৰিয় বিধায়ক ভবেশ কলিতা,ভাজপাৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি ভাস্কৰ কলিতা, হৰদত্ত-বীৰদত্ত জিলা পৰিষদৰ নৱ নিৰ্বাচিত সদস্যা মনালিছা কলিতা, বিজেপিৰ জেষ্ঠ্য নেতা দীনেশ কলিতা, ভাজপাৰ ৰঙিয়া নগৰ মণ্ডলৰ সভাপতি নৱজ্যোতি ডেকা প্ৰমুখ্যে দলীয় কৰ্মীসকলে।

# বৰুৱাআলি মণ্ডলত প্ৰয়াত জয়ন্ত কুমাৰ চুতীয়াৰ স্মৃতিচাৰণ অনুষ্ঠান 'স্মৃতিৰ মালিতা' সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ২৯ জুন ঃ** নাজিৰা শিক্ষা খণ্ডৰ অধীনৰ বৰুৱাআলি মণ্ডলৰ অন্তৰ্গত ১৯৬ নং নামতি বঙালী নিম্ন প্ৰাথমিক বিদ্যালয় তথা বৰুৱাআলি আৰু লোণপুৰীয়া মণ্ডলৰ সমূহ বিদ্যালয়ৰ উদ্যোগত সদ্যপ্ৰয়াত সহকাৰী শিক্ষক জয়ন্ত কুমাৰ চুতীয়াৰ পবিত্ৰ স্মৃতিত 'স্মৃতিৰ মালিতা' শীৰ্ষক এটি শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান আজি সম্পন্ন হৈ যায়। প্ৰয়াত চুতীয়াৰ কৰ্মস্থলী ১৯৬ নং নামতি বঙালী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত আৰু বৰুৱাআলি মণ্ডলৰ মণ্ডল সমন্বয়ক মহেন্দ্ৰ নাথে আঁতধৰা এই অনুষ্ঠানটি প্ৰয়াত চুতীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে আৰম্ভ কৰে স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি যোগেন হাজৰিকাই। বৰুৱাআলি মণ্ডলৰ মণ্ডল সমন্বয়ক মহেন্দ্ৰ নাথ, ১৯৬ নং নামতি বঙালী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যোগানন্দ বড়া, প্ৰয়াত জয়ন্ত কুমাৰ চুতীয়াৰ সহধৰ্মিনী, শিক্ষয়িত্ৰী আশালিমা চেতিয়া, লোণপুৰীয়া মণ্ডলৰ মণ্ডল সমন্বয়ক ঋতুৰাজ বৰুৱা, দেওপানী মণ্ডলৰ মণ্ডল সমন্বয়ক চিদানন্দ গগৈ, শিক্ষক কনক নেওগ আদিয়ে প্ৰয়াত চুতীয়াৰ জীৱন, আদৰ্শ আৰু কৰ্মজীৱন সন্দৰ্ভত বিশদ আলোকপাত কৰাৰ লগতে শিক্ষক পংকজ বৰুৱাই প্ৰয়াত চুতীয়াৰ স্মৃতিত ৰচনা কৰা এটি কবিতা পাঠ কৰে। সৰবৰহী শিক্ষক তথা শব্দৰে খেলা কৰা কবি, সাংবাদিক, লেখক জয়ন্ত কুমাৰ চুতীয়াৰ অকাল বিয়োগত মৰ্মাহত সহকৰ্মীবৃন্দঞ্জ অনুষ্ঠানটিত উপস্থিত থাকি জয়ন্ত কুমাৰ চুতীয়ালৈ আনুষ্ঠানিকভাৱে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। দুয়োটা মণ্ডলৰ সমূহ বিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰী, স্থানীয় ৰাইজ, বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী প্ৰমুখ্যে শতাধিক লোকৰ উপস্থিতিয়ে শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠানটি গাম্ভীৰ্যপূৰ্ণ কৰি তোলে।

# অভয়াপুৰীত বিপদজনক অৱস্থাত ট্ৰান্সফৰমাৰ

## যিকোনো মুহূৰ্ততে ঘটিব পাৰে অঘটন

**অসম বাৰ্তা , ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৯ জুন ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ মাজ মজিয়াৰ মুল পথটোৰ পৰা পুৰণি হস্পিতাললৈ যোৱা পথত বৰ্তমানে বন্ধ হৈ থকা চিনেমা হ'লৰ কাষৰ, পথছোৱাৰ গাতেই লাগি থকা বিদ্যুৎ বিভাগৰ উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ প্ৰবাহিত এটা ট্ৰান্সফৰমাৰ সম্পূৰ্ণৰূপে অসুৰক্ষিত অৱস্থাত আছে। ট্ৰান্সফৰমাটোৰ চাৰিওফালে কোনো ধৰণৰ সুৰক্ষা বেৰ নাই, নাই কোন ধৰণৰ সংকেত চিহ্ন। একেবাৰে উন্মুক্ত অৱস্থাত থকা ট্ৰান্সফৰমাটোত যিকোনো মুহুৰ্তত ভয়ংকৰ দুৰ্ঘটনাৰ কাৰণ হ'ব পাৰে বুলি আশংকা কৰা হৈছে। স্থানীয় ৰাইজৰ অভিযোগ মতে, অভয়াপুৰী উপ-সংমণ্ডলত এই বিষয়ে অবহগত কৰা হৈছিল যদিও বিদ্যুৎ বিভাগৰ ফালৰ পৰা এতিয়ালৈ কোন ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। এই ট্ৰান্সফৰমাৰটোৰ সৈতে কেতিয়াবা মানুহ, গৰু, ছাগলী বা অন্য জীৱ-জন্তুৰ সংস্পৰ্শত আহিলে ভয়ঙ্কৰ দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা আছে। এতিয়া প্ৰশ্ন উঠিছে, অভয়াপুৰী বিদ্যুৎ উপ সংমণ্ডৰ ফালৰ প্ৰয়োজনীয় পদক্ষেপ সমূহ কিয় গ্ৰহণ কৰা নাই। স্থানীয় ৰাইজে দাবী কৰিছে যে, ট্ৰান্সফৰমাটো চাৰিওদিশে তৎকালিকভাৱে সুৰক্ষা বেৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

# বৰাজোল দুৰ্গা মন্দিৰত সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি গঠন

**অসম বাৰ্তা, চৌধুৰী, ২৯ জুন ঃ** বিভিন্ন জাতি ধৰ্ম নিৰ্বিশেযে বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মিলনেৰে শান্তি সম্প্ৰীতি, ঐক্য-সংহতিৰ নিদৰ্শনৰ এনাজৰীডাল অতীজৰে পৰা শক্তিশালী ভাৱে ধৰি ৰখা নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ বৰাজোল অঞ্চলৰ ৰাইজে শক্তি অধিষ্ঠাত্ৰী আই ভৱানী জগত জননী মা দুৰ্গা দেৱীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ মানসেৰে বৰাজোল সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা মন্দিৰত বছৰ বছৰ ধৰি উদযাপন কৰি অহা দুৰ্গা পূজাখনিৰ এইবেলি মহাৰজত জয়ন্তী।সেয়েহে উক্ত মহাৰজত জয়ন্তী এইবেলি ২৩ ছেপ্তেম্বৰ পৰা ২ অ'ক্টোবৰ লৈ দহদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে উদযাপন কৰাৰ ব্যাপক প্ৰস্তুতি চলিছে। ইতিমধ্যে দুৰ্গা পূজাখনিৰ মহাৰজত জয়ন্তী সুচাৰূপে উদযাপন কৰাৰ বাবে নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সভাপতি, বিশিষ্ট সমাজকৰ্মী গৌৰী দাস আৰু বীৰেন দাস কাৰ্যকৰী সভাপতি, ধৰণী কলিতাক মুখ্য সম্পাদক,যুবনেতা কংকণ কলিতা, সতীশ বৈশ্য আৰু কমলেশ্বৰ বৰ্মনক সম্পাদক হিচাপে লৈ এখন মহাৰজত জয়ন্তী উদযাপন পৰিচালনা সমিতি গঠন কৰা হৈছে।

# বাক্সাৰ শিমলাবাৰীত পুত্ৰৰ কুঠাৰৰ ঘাপত মাতৃৰ মৃত্যু

**অসম বাৰ্তা, বাগানপাৰা,২৯ জুন ঃ** বাক্সা জিলাৰ বাগানপাৰা আৰক্ষী চকীৰ অন্তৰ্গত শিমলাবাৰী গাৱত আজি সংঘটিত হয় এক নৃশংস হত্যা কাণ্ড। পুত্ৰৰ কুঠাৰৰ ঘাপত মৃত্যু হয় এগৰাকী মাতৃৰ। প্ৰাপ্ত তথ্য অনুসৰি বাক্সা জিলাৰ শিমলাবাৰী দেংখাফুৰি চুবাৰ ধনজিৎ বড়োই দুপৰীয়া মাতৃৰ সতে কাজিয়াত লিপ্ত হয় । খঙৰ ভমকত মাতৃ চম্পা বড়োক কুঠাৰেৰে ঘপিওৱাৰ ফলত মাতৃ চম্পা বড়োৰ মৃত্যু হয় । মাতৃক হত্যা কৰি মৃতদেহটো বাৰীৰ পিছফালে নি বাঁহ কৰি আদি জাপি দি জ্বলাই দিয়ে । চুবুৰীয়া তথা গাঁৱৰ মানুহে জুই দেখি চাবলৈ আহি মাতৃৰ মৃতদেহটো জ্বলাই থকা দেখি আচৰিত হৈ ততাতৈয়াকৈ আৰক্ষীক খবৰ দিয়ে। আৰক্ষী আহি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰৰ ডা ৰবিৰাম বড়ো অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে মাতৃহন্তা ধনজিৎ বড়োক আটক কৰে । উল্লেখ্য যে, দুবছৰ পূৰ্বে ধনজিৎ বড়োৱে পিতৃক হত্যা কৰি জেললৈ গৈছিল । জেলৰ পৰা ওলাই অহা কেইমাহমানৰ পিছত পুনৰ মাতৃক হত্যা কৰা কাৰ্যত ৰাইজে আশ্বৰ্য প্ৰকাশ কৰিছে ।

# কল্যাণীত গ্ৰীষ্মকালীন নাট্য কৰ্মশালা

**অসম বাৰ্তা, নিমাতীঘাট, ২৯ জুন ঃ** উত্তৰ যোৰহাটৰ কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকাণ্ডাৰী স্কুলৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ২-১৬ জুলাইলৈ গ্ৰীষ্মকালীন নাট্য কৰ্মশালাৰ আয়োজন কৰিছে।কল্যাণী ৰংগ মঞ্চত আয়োজিত কৰ্মশালাত অভিজ্ঞ সাংস্কৃতিককৰ্মী গুণাকৰ দেৱগোস্বামী,জনপ্ৰিয় অভিনেত্ৰী গীতালী ৰাজকুমাৰী, সাংবাদিক চক্ৰপাণি পৰাশৰ, ভাইমনদা কথাছবিৰ পৰিচালক শশাংক সমীৰ ,চলচ্চিত্ৰ পৰিচালক তথা অভিনেতা পবিত্ৰ খাউণ্ডে সমল ব্যক্তি ৰূপে অংশ গ্ৰহণ কৰিব। প্ৰথমৰ পৰা চতুৰ্থ শ্ৰেণী আৰু পঞ্চম শ্ৰেণীৰ পৰা সকলোৰে বাবে মুকলি পৰ্যায়ত দুটা শাখাত অনুষ্ঠিতব্য কৰ্মশালাত অংশ গ্ৰহণৰ কাৰণে ইচ্ছুকসকলক দূৰভাষ: ৭০০২০৭২৭০৬ বা ৮৪০২০৩০৫২৬ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

**NAME CORRECTION**

I Nayanjyoti Roy, S/O: Thakursing Roy, "Vill: Kauniabhasa (Bhatipara), P.O.: Kalipukhuri, Dist: Kokrajhar BTR Assam, do hereby changed my surename to Nayanjyoti Madahi, S/O: Thakursing Madahi vide an Affidavit No. IN-AS630663 78020136X, on 2nd June 2025, made before executive magistrate, Chirang, BTR ASSAM. Henceforth, I shallbe known as Nayanjyoti Madahi, S/O- Thakursing Madahi for all Purposes.

# হিন্দী বাধ্যতামূলক নহয় ! মহাৰাষ্ট্ৰ চৰকাৰে বাতিল কৰিলে ‘ত্ৰিভাষা ফৰ্মূলা’



**অসম বাৰ্তা, ইণ্টাৰনেশ্যনেল ডেস্ক, ২৯ জুন ঃ** প্ৰথম শ্ৰেণীৰ পৰাই হিন্দী বাধ্যতামূলক কৰাৰ সিদ্ধান্ত বাতিল কৰিলে মহাৰাষ্ট্ৰ চৰকাৰে। দেওবাৰে এই কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাডনাবিছে। শিৱসেনা (উদ্ধৱ থাকৰে) আৰু ৰাজ থাকৰেৰ দল এম এন এছে প্ৰথম শ্ৰেণীৰ পৰা হিন্দীক বাধ্যতামূলক কৰাৰ বিৰুদ্ধে ৫ জুলাইত মহামৰ্চা উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তাৰ পাছতে আজি হিন্দী বাধ্যতামূলকৰ সিদ্ধান্ত বাতিল কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এই সন্দৰ্ভত এখন সমিতি গঠন কৰা হৈছে, সেই সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব। দেওবাৰে মহাৰাষ্ট্ৰ কেবিনেটৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। য'ত হিন্দী ভাষা বিষয়টো কাৰ্যকৰী কৰাৰ সিদ্ধান্তৰ ওপৰত আলোচনা কৰা হয়। এই বৈঠকত বিতং আলোচনাৰ অন্তত চৰকাৰে ‘ত্ৰিভাষা ফৰ্মূলা’ৰ অধীনত হিন্দী ভাষা অন্তৰ্ভুক্ত কৰাৰ সৈতে জড়িত দুয়োটা জি আৰ বাতিল কৰে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীয়ে সংবাদমেল সম্বোধন কৰি এই কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ত্ৰিভাষা ফৰ্মূলা সম্পৰ্কত কোন শ্ৰেণীৰ পৰা তৃতীয় ভাষা কাৰ্যকৰী কৰা উচিত, এইটো কেনেকৈ কৰা উচিত, ল'ৰা-ছোৱালীক কি বিকল্প দিব লাগে, এই সন্দৰ্ভত সিদ্ধান্ত ল'বলৈ ৰাজ্য চৰকাৰে ড° নৰেন্দ্ৰ জাধৱৰ নেতৃত্বত এখন সমিতি গঠন কৰিব। এই সমিতিত আন কিছুমান সদস্য থাকিব। তেওঁলোকৰ নামো শীঘ্ৰেই ঘোষণা কৰা হ'ব। তেওঁ কয়, এই সমিতিৰ প্ৰতিবেদন অহাৰ পাছতহে ‘ত্ৰিভাষা ফৰ্মূলা’ কাৰ্যকৰী কৰা হ'ব। সেয়ে ২০২৫ চনৰ ১৬এপ্ৰিল আৰু ২০২৫ চনৰ ১৭ জুনৰ দুয়োটা চৰকাৰী সিদ্ধান্ত বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই দুয়োটা চৰকাৰী সিদ্ধান্ত আমি বাতিল কৰিছো। ২০২৫ চনৰ ১৬ এপ্ৰিল আৰু ২০২৫ চনৰ ১৭ জুনত ৰাজ্য চৰকাৰে চৰকাৰী নিৰ্দেশনা জাৰি কৰিছিল। শেহতীয়াকৈ মহাৰাষ্ট্ৰ চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি (এন ই পি) ২০২০ৰ অধীনত এক সিদ্ধান্ত লৈছিল। সিদ্ধান্ত অনুসৰি, ছাত্ৰ-ছাত্ৰীক প্ৰথম শ্ৰেণীৰ পৰা ত্ৰিভাষি ফৰ্মূলাৰ অধীনত শিকোৱা হ'ব। এই সূত্ৰৰ অধীনত ছাত্ৰ-ছাত্ৰীক তিনিটা ভাষা শিকোৱা হয় — মাতৃভাষা, হিন্দী আৰু ইংৰাজী। কিন্তু মহাৰাষ্ট্ৰৰ বিভিন্ন ঠাইত চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছিল। বিশেষকৈ মাৰাঠী ভাষী সংগঠন, ৰাজনৈতিক দল আৰু সমাজকৰ্মীসকলে ইয়াকে লৈ চৰকাৰক সমালোচনা কৰিছিল। তেওঁলোকে যুক্তি দিছিল যে বিদ্যালয়ত বাধ্যতামূলকভাৱে হিন্দী পাঠদান কৰাটো ‘ভাষিক আগ্ৰাসন’ আৰু ইয়াৰ ফলত মাৰাঠী ভাষা-সংস্কৃতি বিপদত পৰিব। বিৰোধী দলসমূহেও কেন্দ্ৰৰ ভাষা নীতি ৰাজ্যৰ ওপৰত জাপি দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পাছতে ৰাজ্যখনৰ বিভিন্ন ঠাইত ইয়াকে লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত হৈছিল। অৱশেষত আজি চৰকাৰে সেই বিতৰ্কিত সিদ্ধান্ত বাতিল কৰে।

*মাটি খহি মৃত্যু একেটা পৰিয়ালৰে ৪ জন লোকৰ*

# ৰাজস্থান-উত্তৰ প্ৰদেশ সীমান্তৰ ভৰতপুৰত শোকাৱহ ঘটনা

**অসম বাৰ্তা, নেশ্যনেল ডেস্ক, ২৯ জুন ঃ** ৰাজস্থান আৰু উত্তৰ প্ৰদেশৰ সীমান্তত অৱস্থিত ভৰতপুৰ অঞ্চলত শোকাৱহ ঘটনা। মাটি খহি মৃত্যু একেটা পৰিয়ালৰে ৪ জন লোক, লগতে আহত দুজন। জানিব পৰা মতে, পৰিয়ালটোৱে চাম্বাল প্ৰজেক্টৰ অধনীত পাইপলাইন খান্দি থকা ঠাইৰ পৰা নিজৰ ঘৰ মচিবলৈ মাটি আনিব গৈছিল। তেতিয়াই এই ভয়ংকৰ ঘটনা সংঘটিত হয়। ঘটনাৰ বিষয়ে অৱগত হৈ লগে লগে ঘটনাস্থলীত প্ৰশাসনিক বিষয়া আৰু উদ্ধাৰকাৰী দল উপস্থিত হয়। কিন্তু তাৰ পাছতো ৪ জন সদস্যৰ প্ৰাণ ৰক্ষা কৰিব পৰা নগ'ল। দেওবাৰে এই ঘটনা সংঘটিত হৈছে ৰাজস্থান আৰু উত্তৰ প্ৰদেশৰ সীমান্তত অৱস্থিত ভৰতপুৰত। এই পৰিয়ালটো আগ্ৰাৰ ফাতেহপুৰ ছিক্ৰিৰ উট্টু গাঁৱৰ বাসিন্দা আছিল।এই ঘটনা আজি পুৱা প্ৰায় ৮.৩০ মান বজাত সংঘটিত হয়। ঘটনাৰ বিৱৰণী অনুসৰি উট্টু গাঁৱৰ প্ৰায় ১০ জন লোকে চাম্বাল প্ৰজে''ৰ বাবে খান্দি থোৱা ১০ ফুট দ' গাঁতৰ পৰা মাটি ভৰাই আছিল । কিন্তু হঠাতে তেওঁলোকৰ ওপৰত মাটি বাগৰি পৰে আৰু মাটি খান্দি থকা লোকসকল পোত যায়। যাৰ ফলত এই ঘটনাত একেটা পৰিয়ালৰ ৪জন লোকৰ মৃত্যু হোৱাৰ লগত ২ জন আহত হয় ।ঘটনাৰ তথ্য লাভ কৰাৰ পাছতে ঘটনাস্থলীত আৰক্ষী আৰু উদ্ধাৰ অভিযানৰ দল উপস্থিত হয়। লগে লগে উদ্ধাৰকাৰী দলে ধ্বংসাৱশেষৰ তলত পুতি যোৱা ৬ জন লোকক উলিয়াই আনে । কিন্তু এই ঘটনাৰ ফলত ২২ বছৰীয়া অনুকূল, ২৫ বছৰীয়া যোগেশ কুমাৰী আৰু ৫৫ বছৰীয়া বিনোদ দেৱীৰ থিতাতে মৃত্যু হয়। ৪৫ বছৰীয়া বিমলা দেৱীৰ চিকিৎসালয়লৈ যোৱাৰ পথত মৃত্যু হয়। ইয়াৰ বিপৰীতে বৰ্তমান চিকিৎসাধীন হৈ আছে ৩৮ বছৰীয়া দীনেশ আৰু ৫০ বছৰীয়া জয়শ্ৰী। আৰক্ষী বিষয়া অমিত ড'ৰিয়াই জানিবলৈ দিয়া মতে, উট্টু গাঁৱৰ এই লোকসকলে চাম্বাল প্ৰকল্পৰ খনন স্থানৰ পৰা মানি আনিবলৈ গোপনে গাঁতত নামিছিল। জানিব পৰা মতে এই মাটি হালধীয়া হয়,যি অতি মসৃণ। ইয়াক কেঁচা ঘৰ মোচা আৰু পাৰম্পৰিক বাচন-বৰ্তন প্ৰস্তুত কৰাৰ দৰে কামত ব্যৱহাৰ কৰা হয় ।ভৰতপুৰ জিলা উপায়ুক্ত কামাৰ-উল-জামানে নিশ্চিত কৰিছে যে দুৰ্ঘটনাস্থলীৰ পৰা ৬ জন লোকক উদ্ধাৰ কৰা হৈছে, ইয়াৰে ৪ জনৰ মৃত্যু হৈছে আৰু ২ জন চিকিৎসাধীন হৈ আছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছা পেলাইছে। জানিব পৰা মতে, এই ঘটনাত মৃত্যু হোৱা অনুকূল ৫ দিন পূৰ্বে ঘৰলৈ উভতিছিল। তেওঁ জয়পুৰত বেংকিং প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছিল। কিন্তু এই ঘটনাই অনুকূল আৰু তেওঁৰ পৰিয়ালৰ সকলো সপোন ভাঙি চুৰমাৰ কৰে।



# গাজাত ইজৰাইলৰ আক্ৰমণত নিহত প্ৰায় ৭২জন লোক

**অসম বাৰ্তা, ইণ্টাৰনেশ্যনেল ডেস্ক, ২৯ জুন ঃ** ২১ মাহৰ যুদ্ধৰ পিছত যুদ্ধবিৰতিৰ সম্ভাৱনা ইজৰাইল আৰু হামাছৰ মাজত। স্বাস্থ্যকৰ্মীসকলে জনোৱা মতে, ইজৰাইলৰ আক্ৰমণত সমগ্ৰ গাজাত শনিবাৰলৈকে কমেও ৭২জন লোকৰ মৃত্যু হয়। দক্ষিণৰ খান ইউনিছ চহৰৰ সমীপৰ মুৱাছিত টেণ্ট কেম্পত ইজৰাইলৰ আক্ৰমণত নিহত হয় পিতৃ-মাতৃকে ধৰি তিনি শিশু। শুই থকা অৱস্থাতে আটাইকেইজন আঘাতপ্ৰাপ্ত হৈ মৃত্যুবৰণ কৰিছিল বুলি আত্মীয়ই জনায়। “এই কণ কণ ল'ৰা-ছোৱালীবোৰে সিহঁতক কি কৰিলে, সিহঁতৰ কি দোষ” বুলি কৈ শিশুকেইটাৰ আইতাক ছুৱাদ আবু টেইমাই তেওঁলোকৰ মুখমণ্ডলত চুম্বন যঁচাৰ পিছত হিয়াঢাকুৰি কান্দে। আন একাংশই মৃতদেহকেইটাৰ ওপৰত ৰঙা ফুলেৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যু হোৱা আন আন লোকসকলৰ ভিতৰত গাজা চহৰৰ পেলেষ্টাইন ষ্টেডিয়ামৰ সমীপৰ ১২জন লোক আছে, য'ত স্থানচ্যুত লোকক আশ্ৰয় দিয়া হৈছিল আৰু বাকী ৮জন স্থানীয় বাসিন্দা বুলি শ্বিফা হাস্পতালৰ কৰ্মচাৰীয়ে জনায়। স্বাস্থ্য বিষয়াই জনোৱা মতে, ২০ টাতকৈ অধিক মৃতদেহ নাছেৰ হাস্পতালৈ নিয়া হৈছে। পূব গাজা চহৰৰ এটা পথত দিনৰ ভাগত হোৱা আক্ৰমণত ১১জন লোকৰ মৃত্যু ঘটে। পৰৱৰ্তী সময়ত সেই মৃতদেহবোৰ আল-আহলী চিকিৎসালয়ত ৰখা হয়। পূব গাজা চহৰত এক সমাৱেশত হোৱা আন এক আক্ৰমণত পাঁচটা শিশুকে ধৰি আঠজন লোকৰ মৃত্যু হোৱা বুলি চিকিৎসালয়খনে জনায়। আল-আউদা হাস্পতালৰ মতে, মধ্য গাজাৰ বুৰেইজ শৰণাৰ্থী শিবিৰৰ প্ৰৱেশদ্বাৰত হোৱা এক সমাৱেশত দুজন লোকৰ মৃত্যু ঘটে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কয় “অহা সপ্তাহৰ ভিতৰত যুদ্ধবিৰতি চুক্তি হ'ব পাৰে। আমি গাজাৰ বিষয়ত কাম কৰি আছো আৰু ইয়াৰ যত্ন লোৱাৰ চেষ্টা কৰিছো।' 'শেহতীয়া পৰিস্থিতিৰ বিষয়ে অৱগত এজন বিষয়াই দ্য এছ'চিয়েটেড প্ৰেছৰ আগত এনেদৰে কয়, “অহা সপ্তাহত ইজৰাইলৰ কৌশলগত পৰিক্ৰমা মন্ত্ৰী ৰন ডাৰ্মাৰে গাজা যুদ্ধবিৰতি, ইৰাণ আৰু অন্যান্য বিষয়ৰ ওপৰত আলোচনাৰ বাবে ৱাশ্বিংটনত উপস্থিত হ'ব। 'উল্লেখ্য যে, সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপৰ অনুমতি নথকাৰ বাবেই বিষয়াগৰাকীয়ে নাম প্ৰকাশ নকৰাৰ চৰ্তত এই কথা কয়। ইজৰাইল আৰু হামাছৰ মাজত পৰোক্ষ আলোচনা পুনৰ অব্যাহত আছে। বিগত মাৰ্চ মাহত ইজৰাইলে যুদ্ধবিৰতি ভংগ কৰাৰ পিছত গাজাত সামৰিক অভিযান অব্যাহত ৰখা হৈছে আৰু ভূখণ্ডটোৰ ভয়াৱহ মানৱীয় সংকটক আৰু আগুৱাই নিয়া হৈছে। গাজাত প্ৰায় ৫০জন পণবন্দী আছে আৰু তাৰে আধাতকৈও কম লোক এতিয়াও জীয়াই আছে বুলি ধাৰণা কৰা হৈছে। ২০২৩ চনৰ ৭ অ''বৰত হামাছে ইজৰাইলক আক্ৰমণ কৰি যুদ্ধৰ সূচনা কৰাৰ সময়ত পণবন্দী কৰা ২৫১জন লোকৰ ভিতৰত এই সকলো আছিল। “গাজাত আৰু কি কৰিবলৈ বাকী আছে, যিটো ইতিমধ্যে কৰা হোৱা নাই? কাক নিঃশেষ কৰিবলৈ বাকী আছে? '' পণবন্দী নিমৰোড কোহেনৰ ভাতৃ যোতাম কোহেনে এনেদৰে কয়। শেহতীয়াকৈ যুদ্ধবিৰতি শেষ হোৱাৰ পিছত ৬ হাজাৰৰো অধিক লোকৰ মৃত্যু হৈছে বুলি জানিব পৰা গৈছে। স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, যুদ্ধত ৫৬ হাজাৰৰো অধিক পেলেষ্টাইনী লোকৰ মৃত্যু হৈছে। মৃত্যু হোৱা লোকৰ আধাতকৈ বেছি মহিলা আৰু শিশু। ইজৰাইলে কেৱল সন্ত্ৰাসবাদীক লক্ষ্য কৰি লোৱাৰ দাবী কৰে আৰু সাধাৰণ নাগৰিকৰ মৃত্যুৰ বাবে হামাছক দোষাৰোপ কৰে। সন্ত্ৰাসবাদীয়ে জনবসতিপূৰ্ণ অঞ্চলত কাম কৰাৰ বাবে সাধাৰণ নাগৰিকৰ মাজত লুকাই থকাৰ অভিযোগ উত্থাপন কৰে ইজৰাইলে। ইজৰাইল-ইৰাণৰ মাজত শেহতীয়াকৈ হোৱা যুদ্ধবিৰতি নিশ্চিত কৰাৰ ক্ষেত্ৰত ট্ৰাম্পৰ হস্তক্ষেপে গাজা চুক্তিৰ ক্ষেত্ৰতো অধিক চাপ প্ৰয়োগ কৰিব পাৰে বুলি পণবন্দী পৰিয়ালে আশা কৰিছে। গাজাৰ যুদ্ধৰ অন্ত পৰাৰ বিনিময়ত সকলো পণবন্দীক মুক্ত কৰিবলৈ সাজু বুলি বাৰে বাৰে কৈছে হামাছে। নেতানিয়াহুৱে কয় যে হামাছক নিৰস্ত্ৰ কৰি নিৰ্বাসিত কৰাৰ পিছতহে তেওঁ যুদ্ধৰ অন্ত পেলাব। ভোকাতুৰ পেলেষ্টাইনী সকলে গাজাত এক বিপৰ্যয়জনক পৰিস্থিতি সহ্য কৰি আছে। প্ৰায় আঢ়ৈ মাহৰ বাবে সকলো খাদ্যৰ যোগান বন্ধ কৰাৰ পিছত ইজৰাইলে মে' মাহৰ মাজভাগৰ পৰা এই ভূখণ্ডত খাদ্য যোগানৰ অনুমতি দিছে। গাজাৰ স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, প্ৰায় এমাহ পূৰ্বে নৱগঠিত গাজা মানৱীয় ফাউণ্ডেশ্যনে এই ভূখণ্ডত সাহায্য বিতৰণ আৰম্ভ কৰাৰ পিছৰে পৰা খাদ্য বিচাৰি ৫০০ ৰো অধিক পেলেষ্টাইনী লোক নিহত হোৱাৰ লগতে শ শ আহত হৈছে। পেলেষ্টাইনী প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, ইজৰাইলী সৈন্যই সেই স্থানসমূহৰ দিশে যোৱা পথত ভিৰ কৰা লোকৰ ওপৰত গুলীচালনা কৰিছে। হাজাৰ হাজাৰ পেলেষ্টাইনী লোকে ঘণ্টাৰ পিছত ঘণ্টা খোজকাঢ়ি এই স্থানসমূহত উপনীত হয়, ইজৰাইলৰ সামৰিক অঞ্চলৰ মাজেৰে গতি কৰে। শনিবাৰে উত্তৰ আৰু দক্ষিণ গাজাক পৃথক কৰা পথ নেটজাৰিম কৰিডৰৰ ওচৰত সাহায্য লাভৰ বাবে অপেক্ষা কৰি থকা অৱস্থাত ইজৰাইলী সেনাৰ বন্দুকৰ গুলীত নিহত হৈছিল দুজন লোক। আল-শ্বিফা আৰু আল-আউদা চিকিৎসালয়ৰ প্ৰতিখনতে ৰখা হৈছে এটাকৈ মৃতদেহ। এই সন্দৰ্ভত ইজৰাইলৰ সামৰিক বাহিনীয়ে কোনো মন্তব্য প্ৰকাশ কৰা নাই।



# আমেৰিকাৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিল ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন

**অসম বাৰ্তা, ইণ্টাৰনেশ্যনেল ডেস্ক, ২৯ জুন ঃ** কাৰ কেতিয়া মন সলনি হয় ধৰিবই নোৱাৰি। দুদিনৰ আগলৈকে আমেৰিকাক খোজে প্ৰতি হুংকাৰ দি অহা পুটিনৰ সুৰ হঠাতে সলনি হ'ল। শেহতীয়াকৈ আমেৰিকাৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিল ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন।



তেওঁৰ চিন্তাধাৰাক ভূয়সী যে, ডনাল্ড ট্ৰাম্প অতিকৈ দুবাৰকৈ মৃত্যুৰ দুৱাৰদলিৰ বাহাদুৰিক মই সদায়ে প্ৰশংসাত ইমানতে ক্ষান্ত লগতে কলে যে, তেওঁ সচাঁ ইউক্ৰেইনৰ যুদ্ধৰ অৱসান কোনো স্বাৰ্থ নাই বুলি মই আৰু ইউক্ৰেইনক লৈ স্থিতিক পূৰ্ণ সমৰ্থন কৰাৰ ট্ৰাম্পৰ কাম-কাজ আৰু প্ৰশংসা কৰি পুটিনে কয় এগৰাকী সাহসী ব্যক্তি। পৰা উভতি অহা ট্ৰাম্পাৰ সন্মান কৰো। ট্ৰাম্পৰ নাথাকিল পুটিন। তেওঁ হৃদয়ৰে ৰাছিয়া আৰু বিচাৰিছে। ইয়াত পিছত বিশ্বাস কৰো। মধ্য প্ৰাচ্য আমেৰিকাই গ্ৰহণ কৰা কথাও ঘোষণা কৰে পুটিনে।আমেৰিকা আৰু ৰাছিয়াৰ উন্নত ভৱিষ্যতৰ বাবে দুয়োখন দেশে একেলগে কাম কৰাৰ পৰিকল্পনাৰ কথাও সদৰি কৰে পুটিনে। পুটিনৰ এই সুৰ দেখি এতিয়া সকলো আচৰিত। হঠাতে কিয় পুটিন আমেৰিকাৰ প্ৰতি ইমান নৰম হ'ল, তাৰ কাৰণ বিচাৰি পোৱা নাই কোনোৱে।

# ইউক্ৰেইনত পুনৰ বৃহৎ আক্ৰমণ ৰাছিয়াৰ



## দেশখনৰ ওপৰত ‘বৃহত্তম আকাশী আক্ৰমণ’

**অসম বাৰ্তা, ইণ্টাৰনেশ্যনেল ডেস্ক, ২৯ জুন ঃ** আজি পুৱা ৰাছিয়াই ইউক্ৰেইনত সৰ্ববৃহৎ বিমান আক্ৰমণ সংঘটিত কৰিছে। বহুতো ড্ৰোন আৰু মিছাইলৰ সহায়ত ৰাছিয়াই ইউক্ৰেইনক লক্ষ্য কৰি লয়। এই আক্ৰমণত ৰাছিয়াই দেশখনৰ বহু অঞ্চলক লক্ষ্য কৰি ল'বলৈ চেষ্টা কৰিছিল। ইউক্ৰেইনেও এই আক্ৰমণৰ কথা নিশ্চিত কৰিছে। ৰাছিয়াৰ এই আক্ৰমণৰ লগে লগে তিনি বছৰ ধৰি চলি থকা যুদ্ধৰ অন্ত পেলোৱাৰ আশাও ছিন্নভিন্ন হৈ পৰিছে। কোৱা হৈছে যে ইউক্ৰেইনেও ৰাছিয়ালৈ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছে। ইউক্ৰেইনৰ বায়ুসেনাই প্ৰকাশ কৰিছে যে ৰাছিয়াই মুঠ ৫৩৭টা আকাশী অস্ত্ৰ নিক্ষেপ কৰিছিল। ইয়াৰ ভিতৰত আছিল ৪৭৭টা ড্ৰোন আৰু ৬০টা ক্ষেপণাস্ত্ৰ। ইয়াৰে ২৪৯টা ধ্বংস কৰা বুলি ইউক্ৰেইনে দাবী কৰিছে। একে সময়তে ২২৬টা ক্ষেপণাস্ত্ৰই নিজৰ লক্ষ্যভ্ৰষ্ট হয়। ইউক্ৰেইনৰ বায়ুসেনাই জনাইছে যে ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত ৰাছিয়াই ড্ৰোন আৰু কেইবাবিধো ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰি আক্ৰমণ কৰাৰ পিছত এই আক্ৰমণ দেশখনৰ ওপৰত হোৱা ‘বৃহত্তম আকাশী আক্ৰমণ’। তেওঁ কয় যে এই আক্ৰমণত ৰাছিয়াই ফ্ৰন্ট লাইনৰ পৰা বহু দূৰত থকা পশ্চিম ইউক্ৰেইনকে ধৰি কেইবাটাও অঞ্চলক লক্ষ্য কৰি লৈছিল। বায়ুসেনাই কয় যে পোলেণ্ড আৰু মিত্ৰ দেশসমূহে পোলেণ্ডৰ আকাশমাৰ্গৰ সুৰক্ষা নিশ্চিত কৰিবলৈ জেট বিমান প্ৰেৰণ কৰিছে। পশ্চিম লভিভ অঞ্চলত ড্ৰ'হ'বিচ চহৰৰ এটা ঔদ্যোগিক প্ৰতিষ্ঠানত ড্ৰোন আক্ৰমণৰ ফলত বিশাল অগ্নিকাণ্ড সংঘটিত হোৱাৰ ফলত চহৰখনৰ কিছু অংশ বিদ্যুৎ বিচ্ছিন্ন হৈ পৰে।

# '২৭ চনৰ লোকপিয়ল; প্ৰশাসনিক এককসমূহৰ সীমা নিৰ্ধাৰণৰ অন্তিমটো দিন ৩১ ডিচেম্বৰ

**অসম বাৰ্তা, ইণ্টাৰনেশ্যনেল ডেস্ক, ২৯ জুন ঃ** ২০২৭ চনৰ লোকপিয়ল সন্দৰ্ভত এক উল্লেখযোগ্য পৰিঘটনাত ভাৰত চৰকাৰে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক ৩১ ডিচেম্বৰৰ পূৰ্বে প্ৰশাসনিক এককসমূহৰ সীমাত যিকোনো প্ৰস্তাৱিত পৰিৱৰ্তন কৰিবলৈ অনুৰোধ জনাইছে। কিয়নো সেইদিনা লোকপিয়ল প্ৰক্ৰিয়াৰ বাবে সেইবোৰক চূড়ান্ত বুলি গণ্য কৰা হ'ব। প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ লিখা এখন পত্ৰত ভাৰতৰ মহাপঞ্জীয়ক তথা লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়ণে কয় যে সকলো গাঁও আৰু নগৰক একেধৰণৰ গণনা ব্লকত ভাগ কৰা হৈছে আৰু জনসংখ্যাৰ গণনাৰ সময়ত কোনো ধৰণৰ ভুল বা আঁসোৱাহৰ পৰা হাত সাৰিবলৈ প্ৰতিটো ব্লকৰ বাবে এজন গণনাকাৰী নিযুক্তি দিয়া হৈছে। নিয়ম অনুসৰি জিলা, মহকুমা, তহচিল, তালুক, থানা আদি প্ৰশাসনিক এককসমূহৰ সীমা নিৰ্ধাৰণ হোৱাৰ তিনিমাহৰ পিছতহে লোকপিয়ল কৰিব পাৰিব। নাৰায়ণে জনোৱা মতে, ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা ঘৰ তালিকাভুক্তকৰণৰ কাম, তত্ত্বাৱধায়ক আৰু গণনাকাৰী নিযুক্তি আৰু তেওঁলোকৰ মাজত কামৰ বিভাজন সম্পূৰ্ণ হ'ব আৰু ২০২৭ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব জনসংখ্যাৰ লোকপিয়ল। গণনা ব্লক চূড়ান্ত হোৱাৰ পিছত প্ৰশাসনিক এককৰ সীমা সলনি কৰিব নোৱৰাটো গুৰুত্বপূৰ্ণ বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। মুখ্য সচিবসকলক উদ্দেশ্যি লিখা পত্ৰখনত নাৰায়ণে ৩১ ডিচেম্বৰৰ পূৰ্বে পৌৰ নিগম, ৰাজহ গাঁও, তহচিল, মহকুমা বা জিলাৰ সীমাত যিকোনো প্ৰস্তাৱিত পৰিৱৰ্তন কৰিবলৈ সকলো বিভাগকে নিৰ্দেশ দিবলৈ কয়। তেওঁ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত প্ৰশাসনিক এককৰ সীমাৰ কোনো পৰিৱৰ্তন নহ'ব বুলি নিশ্চিত কৰিবলৈ কয়, যি সময়ছোৱাত লোকপিয়ল কৰা হ'ব। বৰ্তমানৰ সীমাৰ যিকোনো পৰিৱৰ্তন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লোকপিয়ল সঞ্চালকালয় আৰু ভাৰতৰ মহাপঞ্জীয়কক ২০২৫ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত অৱগত কৰিব লাগিব। পত্ৰখনত কোৱা হৈছে যে ২০২৭ চনৰ লোকপিয়লৰ বাবে ২০২৫ চনৰ ৩১ ডিচেম্বৰত প্ৰশাসনিক এককসমূহৰ সীমা নিৰ্ধাৰণ কৰা হ'ব। গণনাকাৰীৰ বাবে এটা উপযুক্ত কাম নিশ্চিত কৰিবলৈ, লোকপিয়লৰ বাবে এটা প্ৰশাসনিক এককক “ব্লক” নামৰ পৰিচালনাযোগ্য খণ্ডত বিভক্ত কৰা হয়।ব্লক হ'ল লোকপিয়লৰ উদ্দেশ্যে কাল্পনিক মানচিত্ৰত কোনো গাঁও বা চহৰৰ ভিতৰত স্পষ্টভাৱে নিৰ্ধাৰিত অঞ্চল। এইবোৰক ঘৰ তালিকাভুক্তকৰণৰ সময়ত ঘৰ তালিকাভুক্তকৰণ ব্লক আৰু জনসংখ্যাৰ লোকপিয়লৰ সময়ত এনিউমেৰেচন ব্লক বুলি কোৱা হয় আৰু এইবোৰে লোকপিয়লৰ বাবে আটাইতকৈ সৰু প্ৰশাসনিক একক হিচাপে কাম কৰে। ভাৰতৰ ১৬ সংখ্যক লোকপিয়ল জাতি গণনাৰ সৈতে ২০২৭ চনত সম্পন্ন হ'ব, য'ত ৰেফাৰেন্স ডেট হ'ব ১ অ''বৰ ২০২৬। লাডাখৰ দৰে বৰফে আবৃত অঞ্চলত আৰু দেশৰ বাকী অংশত এই সীমা হ'ব ২০২৭ চনৰ ১ মাৰ্চ। দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব এই লোকপিয়ল। প্ৰথম পৰ্যায় অৰ্থাৎ ঘৰ তালিকাভুক্তকৰণত প্ৰতিটো পৰিয়ালৰ গৃহৰ অৱস্থা, সম্পত্তি আৰু সুবিধাসমূহৰ তথ্য সংগ্ৰহ কৰা হ'ব। ইয়াৰ পিছত দ্বিতীয় পৰ্যায়ত অৰ্থাৎ জনসংখ্যা গণনাত প্ৰতিটো পৰিয়ালৰ প্ৰতিজন ব্যক্তিৰ জনগাঁথনি, আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু অন্যান্য তথ্য সংগ্ৰহ কৰা হ'ব। লোকপিয়লত জাতি গণনাও কৰা হ'ব বুলি চৰকাৰী বিবৃতিত কোৱা হৈছিল। লোকপিয়লৰ কাৰ্যকলাপৰ বাবে প্ৰায় ৩৪ লাখ গণনাকাৰী আৰু তত্ত্বাৱধায়ক আৰু প্ৰায় ১.৩ লাখ লোকপিয়ল কৰ্মী নিয়োগ কৰা হ'ব। এতিয়ালৈকে ই ১৬ সংখ্যক লোকপিয়ল আৰু স্বাধীনতাৰ পিছত এই গণনা অষ্টমবাৰৰ বাবে কৰা হ'ব। ইয়াৰ পিছৰ লোকপিয়ল ম'বাইল এপ্‌-কেচন ব্যৱহাৰ কৰি ডিজিটেল মাধ্যমৰ জৰিয়তে কৰা হ'ব। স্ব-গণনাৰ ব্যৱস্থাও জনসাধাৰণৰ বাবে উপলব্ধ কৰা হ'ব। বিবৃতিটোত কোৱা হৈছিল যে তথ্য সংগ্ৰহ, প্ৰেৰণ আৰু সংৰক্ষণৰ সময়ত তথ্য সুৰক্ষা নিশ্চিত কৰিবলৈ অতি কঠোৰ তথ্য সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হ'ব ।জনসংখ্যা লোকপিয়ল ২০২৭ ৰ বাবে ৰেফাৰেন্স তাৰিখ হ'ব ২০২৭ চনৰ মাৰ্চ মাহৰ এক তাৰিখৰ নিশা ১২: ০০ বজা। কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখ, জম্মু-কাশ্মীৰৰ কেন্দ্ৰীয় শাসিত অঞ্চল, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বৰফাবৃত অঞ্চলসমূহৰ বাবে ৰেফাৰেন্স তাৰিখ হ'ব ২০২৬ চনৰ অ''বৰ মাহৰ এক তাৰিখৰ নিশা ১২: ০০ বজা। এক জাননীত এই কথা উল্লেখ কৰা হৈছিল। সুদীৰ্ঘ ১৬ বছৰৰ পিছত এই লোকপিয়ল কৰা হ'ব। অন্তিমবাৰৰ বাবে ২০১১ চনত লোকপিয়ল কৰা হৈছিল।



## সম্পাদকীয়

# অসমৰ সাংবাদিকতা আৰু মৰ্যাদা

সাংবাদিকতা হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। ই সমাজৰ দাপোণস্বৰূপে সত্য-অসত্য, ন্যায়-অন্যায়, উন্নতি-অৱনতিৰ প্ৰতিফলন ঘটায়। কিন্তু বৰ্তমান সময়ত অসমৰ সাংবাদিকতাৰ মৰ্যাদা আৰু ভূমিকা সম্পৰ্কে গভীৰভাৱে চিন্তা কৰাৰ প্ৰয়োজনীয়তাৰ অনুভৱ কৰো।

আজিৰ অসমত সাংবাদিকতাক দুটা ভাগত বিভক্ত কৰিব পাৰি - ১. সত্যৰ সৈতে অবিচলিত থকা সাংবাদিক ২. বাণিজ্যিক স্বাৰ্থপৰতাৰে পৰিচালিত একাংশ মাধ্যম। দুৰ্ভাগ্যজনকভাৱে, বৰ্তমান কিছুমান সংবাদ মাধ্যমে প্ৰথমে খবৰ প্ৰচাৰ কৰাৰ যুঁজত সত্যতা পৰীক্ষা নকৰাকৈয়ে সংবাদ প্ৰচাৰ কৰে। ইয়াৰ ফলত ভুৱা বাতৰিয়ে সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰে। আনহাতে, ৰাজনৈতিক চাপ, অৰ্থনৈতিক স্বাৰ্থ আৰু শক্তিশালী গোটৰ প্ৰভাৱত সংবাদ মাধ্যমবোৰৰ স্বাধীনতা বিপন্ন হৈছে। বিগত কেইবছৰমানৰ ভিতৰত অসমত সাংবাদিকসকলৰ ওপৰত আক্ৰমণ, ভীতি-প্ৰদৰ্শন আদি ঘটনা সঘনাই সংঘটিত হৈছে। ২০২৩ চনত অসমৰ কেইবাজনো সাংবাদিকক ভাবুকি দিয়া, ফোন টেপিং কৰা আৰু শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ ঘটনা ৰেকৰ্ডভুক্ত হৈছে। এনে পৰিস্থিতিত সাংবাদিকসকলৰ সুৰক্ষা নিশ্চিত কৰাটো এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান।

সাংবাদিকতাৰ মূল ভেটি হৈছে- সততা, নিৰপেক্ষতা আৰু ন্যায়নিষ্ঠা। বৰ্তমান কিছু সংবাদ মাধ্যমে TRP, ক্লিক বা ৰেটিঙৰ বাবে সংবাদত অতিমাত্ৰা ৰহণ সানে। ইয়াৰ ফলত জনসাধাৰণৰ সংবাদ মাধ্যমৰ ওপৰত বিশ্বাস কমি গৈছে। গতিকে প্ৰতিজন সাংবাদিকে সততাৰে, ৰাজনৈতিক চাপৰ বশ নহৈ, সমাজৰ কল্যাণৰ বাবে সাংবাদিকতাৰ সঠিক পথ অনুসৰণ কৰা উচিত।

ৰাজ্য চৰকাৰে সাংবাদিকসকলৰ সুৰক্ষাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সাংবাদিকসকলৰ ওপৰত হোৱা আক্ৰমণৰ বাবে দ্ৰুত পদক্ষেপ হাতত ল'ব লাগে। সংবাদ মাধ্যমৰ স্বাধীনতা ৰক্ষা কৰিবলৈ আইনী প্ৰক্ৰিয়াও শক্তিশালী কৰাটো অতি প্ৰয়োজনীয়। সাংবাদিকতা এক মহান পেছা। ইয়াক বাণিজ্যিক চাপৰ পৰা মুক্ত ৰাখিব লাগে। অসমৰ সাংবাদিকসকলে যেন পূৰ্বসূৰীসকলৰ দৰে সাহস আৰু নিষ্ঠাৰে সত্যৰ পথত অগ্ৰসৰ হ'ব পাৰে, সেইদৰে সমাজে সাংবাদিকক সন্মান প্ৰদৰ্শন কৰাটোও সমান গুৰুত্বপূৰ্ণ।

# নিৰৱতাৰে আগবাঢ়ি যাওক

সময় — সদায় বৈ থকা এটা সোঁত। ইয়াৰ সৈতে পৰিবৰ্তিত হয় মানুহ, মনোভাৱ আৰু জীৱনৰ প্ৰাধান্যবোৰ। এটা সময় আছিল যেতিয়া সহানুভূতি, সহায় আৰু আন্তৰিকতাই সমাজৰ আধাৰ আছিল। কিন্তু সময়ৰ পৃষ্ঠাবোৰ উলটাই গ'লে দেখা যায় — আজি এই সকলোবোৰ লক্ষণীয়ভাৱে হ্ৰাস পাইছে।

আজিৰ এই দ্ৰুতগামী জীৱনত, মানুহে আপোনাৰ অন্তৰৰ অৱস্থা জানিব নুখোজে। আপোনাৰ হাঁহিৰ আৱৰ্তনটো দেখিবলৈ তেওঁলোক ইচ্ছুক, কিন্তু সেই হাঁহিৰ অন্তৰত থকা নিঃশব্দ কষ্টটো বুজিব খোজে কমেই। এনে পৰিৱেশত, যদি আপুনি নিজৰ ওপৰত মনোনিবেশ কৰি, ব্যাখ্যা নিদিয়াকৈ নিজেই নিজৰ পথ সাজি আগবাঢ়ি যায় — তেন্তে বহুতে ভুল বুজিব পাৰে। ক'ব পাৰে — "এতিয়া বৰ অহংকাৰ হ'ল ", বা "মানুহটো সলনি হৈ গ'ল।"

কিন্তু সঁচা কথা এইটো — এই "সলনি"ৰ আঁৰত থাকে এক গোপন সংগ্ৰাম, এক গহীন বেদনা। নিজৰ ভিতৰত চলি থকা মনৰ যুদ্ধ, আত্ম-সন্মান বচাবলৈ কৰা চেষ্টা, জীৱনত নিজৰ ঠাই উলিয়াবলৈ অহৰহ আত্মসংঘাত — সেইবোৰ দেখা পায় নে? দেখা নাপায়। মানুহে মাত্ৰ ফলাফল চাই, সংগ্ৰামখন চাব নোখোজে।

মানসিক স্বাস্থ্য — আজিও বহু ক্ষেত্ৰত লঘুভাৱে লোৱা হয়। মানুহে আপোনাৰ অৱস্থা জানিলে অস্বস্তি অনুভৱ কৰে। সেইবাবে— নিৰৱতাৰে নিজৰ কামত মন দি, নিজেই নিজক গঢ়িবলৈ ব্যস্ত থাকে।

সঁচাকৈয়ে, এই নিৰৱতা অহংকাৰ নহয় — ই আত্ম-সন্মান। ই আত্ম-সংযম। ই এক প্ৰয়াস — নিজৰ মনক শান্ত ৰাখি, সমাজৰ যান্ত্ৰিক ধাৰাৰ মাজতো নিজকে হেৰুৱাই নিদিয়াকৈ আগবাঢ়ি যোৱাৰ। তাৰ বাবে যদি আপুনি কেতিয়াবা দেখে — এজন মানুহে সৰ্বসাধাৰণ কথাও নক'ই আগবাঢ়ি গৈ আছে, তেন্তে ভুল বুজিব নালাগে। হয়তো তেওঁ নিজৰ জীৱনখন বচাবলৈ নিঃশব্দভাৱে সংগ্ৰাম কৰি আছে।

সকলো কথাৰ ব্যাখ্যা দিয়াৰ প্ৰয়োজন নাই। সময়ৰ সৈতে, যি বুজিব লাগে, সেয়া বুজি ল'ব। আপুনি কেৱল নিজৰ মানসিক শান্তি, আত্ম-মূল্যবোধ আৰু জীৱনৰ গতিৰ বাবে কাম কৰি যাওক। কাৰণ দিনটোৰ শেষত আপোনাৰ অনুভূতি আৰু আপোনাৰ শান্তিটো — কেৱল আপোনাৰ।

নিৰৱতাই কেতিয়াবা শক্তিৰ সৰ্বশ্ৰেষ্ঠ ৰূপ — নিজকে ভাল পাবলৈ, আগবাঢ়ি যাবলৈ।

**ডাঃ মৃণাল দাস**
পাঠশালা

# উৎসৱ ঃ জীৱন জোখাৰ মন্ত্ৰ

উৎসৱ বুলিলে সাধাৰণতে সামাজিক, ধৰ্মীয় আৰু ঐতিহ্যগত প্ৰেক্ষাপটত পালিত আনন্দ অনুষ্ঠানক বুজায়। যি অনুষ্ঠানে জাতি এটাৰ মাজত পৰম্পৰাগত ভাৱে চলি অহা আচাৰ -অনুষ্ঠানক প্ৰতিনিধিত্ব কৰে। উৎসৱ সমূহ পালন কৰিব লাগে বাবেই পালন কৰা হয় বা ই এক পূৰ্বৰে পৰা চলি অহা পৰম্পৰা বাবেই গতানুগতিক ভাৱে পালন কৰা হয় বুলি সাধাৰণতে ভবা হয় বা কোৱা হয়। কিন্তু আমি পালন কৰা উৎসৱ সমূহ যে জীৱন জোখাৰ যন্ত্ৰ সেই কথা হয়তো বহুতে নাজানো। প্ৰকৃততে প্ৰত্যেকটো উৎসৱ পালনৰ কিছুমান গুহাৰ্থ আছে। যিকোনো উৎসৱৰ অছিলাতে মানুহে জীৱনৰ অৰ্থানুসন্ধানৰ প্ৰয়াস কৰে। উৎসৱ সমূহক মানুহৰ জীৱনৰ পৰম সম্পদ বুলিও কোৱা হয়। কিয়নো উৎসৱ সমূহৰ জৰিয়তে বা এই সমূহৰ মাধ্যমেদিয়ে মানুহে জীৱনৰ সাফল্য, জীৱনৰ গভীৰতা, জীৱনৰ আনন্দ আদি উপলব্ধি আৰু উপভোগৰ চেষ্টা কৰে। আত্মীয় -কুটুম্ব, বন্ধুবৰ্গৰ সংগ বিচাৰি মন উদ্বাউল হয়। এনে এটি উৎসৱতে মানুহে নিজক বিচাৰি পোৱাৰ, বিচাৰি পোৱাৰ প্ৰয়াস কৰে। নিজক আৱিষ্কাৰ কৰে। জীৱন যুঁজৰ অৰ্থ উপলব্ধি কৰোৱা এই উৎসৱে মানুহৰ মনত আশাৰ সঞ্চাৰ কৰে। আশা আৰু সপোন আছে বাবেই মানুহ জীয়াই আছে, মানুহ জীয়াই থাকে। অন্যান্য কিছুমান সম্পদৰ দৰে উৎসৱ সমূহকো সম্পদ বুলি অভিহিত কৰিব পাৰি। যি সম্পদৰ সন্ধানত মানুহে জীৱন পাত কৰে, দিন-ৰাতি একাকাৰ কৰে অথচ জীৱন যুঁজৰ চাকনৈয়াত পৰি সেয়া পাহৰি থাকে আকৌ লাভ কৰে আৰু হেৰুৱা বন্ধু ঘূৰাই পোৱাৰ দৰে দুদিনমান মচগুল হৈ উঠি পুনৰ নিজ নিজ কামত অগ্ৰসৰ হয়। ব্যস্ততাই ভাগৰাই পেলোৱা মন-মগজু আৰু শৰীৰক সজীৱতা প্ৰদান কৰে এই ঋতুকালীন উৎসৱ সমূহে। সেয়ে কোৱা হয় জীৱন জোখাৰ মন্ত্ৰ উৎসৱ সমূহৰ মাজতে নিহিত হৈ আছে। যি আমাৰ মনবোৰ জীপাল আৰু সজীৱ কৰি ৰাখে। উৎসৱ পালনৰ ৰীতি যদিহে নাথাকিলে হেঁতেন মানুহৰ জীৱনবোৰ হয়তো যান্ত্ৰিক হৈ পৰিল হেঁতেন আৰু জীৱন জোখাৰ মন্ত্ৰৰ বিষয়েও হয়তো অজ্ঞ হৈ ৰ'ল হেঁতেন। উৎসৱে মানুহক এক কৰে। দৈনন্দিন ব্যস্ততা পাহৰাই পুনৰ কৰ্মত নিমগ্ন হ'বলৈ প্ৰেৰণা যোগায়। সেইবাবেই হয়তো প্ৰতিটো উৎসৱৰ আগমনত সকলোৰে মনবোৰ উৎফুল্ল হৈ উঠে।

**নিবেদিতা হাজৰিকা**
লখিমপুৰ
ম'বাইল: ৯৩৬৫০১৮৭৫০

*আশ্ৰমৰ একাউণ্টত বছৰি কোটি কোটি টকাৰ বৰঙণি সংগৃহীত হয়। সেই বৃহৎ ধনৰাশিৰ আয়কৰ দিবলগীয়া হয় নে নহয় সেয়া আমাৰ জ্ঞাত নহয়। এই পুঁজি উদাসীন ( ? ) বাবাসকলৰ সাম্ৰাজ্য বৃদ্ধি আৰু ব্যৱসায়ৰ সম্প্ৰসাৰণত বিনিয়োগ কৰা হয়। বিয়াগোম মন্ত্ৰী, সাংসদ, আমোলা, বিষয়ায়ো এই বাবাসকলৰ শ্ৰীচৰণত পৰি আশীৰ্বাদ লয়। নিৰ্বাচনৰ সময়ত এই বাবাসকল ৰাজনৈতিক দলৰ ভোটবেংকৰ হাথিয়াৰ হিচাপে কামত আহে। ধৰ্মগুৰুসকলৰ 'আশিস' পালেই হাজাৰ হাজাৰ ভোট বাঢ়ি যায় নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ। বিখ্যাত বিখ্যাত উদ্যোগপতি, বলীউডৰ চিত্ৰতাৰকা, দেশৰ ক্ৰিকেটাৰ, চৰকাৰৰ মুৰব্বী সকলোৱে বাবাসকলক সেৱা কৰে আৰু লাখ লাখ টকাৰ বৰঙণি আগবঢ়াই সন্তুষ্ট কৰে। মধ্যপ্ৰদেশৰ চৰকাৰে পাঁচজনমান সন্তগুৰুক ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীৰ মৰ্যাদা পৰ্যন্ত প্ৰদান কৰিছে। এবাৰ ভয়ু মহাৰাজ নামৰ ভাৰতৰ এজন আধ্যাত্মিক গুৰুৱে আত্মহত্যা কৰিছিল। আধ্যাত্মিক গুৰু হোৱাৰ পূৰ্বে ডেকাকালত সেইজনে মডেলিং কৰাৰ খবৰো সংবাদ মাধ্যমত আহিছিল। মানসিকভাৱে শক্তিশালী এজন আধ্যাত্মিক গুৰুৱে কি কাৰণত আত্মহত্যাৰ পথ বাছিল লৈ সেয়া বিচাৰ্যৰ বিষয়। তেওঁৰ আদৰ্শ গ্ৰহণ কৰাসকললৈ তেওঁ কি আৰ্হি এৰি থৈ গ'ল? ধৰ্মগুৰুৰ মুখা পিন্ধা বহুজনেই আশ্ৰমৰ সেৱিকাক ধৰ্ষণ কৰা আৰু অন্যান্য অপৰাধত জে'লত কাৰাবাস খাটিবলগীয়াও হৈছে। আশাৰাম বাপু, ৰাধে মা, গুৰমিত ৰাম ৰহিম সিং, সন্ত ৰামপাল, নাৰায়ণ সাই আদি এনে অপৰাধী ধৰ্মগুৰুৰ উদাহৰণ।*

# ভাৰতৰ তথাকথিত ধৰ্মগুৰুৰ ভণ্ডামি

**সঞ্জয় ৰবিদাস**

ভাৰতত আধ্যাত্মিক গুৰুৰ সংখ্যা বহুত। তেওঁলোকৰ গৰিষ্ঠসংখ্যকেই নিজকে 'স্বয়ং ঈশ্বৰ' অথবা 'ভগৱানৰ প্ৰতিনিধি' হিচাপে প্ৰতিপন্ন কৰিবলৈ বিচাৰে আৰু সফলো হয়। সমগ্ৰ ভাৰত আৰু বিশ্বৰ চুকে-কোণেও তেওঁলোকৰ লাখ লাখ শিষ্য আৰু অনুগামী আছে। প্ৰায় ধৰ্মগুৰুৰে নিজাববীয়া নিউজ চেনেল আছে আৰু তাত তেওঁলোকে অনুগামীসকলক সম্বোধি ধৰ্মীয় বাণী প্ৰচাৰ কৰাৰ লগতে মানুহৰ জাগতিক সমস্যাৰাজি, অসুখ-বিসুখ ইত্যাদিবো সমাধান আগবঢ়ায়। তেওঁলোকক অন্ধভাৱে অনুকৰণ কৰে অনুগামী শিষ্যসকলে। পৃথিৱীৰ সকলো মায়া-মোহৰ পৰা আঁতৰি সন্ন্যাসীৰ ভাও জোৰা এই ধৰ্মগুৰুসকল কোটিপতি। তেওঁলোকৰ অজস্ৰ ধন-সোণ, স্থাৱৰ-অস্থাৱৰ সম্পত্তি আছে। এওঁলোকৰ মাজৰ বহুজনেই তথাকথিত আধুনিক ভণ্ড বাবা। এওঁলোকৰ ভিতৰত তলা বাবা, শিকলি বাবা আদিও থাকে। সকলোৱে আছে বিলাসী গাড়ী, য 'লৈকে যায় লগত যায় চাৰি-পাঁচজন দেহৰক্ষী। এওঁলোকৰ প্ৰত্যেকৰে আছে প্ৰাসাদোপম আশ্ৰম। আশ্ৰম নহয় যেন অট্টালিকাহে। তাত চিপাহী-চন্তৰী, দাস-দাসী বহুত। আশ্ৰমৰ একাউণ্টত বছৰি কোটি কোটি টকাৰ বৰঙণি সংগৃহীত হয়। সেই বৃহৎ ধনৰাশিৰ আয়কৰ দিবলগীয়া হয় নে নহয় সেয়া আমাৰ জ্ঞাত নহয়। এই পুঁজি উদাসীন ( ? ) বাবাসকলৰ সাম্ৰাজ্য বৃদ্ধি আৰু ব্যৱসায়ৰ সম্প্ৰসাৰণত বিনিয়োগ কৰা হয়। বিয়াগোম মন্ত্ৰী, সাংসদ, আমোলা, বিষয়ায়ো এই বাবাসকলৰ শ্ৰীচৰণত পৰি আশীৰ্বাদ লয়। নিৰ্বাচনৰ সময়ত এই বাবাসকল ৰাজনৈতিক দলৰ ভোটবেংকৰ হাথিয়াৰ হিচাপে কামত আহে। ধৰ্মগুৰুসকলৰ 'আশিস' পালেই হাজাৰ হাজাৰ ভোট বাঢ়ি যায় নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ। বিখ্যাত বিখ্যাত উদ্যোগপতি, বলীউডৰ চিত্ৰতাৰকা, দেশৰ ক্ৰিকেটাৰ, চৰকাৰৰ মুৰব্বী সকলোৱে বাবাসকলক সেৱা কৰে আৰু লাখ লাখ টকাৰ বৰঙণি আগবঢ়াই সন্তুষ্ট কৰে। মধ্যপ্ৰদেশৰ চৰকাৰে পাঁচজনমান সন্তগুৰুক ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীৰ মৰ্যাদা পৰ্যন্ত প্ৰদান কৰিছে। এবাৰ ভয়ু মহাৰাজ নামৰ ভাৰতৰ এজন আধ্যাত্মিক গুৰুৱে আত্মহত্যা কৰিছিল। আধ্যাত্মিক গুৰু হোৱাৰ পূৰ্বে ডেকাকালত সেইজনে মডেলিং কৰাৰ খবৰো সংবাদ মাধ্যমত আহিছিল। মানসিকভাৱে শক্তিশালী এজন আধ্যাত্মিক গুৰুৱে কি কাৰণত আত্মহত্যাৰ পথ বাছিল লৈ সেয়া বিচাৰ্যৰ বিষয়। তেওঁৰ আদৰ্শ গ্ৰহণ কৰাসকললৈ তেওঁ কি আৰ্হি এৰি থৈ গ'ল? ধৰ্মগুৰুৰ মুখা পিন্ধা বহুজনেই আশ্ৰমৰ সেৱিকাক ধৰ্ষণ কৰা আৰু অন্যান্য অপৰাধত জে'লত কাৰাবাস খাটিবলগীয়াও হৈছে। আশাৰাম বাপু, ৰাধে মা, গুৰমিত ৰাম ৰহিম সিং, সন্ত ৰামপাল, নাৰায়ণ সাই আদি এনে অপৰাধী ধৰ্মগুৰুৰ উদাহৰণ। তলা বাবাই গাত তলাৰ মালা আঁৰি লয়, শিকলি বাবাই শৰীৰত শিকলি মেৰিয়াই লয়। ৰাম ৰহিম জাতীয় একাংশ বলাৎকাৰী বাবাই চিনেমাত অভিনয়ো কৰে। নৱপ্ৰজন্মৰ মতে এইবিলাক ভণ্ডামিৰ বাহিৰে আন একো নহয়। ধৰ্মৰ নামত জোল খোৱা বাবাসকলৰ প্ৰকৃত স্বৰূপ অলপ তদন্ত কৰিলেই ওলাই পৰিব। এওঁলোকৰ বহুতেই ছদ্মনামধাৰী। নিজৰ ছদ্মনামৰ লগত 'স্বামী', 'গুৰু', 'ৰাম' আদি বিশেষণেৰে নিজকে 'ঈশ্বৰ মানৱ' হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে এওঁলোকে। নিৰক্ষৰ, অৰ্ধশিক্ষিত, অন্ধবিশ্বাসী লোকসকলক মূৰ্খ সজাই এওঁলোকে চলাই নিয়ে নিজ ব্যৱসায়। উত্তৰ ভাৰতত এনে ভণ্ড ধৰ্মগুৰুৰ সংখ্যা বেছি। বাবাসকলৰ উপাৰ্জন দেখি বিস্মিত হৈ বহুজনে ৰস কৰি কোৱা শুনো- কষ্ট কৰি পঢ়ি-শুনি ডাক্তৰ-ইঞ্জিনীয়াৰ হোৱাতকৈ বাবা হোৱাই ভাল। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ এখন জনসংখ্যাবহুল দেশত অগণন অনুগামী থকা বাবাসকলৰ ধৰ্মীয় ভণ্ডামি ৰোধ কৰিবলৈ যোৱাটো এক স্পৰ্শকাতৰ বিষয়। চৰকাৰেও এই ক্ষেত্ৰত মূৰ পোলোকা মাৰে। বাবাসকলৰ বিৰুদ্ধে কেতিয়াবা অভিযোগ দাখিল হলেও কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজেৰেহে অভিযুক্ত বাবাসকলক আদালতলৈ লৈ যোৱা পৰিলক্ষিত হয়। দেশৰ কোটি কোটি জনতাৰ মনত বৈজ্ঞানিক মানসিকতা গঢ়ি নুঠালৈকে তথাকথিত ধৰ্মগু কসকলৰ 'ধান্দাবাজী' চলি থাকিব। আমি নিবিচাৰো এইবাবাসকল ৰাজনৈতিক দলৰ এজেণ্ট হওক, ধৰ্মৰ নামত দেশৰ জনসাধাৰণক বুৰ্বক সজাওক, ছল-চাতুৰিৰে সম্পত্তিৰ পাহাৰ গঢ়ক। তাৰ বাবে চৰকাৰ, জনসাধাৰণ, পুলিচ-প্ৰশাসন, আইন ব্যৱস্থা সকলো সজাগ হ'ব লাগিব।

ঠিকনা ঃ বৰহোলা, যোৰহাট
ম'বাইল ঃ ৬৯০১১৫৪৫৮৩

# এক্সিয়ম-৪ মিছন
## ভাৰতৰ মহাকাশ গৱেষণাৰ নতুন দিগন্ত



**চন্দন কুমাৰ নাথ**

মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি আৰু উচ্চাকাঙ্ক্ষাৰ এক নতুন মাইলৰ খুঁটি হিচাপে এই বছৰৰ ২৫ জুন, ২০২৫ তাৰিখে আমেৰিকাৰ কেনেডি স্পেচ চেণ্টাৰৰ পৰা সফলভাৱে উৎক্ষেপণ হোৱা এনেক্সিয়ম-৪ (Ax-4) মিছনৰ কথা উল্লেখ কৰিব পাৰি। এই মিছনে ভাৰতৰ মহাকাশ গৱেষণাৰ ক্ষেত্ৰত এক ঐতিহাসিক পদক্ষেপ হিচাপে পৰিগণিত হৈছে, য'ত ভাৰতীয় বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা পাইলট হিচাপে অংশগ্ৰহণ কৰি ভাৰতৰ মহাকাশ যাত্ৰাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। ১৯৮৪ চনত ৰাকেশ শৰ্মাই ছোভিয়েট ইউনিয়নৰ ছয়ুজ টি-১১ মহাকাশযানত মহাকাশত ভ্ৰমণ কৰাৰ ৪১ বছৰৰ পিছত এই মিছনৰ জৰিয়তে ভাৰতে পুনৰবাৰ মানৱ মহাকাশ অভিযানৰ ক্ষেত্ৰত নিজৰ স্থান সুদৃঢ় কৰিছে।

এক্সিয়ম-৪ মিছন হৈছে আমেৰিকাৰ ব্যক্তিগত মহাকাশ সংস্থা এক্সিয়ম স্পেচৰ দ্বাৰা পৰিচালিত এক ব্যক্তিগত মহাকাশ অভিযান, য'ত নাছা (NASA) আৰু স্পেচ এ'ৰ সহযোগিতাৰে এই মিছন সম্পন্ন হৈছে। এই মিছনত স্পেচ এক্সৰ ফেলকন-৯ ৰকেটৰ জৰিয়তে ক্ৰু ড্ৰেগন গ্ৰেছ (Crew Dragon Grace) নামৰ মহাকাশযানৰ সহায়ত চাৰিজন মহাকাশচাৰীক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ (ISS)লৈ প্ৰেৰণ কৰা হৈছে। এই মিছনৰ নেতৃত্বত আছে আমেৰিকাৰ প্ৰাক্তন নাছাৰ মহাকাশচাৰী পেগী হুইটছন, যি এক্সিয়ম স্পেচৰ মানৱ মহাকাশ অভিযানৰ সঞ্চালক। তেওঁৰ সৈতে আন তিনিজন মহাকাশচাৰী হৈছে ভাৰতৰ শুভাংশু শুক্লা, পোলেণ্ডৰ স্লাওয়ছ উজ্নাংস্কি-ৱিছনিয়েভস্কি, আৰু হাংগেৰীৰ টিবৰ কাপু। এই মিছনৰ জৰিয়তে ভাৰত, পোলেণ্ড, আৰু হাংগেৰীয়ে ৪০ বছৰৰো অধিক সময়ৰ পিছত পুনৰ মানৱ মহাকাশ অভিযানত অংশগ্ৰহণ কৰিছে, যি তিনিখন দেশৰ বাবে এক ঐতিহাসিক ঘটনা। এক্সিয়ম-৪ মিছনৰ মূল উদ্দেশ্য হৈছে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ১৪ দিন ধৰি বৈজ্ঞানিক গৱেষণা, প্ৰযুক্তিগত পৰীক্ষণ, আৰু শৈক্ষিক প্ৰচাৰৰ কাম সম্পন্ন কৰা। এই মিছনত ৩১খন দেশৰ প্ৰায় ৬০টা বৈজ্ঞানিক পৰীক্ষা আৰু কাৰ্যকলাপ সম্পন্ন কৰা হ'ব, য'ত ভাৰতৰ গৱেষণাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ সমন্বয়ত কেইবাটাও গুৰুত্বপূৰ্ণ পৰীক্ষাৰ বাবে এই মিছন এক মঞ্চ হিচাপে কাম কৰিছে। এই পৰীক্ষাসমূহৰ ভিতৰত কেইটামান উল্লেখযোগ্য হৈছে:

১.মাইক্ৰ'গ্ৰেভিটিত খাদ্য শস্যৰ বীজৰ পৰীক্ষা: ভাৰতীয় মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান (IIST) আৰু কেৰালা কৃষি বিশ্ববিদ্যালয়ৰ সহযোগিতাত এই পৰীক্ষাৰ জৰিয়তে মাইক্ৰ'গ্ৰেভিটিৰ পৰিস্থিতিত খাদ্য শস্যৰ বীজৰ বৃদ্ধি আৰু ফলনৰ পৰামিতিৰ ওপৰত প্ৰভাৱ অধ্যয়ন কৰা হৈছে। এই গৱেষণাৰ ফলাফল মহাকাশত দীৰ্ঘম্যাদী মানৱ অভিযানৰ বাবে খাদ্য উৎপাদনৰ সম্ভাৱনা অন্বেষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

২. মাইক্ৰ'এলগীৰ ওপৰত গৱেষণাঞ্জ: আন্তঃৰাষ্ট্ৰীয় জিনীয় কৌশল আৰু জৈৱপ্ৰযুক্তি কেন্দ্ৰ (ICGEB) আৰু ৰাষ্ট্ৰীয় উদ্ভিদ জিনোম গৱেষণা প্ৰতিষ্ঠানৰ (NIPGR) সহযোগিতাত মাইক্ৰ'গ্ৰেভিটি আৰু মহাকাশৰ বিকিৰণৰ খাদ্যযোগ্য মাইক্ৰ'এলগীৰ ওপৰত প্ৰভাৱৰ বিষয়ে গৱেষণা কৰা হৈছে। এই গৱেষণাই মহাকাশত অক্সিজেন উৎপাদন আৰু খাদ্যৰ স্বয়ংসম্পূৰ্ণ ব্যৱস্থাৰ সম্ভাৱনাৰ ওপৰত পোহৰ পেলাব।

৩. মাই'জেনেছিছ: ভাৰতৰ ষ্টেম ছেল বিজ্ঞান আৰু পুনৰ্জনন চিকিৎসা প্ৰতিষ্ঠানৰ (InStem) এই পৰীক্ষাৰ জৰিয়তে মাইক্ৰ'গ্ৰেভিটিত পেশী পুনৰ্জননৰ ওপৰত বিপাকীয় সম্পূৰকৰ প্ৰভাৱ অধ্যয়ন কৰা হৈছে। এই গৱেষণাৰ ফলাফল মহাকাশচাৰীৰ স্বাস্থ্যৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে।



৪. স্প্ৰাউটছ: ধাৰৱাড়ৰ কৃষি বিজ্ঞান বিশ্ববিদ্যালয় আৰু ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, ধাৰৱাড়ৰ সহযোগিতাত এই পৰীক্ষাৰ জৰিয়তে মহাকাশত বীজৰ অংকুৰণৰ ওপৰত গৱেষণা কৰা হৈছে, যি মহাকাশচাৰীৰ পুষ্টিৰ বাবে অতি গুৰুত্বপূৰ্ণ।

৫. টাৰ্ডিগ্ৰেডৰ গৱেষণা: ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ (IISc) এই পৰীক্ষাত টাৰ্ডিগ্ৰেড নামৰ অণুজীৱৰ জীৱন, পুনৰ্জনন, আৰু ট্ৰান্সক্ৰিপ্ট'মৰ ওপৰত মহাকাশৰ পৰিৱেশৰ প্ৰভাৱ অধ্যয়ন কৰা হৈছে। এই অণুজীৱবোৰৰ অত্যন্ত কঠিন পৰিৱেশত জীয়াই থকাৰ ক্ষমতাৰ বাবে ইয়াক মহাকাশ গৱেষণাৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা হয়।

৬. ইলেক্ট্ৰনিক ডিছপ্লে'ৰ পৰীক্ষা: IISc-ৰ আন এক পৰীক্ষাত মাইক্ৰ'গ্ৰেভিটিত মানৱৰ ইলেক্ট্ৰনিক ডিছপ্লে'ৰ সৈতে সংযোগৰ পৰীক্ষা কৰা হৈছে, যি মহাকাশত প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত নতুন দিশ প্ৰদান কৰিব।

এই পৰীক্ষাসমূহৰ ফলাফল ভাৰতৰ গগনযান মিছনৰ বাবে অতি গুৰুত্বপূৰ্ণ হ'ব, যি ২০২৭ চনৰ ভিতৰত ভাৰতৰ প্ৰথম মানৱ মহাকাশ অভিযান হিচাপে পৰিকল্পিত হৈছে। এক্সিয়ম-৪ মিছনত ভাৰতৰ অংশগ্ৰহণ কেৱল প্ৰতীকী নহয়, বৰঞ্চ বৈজ্ঞানিক আৰু প্ৰযুক্তিগত দিশৰ পৰা অতি তাৎপৰ্যপূৰ্ণ। গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা, যি ভাৰতীয় বায়ুসেনাৰ এগৰাকী অভিজ্ঞ বিষয়া, এই মিছনৰ পাইলট হিচাপে নিৰ্বাচিত হৈছে। তেওঁৰ সৈতে বেকআপ পাইলট হিচাপে গ্ৰুপ কেপ্তেইন প্ৰশান্ত বালকৃষ্ণন নায়াৰে অংশগ্ৰহণ কৰিছে। শুক্লাই নাছা, স্পেচএক্স, আৰু আন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতে প্ৰশিক্ষণ গ্ৰহণ কৰি এই মিছনৰ বাবে নিজকে প্ৰস্তুত কৰিছে। তেওঁৰ এই অভিযান ভাৰতৰ মহাকাশ গৱেষণাৰ ক্ষেত্ৰত এক নতুন আৰম্ভণিৰ প্ৰতীক। শুক্লাই মহাকাশৰ পৰা প্ৰেৰণ কৰা প্ৰথম বাৰ্তাত কৈছিল, "নমস্কাৰ, মোৰ প্ৰিয় দেশবাসী। কি এক যাত্ৰা, ৪০ বছৰৰ পিছত আমি পুনৰ মহাকাশত উপনীত হৈছো। মোৰ কান্ধত থকা ত্ৰিৰংগই মোক কৈছে যে মই অকলশৰীয়া নহয়, আপোনালোক সকলো মোৰ লগত আছে।" তেওঁৰ এই বাৰ্তাই ভাৰতৰ ১৪০ কোটি জনতাৰ আকাংক্ষা আৰু গৌৰৱৰ প্ৰতিফলন ঘটাইছে। এক্সিয়ম-৪ মিছন ভাৰতৰ গগনযান প্ৰকল্পৰ বাবে এক প্ৰস্তুতিমূলক পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। গগনযানৰ জৰিয়তে ভাৰতে নিজৰ মহাকাশযানৰ সহায়ত মানৱক মহাকাশলৈ প্ৰেৰণ কৰাৰ লক্ষ্য ৰাখিছে। এই মিছনত শুভাংশু শুক্লাৰ অভিজ্ঞতাই গগনযানৰ পাইলটসকলৰ বাবে মূল্যৱান তথ্য আৰু জ্ঞান প্ৰদান কৰিব। প্ৰাক্তন ইছৰ' বিজ্ঞানী নম্বি নাৰায়ণনে এই মিছনক গগনযানৰ এক প্ৰস্তুতিমূলক পদক্ষেপ বুলি অভিহিত কৰিছে। তেওঁৰ মতে, এই মিছনৰ অভিজ্ঞতাই ভাৰতৰ স্বাধীন মানৱ মহাকাশ অভিযানৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইছৰ'ৰ পৰৱৰ্তী লক্ষ্য হৈছে ২০৩৫ চনৰ ভিতৰত নিজৰ মহাকাশ কেন্দ্ৰ স্থাপন কৰা আৰু ২০৪০ চনৰ ভিতৰত চন্দ্ৰত মানৱ অৱতৰণৰ পৰিকল্পনা। এক্সিয়ম-৪ মিছনৰ জৰিয়তে শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ কাৰ্যপ্ৰণালীৰ বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিব, যি ভাৰতৰ নিজৰ মহাকাশ কেন্দ্ৰ নিৰ্মাণৰ বাবে গুৰুত্বপূৰ্ণ হ'ব।

এক্সিয়ম-৪ মিছনে ভাৰতৰ মহাকাশ অৰ্থনীতিৰ বাবেও এক নতুন দিশ মুকলি কৰিছে। বৰ্তমান ভাৰতৰ মহাকাশ অৰ্থনীতিৰ মূল্য প্ৰায় ৮.৪ বিলিয়ন ডলাৰ, যি ২০৩৩ চনৰ ভিতৰত ৪৪ বিলিয়ন ডলাৰত উপনীত হোৱাৰ সম্ভাৱনা আছে। এই মিছনে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণক উৎসাহিত কৰিব, যাৰ ফলত নতুন প্ৰযুক্তিৰ উদ্ভাৱন, চাকৰিৰ সুযোগ, আৰু তৰুণ প্ৰজন্মৰ বাবে প্ৰেৰণাৰ সৃষ্টি হ'ব। ইয়াৰ উপৰিও, শুভাংশু শুক্লাৰ এই অভিযানে ভাৰতৰ যুৱ সমাজৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰতি আগ্ৰহ জগাই তুলিব। তেওঁৰ এই সফলতাই বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত মহাকাশ গৱেষণাৰ প্ৰতি এক নতুন উৎসাহৰ সৃষ্টি কৰিব, যি ভাৰতৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক ইতিবাচক প্ৰভাৱ হিচাপে পৰিগণিত হ'ব। এক্সিয়ম-৪ মিছন ভাৰতৰ মহাকাশ গৱেষণাৰ ক্ষেত্ৰত এক ঐতিহাসিক ঘটনা। শুভাংশু শুক্লাৰ নেতৃত্বত এই মিছনে ভাৰতৰ বৈজ্ঞানিক সামৰ্থ্য, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, আৰু মহাকাশ অভিযানৰ উচ্চাকাঙ্ক্ষাক বিশ্বৰ সন্মুখত প্ৰদৰ্শন কৰিছে। এই মিছনৰ সফলতা কেৱল ভাৰতৰ বৈজ্ঞানিক অগ্ৰগতিৰ প্ৰতীক নহয়, বৰঞ্চ ই দেশৰ যুৱ প্ৰজন্মৰ বাবে এক প্ৰেৰণাৰ উৎস হিচাপেও কাম কৰিব। গগনযানৰ দৰে আগন্তুক মিছনৰ প্ৰস্তুতিৰ বাবে এই অভিজ্ঞতা অমূল্য হ'ব, আৰু ভাৰতৰ মহাকাশ কাৰ্যক্ৰমৰ ভৱিষ্যৎ অধিক উজ্জ্বল হ'ব বুলি আশা কৰা হৈছে।

ঠিকনা ঃ সৰভোগ, বৰপেটা
ম'বাইল ঃ ৯১৩২৮৪৯৭২৬

# কলি যুগৰ অন্তিম সময়!

**নৰেন হাজৰিকা**

'কলিৰ শেষত হৈবো কল্কি অৱতাৰ।
কাটি-মাৰি ম্লেচক কৰিবো বোন্দামাৰ।'

ভাগৱতৰ একাদশ স্কন্ধত লিখা এই কথাষাৰ এতিয়া আখৰে আখৰে ফলিয়াইছে আমাৰ এই অসম মুলুকত। প্ৰতিদিনেই হত্যা, ধৰ্ষণ, শোষণ, উৎপীড়ণ, প্ৰেমজনিত বিভিন্ন ধৰণৰ ঘটনা, আৰক্ষীৰ অত্যাচাৰ, শিশু অপহৰণ আদি ঘটনাসমূহ এতিয়া এক নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। টিভি অথবা বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষ পৃষ্ঠালৈকে কেৱল দেখিব পত্নীয়ে স্বামীক হত্যা কৰিলে, স্বামীয়ে পত্নীক হত্যা কৰিলে, প্ৰেমিকে প্ৰেমিকাক হত্যা কৰিলে, প্ৰেমিকে বন্ধুৰ লগত মিলি প্ৰেমিকাকে ধৰ্ষণ কৰিলে, পুত্ৰই পিতৃ-মাতৃক হত্যা অথবা মাৰধৰ কৰা, পিতৃয়ে পুত্ৰক হত্যা কৰা, মাতৃয়ে নিজৰ পুতেক-জীয়েকক টেটু চেঁপি হত্যা কৰা আদি ঘটনাবোৰ এক সাধাৰণ ঘটনাৰ দৰে হৈ থকা দেখিবলৈ পোৱা গৈছে।

সৌ সিদিনা সোণম ৰঘুবংশী আৰু ৰাজা ৰঘুবংশী নামৰ এহাল দম্পতীয়ে বিয়াৰ মাত্ৰ চাৰিটা দিনৰ পাছতেই মেঘৰ দেশ মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত 'হনীমুন' বনাবলৈ আহি পূৰ্বৰ প্ৰেমিক ৰাজ সিং কুশৱাহাৰ সৈতে সোণমে পৰিকল্পনা কৰি স্বামীক হত্যা কৰা ঘটনাই প্ৰতিজনৰ বুকু কঁপাই তুলিছিল। থিক একেদৰে গুৱাহাটী মহানগীৰৰ জনসমূদ্ৰৰ মাজতে প্ৰেমিকে প্ৰেমিকাক চুৰিকাঘাটেৰে হত্যা কৰা, নিশা নামী-দামী ৰেষ্টুৰেণ্টত, কোনোবা ফ্লেটত ৰঙীণ পানীয়ৰ পাৰ্টি কৰি, উচ্চ স্বৰত মিউজিক ছিষ্টেমত বাজি থকা পাশ্চাত্য সংগীতৰ তালে তালে স্বল্পবসনা গাভৰুৱে নৃত্য কৰি নিশাই বিলাসী গাড়ীত উঠি সূৰ্যোদয় চাবলৈ গৈ নিজৰ সূৰ্য অস্তমিত কৰা, কোনোবা অখ্যাত গাঁৱৰ দুই-তিনিটা সন্তানৰ মাতৃয়ে ফেচবুক যোগে চিনাকি হোৱা প্ৰেমিকলৈ পলাই যোৱা আৰু পুনৰ গাঁৱৰ মানুহে মহিলাগৰাকীক ধৰি আনি চুলি কাটি, গাত চূণ সানি দিয়া আদি বিভিন্নধৰণৰ ঘটনাসমূহে এতিয়া ভৰাই তুলিছে সচেতন মহলক।

প্ৰসংগক্ৰমে উল্লেখৰ প্ৰয়োজন যে শাস্ত্ৰ মতে চাৰিটা যুগ - সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি। সত্য যুগত ভগৱান বিষ্ণুৱে নৰসিংহৰ ৰূপ ধাৰণ কৰি অত্যাচাৰী আদিদৈত্য দিতিৰ নন্দন হিৰণ্যকশিপুক বধ কৰিছিল। বৰাহ ৰূপ ধাৰণ কৰি হিৰণ্যকশিপুৰ ভাতৃ হিৰণাক্ষক বিনাশ কৰিছিল, ত্ৰেতা যুগত প্ৰভু বিষ্ণুৱে শ্ৰীৰাম অৱতাৰ ধাৰণ কৰি স্বেচ্ছাচাৰী ৰজা ৰাৱণ আৰু জ্যেষ্ঠ ভাতৃ কুম্ভকৰ্ণক বধ কৰিছিল। আকৌ দ্বাপৰ যুগত ভগৱান বিষ্ণুৱে শ্ৰীকৃষ্ণ-বলৰাম অৱতাৰ লৈ সেই সময়ৰ মথুৰাৰ স্বেচ্ছাচাৰী আৰু অত্যাচাৰী ৰজা কংস, শিশুপাল, জৰাসন্ধ আদি অত্যাচাৰীসকলক বিনাশ কৰিছিল। এতিয়া বৰ্তমান কলি যুগ চলিছে আৰু কলিৰ অন্তিম কাল আহি পৰিছে। কলিৰ অন্তত দেশ ধ্বংস হোৱাৰ যুগ আহি পৰিছে। এই ধ্বংসৰ কালত ৰজা, প্ৰজা সকলোৰে মতিভ্ৰম হৈছে, চৌদিশে কেৱল অমংগলে দেখা দিছে। এতিয়া অসমৰ চৌদিশে মাথোঁ অমংগলৰ লক্ষণ।

বুৰঞ্জীৰ পাত লুটিয়াই চালেও আমি দেখা পাওঁ যে আমাৰ ধ্বংসৰ কাৰণ আমি নিজেই। যদু বংশ ধ্বংস, কুৰুক্ষেত্ৰৰ যুদ্ধৰ পৰা আৰম্ভ কৰি আহোম ৰাজত্বৰ সময়ত ম্যানমাৰৰ পৰা বদন বৰফুকনে মান অনা আৰু অসমৰ সাধাৰণ প্ৰজাৰ ওপৰত মান সৈন্য জাপি দিয়া কাৰ্য সকলোৱে জানে। মানৰ আক্ৰমণ আৰু অত্যাচাৰ আজিও মানুহৰ মুখত শুনা যায় - জীয়াই জীয়াই মানুহক জুইত জাপি দিয়া, কেঁচুৱা, শিশুক ঘৰৰ চালৰ ওপৰত দলিয়াই দি হ্যতা কৰা, শিশুসকল গছত শাল মাৰি হত্যা কৰা, বৃদ্ধ-বৃদ্ধাক জীয়াই জীয়াই জ্বলাই দিয়াৰ জ্বলন্ত উদাহৰণ পোৱা যায়। আকৌ আহোম ৰাজত্ব কালতে মন্ত্ৰী লালুকসোলাই ল'ৰাৰজাক ৰজা পাতি আহোম ৰাজ বংশৰ ল'ৰাবোৰক ঘৰৰ পৰা ধৰি ধৰি আনি অংগক্ষত কৰাই চিৰদিনৰ কাৰণে পংগু কৰি দিছিল।

একেদৰে স্বাধীনোত্তৰ কালত তেতিয়াৰ অসমৰ প্ৰধানমন্ত্ৰী (বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ পদ) চৈয়দ চাদুল্লাই বাংলাদেশ, ঢাকা, ৰংপুৰ আদি ঠাইৰ পৰা মিঞা আনি অসমৰ মাটিত বহুৱাই অসম ধ্বংস যজ্ঞৰ পাতনি মেলিছিল। পাছত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তই 'আহ ঐ আহ ওলাই আহ ...' শ্ল'গানেৰে অসমৰ ছাত্ৰ-ছাত্ৰী আৰু জনগণক ৰাজপথলৈ উলিয়াই আনিলে, বাংলাদেশীক তথা বিদেশীক বহিষ্কাৰ কৰিম বুলি আঁভুৱা ভাৰি নিৰ্বাচনত জিকি নিজে মুখ্যমন্ত্ৰীৰ গাদীত বহি সকলো পাহৰি পেলালে। অসমৰ জনগণক সুৰক্ষা দিম, অসম স্বাধীন কৰিম বুলি প্ৰতিশ্ৰুতিৰে ইয়াৰ পাছত আলফাৰ জন্ম হ'ল। আৰু একাংশই আলফাৰ হতুৱাই অসমৰ জনগণক ধনদাবী, অপহৰণ, হত্যা, লুণ্ঠন কৰিলে। ইয়াৰ পাছত অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত আলফাৰ কিছুসংখ্যক নেতাক হাত কৰি লৈ ছালফাৰ সৃষ্টি কৰিলে। এই কাৰ্যৰ পাছতেই ভাতৃঘাতী সংঘৰ্ষৰ সৃষ্টিৰে অসম সন্তানক ভায়ে ভায়ে শত্ৰু বনাই বহু অসমীয়া যুৱক-যুৱতীৰ প্ৰাণ কাঢ়ি নিলে, বহুজনক জীৱনলৈ পংগু কৰিলে। বহু পিতৃ-মাতৃৰ বুকু উদং কৰিলে। প্ৰফুল্ল মহন্তৰ চৰকাৰৰ দিনত গুপ্তহত্যাৰ ব্লুপ্ৰিণ্ট ৰচনা কৰি বহু লোকক গুপ্তহত্যাৰ বলিৰ পঠা সজালে। অসমৰ অসংখ্যজনক হত্যা কৰি নিজৰ স্বাৰ্থ পূৰণ কৰিলে। মুঠৰ ওপৰত এতিয়া কলি যুগৰ অন্তিম সময়। সপোনতো নভৱা অথবা কল্পনাও কৰিব নোৱাৰা ঘটনাই এতিয়া সাধাৰণ ঘটনা হিচাপে সংঘটিত হ'ব এই মুলুকত। যি সমূহ ঘটনাই এতিয়া বুকুত কষ্ট দিব গুণী-জ্ঞানীসকলক।

গল্প

# এটি অপূৰ্ণ প্ৰেমগাথা

**ইমৰান আনছাৰি**

মানুহ বৰ অদ্ভুত, মানুহ তেতিয়ালৈ কাৰোবাৰ সৈতে থাকে যেতিয়া লৈকে তাৰ প্ৰয়োজন পূৰণ নহয়। তাইক ধৰি ৰাখিবৰ বাবে ক'ত কি যে কৰা নাছিলোঁ/ আবেগ প্ৰকাশ কৰিলে সহানুভূতি পোৱা যায়, ভালপোৱা পোৱা নহয়, চকু পানীৰে ভিতৰৰ কষ্ট প্ৰকাশ কৰিব পাৰি কিন্তু কাৰোবাক ধৰি ৰাখিব নোৱাৰি। আদিত্যৰ মৃত্যুৰ আজি এমাহমান হৈ গ'ল। তেওঁ ৰাখি যোৱা ডায়েৰীখন আজি মোৰ দৃষ্টিভংগীৰে জগতৰ আগত দাঙি ধৰিলো।

মাকৰ মৃত্যুৰ পিছতেই ঘৰখন চোৱা-চিতা কৰিবৰ বাবে দেউতাই দ্বিতীয়খন বিয়া পাতে ; তেতিয়া মোৰ বয়স মাত্ৰ ৫ বছৰ, সংসাৰৰ একোডাল বুজি নাপাওঁ, বিদ্যালয়ৰ পৰা আহি সমনীয়াহঁতৰ সৈতে পখিলাৰ পিছে পিছে দৌৰি থাকোঁতেই সূৰ্য অস্ত যায়। কিন্তু ৰাতি হ'লেই মাহিমাকৰ অক্ৰোহমূলক ব্যৱহাৰৰ বাবে জোনাকী নিশাত বাহিৰত বহি মুক্ত আকাশৰ তলত মাকৰ কথা ভাবি ভাবি ৰাতি বোৰ পাৰ কৰিছিলোঁ। এইদৰেই দিনবোৰ পাৰ হৈ আছিল। কিন্তু কেইবছৰমান পিছত হঠাৎ এদিন আমাৰ ঘৰখনত নামি আহে ঘূৰ অমানিশা। কোনোবাই আলমাৰীৰ পৰা দেউতাকে ইমান দিনে জমা কৰি ৰখা ৯০ হাজাৰ টকা চোৰ কৰি নিয়ে, এই টকাবোৰ আছিল দেউতাকৰ ইমান দিনে কৰি অহা কঠোৰ পৰিশ্ৰম ফল। মই এই টকাবোৰৰ বিষয়ে একো জনা নাছিলোঁ, কিন্তু কিয় নাজানো মাহিমাকৰ কথাত বিশ্বাস কৰি সেইদিনা দেউতাকে মোক বৰ বেয়াকৈ মাৰিছিল আৰু সেইদিনাৰ পিছৰ পৰা দেউতাকে মোৰ লগত কথা কোৱাও এৰি দিছিল। দেউতাকে খৰচ নিদিয়াৰ বাবে ইমান দিনে পঢ়ি অহা প্ৰাইভেট স্কুলখন এৰি চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাও। তেতিয়া মই সপ্তমান শ্ৰেণীত। ক্ষমা কৰিব দেই কথা পাতোতেই মোৰ পৰিচয়খন দিবলৈ পাহৰি থাকিলো। মোৰ নাম আদিত্য, আদিত্য বৰ্মন।



আদিত্য নতুন বিদ্যালয়ত যোৱাৰ প্ৰথম দিনাৰ প্ৰথমটো ক্লাছতেই তেওঁৰ চকু পৰে পাপৰিৰ ওপৰত। আচলতে প্ৰথম চাৰনিৰ পৰাই তেওঁ পাপৰিক মনে মনে ভালপাবলৈ ধৰিলে। আদিত্যঞ্জই প্ৰায়ে পাপৰিক ইটো সিটো সহায় কৰি দিয়ে। লাহে লাহে পাপৰিৰ সৈতে তেওঁৰ ভাল বন্ধুত্ব হৈ পৰে, কিন্তু তেতিয়ালৈকে তেওঁ মনৰ কথা পাপৰিৰ আগত প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিল। কিন্তু এদিনাখন দুয়ো চাইকেলেৰে গৈ থাকোঁতে হঠাৎ পাপৰিৰ চাইকেলৰ চেইনডাল পৰি যায়। আদিত্যঞ্জই লৰা লৰিকৈ চাইকেলৰ পৰা নামি চেইনডাল তুলি দিয়ে। সেইসময়চোৱা চৌদিশত এক নিৰৱ পৰিবেশে গ্ৰাহ কৰিছিল। আদিত্যঞ্জই তেওঁৰ মনৰ কথাটো আৰু চেপি ধৰি ৰাখিব নোৱাৰি পাপৰিক কৈ দিলে,

'' পাপৰি মই তোমাক বহুত বেছি ভালপাই পেলাইছো অ, তোমাক মোৰ কৰিব বিচাৰোঁ পাপৰি। আই লাভ ইউ।''

কোনো কথা নাভাবি পাপৰি তেওঁৰ কথাত মান্তি হৈ তাই ক'লে, ''ময়ো তোমাক ভালপাও আদিত্য।''

চাগে পাপৰিও ইমান দিনে মনে মনে আদিত্যক ভালপাইছিল। আহ, কি যে এক শান্তিৰ মুহূৰ্ত।



বাৰু, এই ভালপোৱা থাকিবনে চিৰদিনলৈ/ দিন বাগৰি যায়, লাহে লাহে দুয়োৰে প্ৰেমৰ পৰিসীমা বাঢ়ি গৈ থাকে। মেট্ৰিক পৰীক্ষাৰ পিছত দুয়োয়ে একেখন বিদ্যালয়ত নামভৰ্তি কৰায়। ঞ্জ কিন্তু এদিনাখন পাপৰিৰ মাকে ইহঁত দুটাৰ প্ৰেমৰ কথা জানিব পাৰিলে। কিন্তু পাপৰিক কোনো ধৰণৰ গালি শপনি নিদিলে, তাইৰ মাকেও জানে আদিত্য ল'ৰাটো যে কিমান ভাল। এইদৰেই দুটা বছৰ বাগৰি অৱশেষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময় আহিল। পৰীক্ষাৰ ঠিক দুমাহ পিছত আহিল পৰীক্ষাৰ ৰিজাল্ট। পাপৰিয়ে ৭৭.৪ শতাংশ নম্বৰ সৈতে উত্তীৰ্ণ হয়, ঘৰত উখল মাখল পৰিৱেশ। আনহাতে আদিত্যৰ ঘৰত ইয়াৰ সম্পূৰ্ণ বিপৰীত ঘটনা ঘটে। আদিত্য মন মাৰি ঘৰৰ এচোকত বহি আছে, এতিয়া তেওঁ কি কৰিব কি নকৰিব ভাবি পোৱা নাই, ঘৰৰ মানুহেও তাক গালি পাৰি আছিল কাৰণ তেওঁ ৪১ শতাংশ নম্বৰ সৈতে কেৱল কোনোমতে উচ্চতৰ মাধ্যমিকৰ আলিটোহে বগাব পাৰিছিল। অৱশেষত ঘৰৰ পৰামৰ্শ মতে শিক্ষাৰ পৰা আঁতৰি বহি ৰাজ্যত কাম কৰিবলৈ যোৱাৰ সিদ্ধান্ত ল'লে। যোৱাৰ সময়ত পাপৰিক এটা মোবাইল কিনি দিয়ে।

আদিত্য: লোৱা পাপৰি, মোবাইলখন লোৱা। এয়া ভাগ্যৰ নিৰ্মম পৰিণতি, মই সদায় কামত যোৱাৰ আগত আৰু কামৰ পৰা আহি তোমাৰ লগত ফোনত কথা পাতিম।

উফ, পাপৰিৰ চকুপানীনো ৰখায় কোনে/

পাপৰি: ভালকে থাকিবা, তাতে নতুন মানুহক লগ পাই মোক পাহৰি নাযাবা। মোৰ কথা চিন্তা নকৰিবা মই তোমাৰ আছোঁ আৰু তোমাৰেই থাকিম। তিনিবছৰ পিছত মোৰ ডিগ্ৰী সম্পূৰ্ণ হ'ব, তেতিয়া আমি বিয়াও পাতিম। ভালকে যাবা।

আদিত্য: পাপৰি, পাপৰি, অ পাপৰি/ নেকান্দিব অ/ এতিয়া ঘৰলৈ যোৱা গৈ, ঞ্জ কাইলৈ মোৰ ট্ৰেইন আছে মোৰ কাৰণে দোৱা ৰাখিবা, নিজৰ যতন লবা।

পাপৰি ঘৰলৈ উভতি যোৱাৰ পথত যিমান সময়লৈ তাই নেদেখা হৈছিল আদিত্য তাৰ পিনে ৰ লাগি চায়ে আছিল। উফ, কি মৰম লগা ভালপোৱা, তেওঁৰ অন্তৰত তাই, তাইৰ অন্তৰত তেওঁ। সচায়ে প্ৰেম চাগে স্বৰ্গৰ দান।

আদিত্য বহি ৰাজ্যত দিনটো ১০০০ টকাৰ বিনিময়ত কাম কৰে। কিন্তু তাৰ যে বহুত টকাৰ প্ৰয়োজন, কিয়নো পাপৰি আৰু তাৰ প্ৰেম বিয়াৰ ৰূপ পাব লাগিব। এনেবোৰ সপোনৰ বাবে তেওঁ ৰাতিতো ঘণ্টা ২০০ টকাৰ বিনিময়ত ৰাতি ৯ টাৰ পৰা ২টা লৈকে কাম কৰাৰ সিদ্ধান্ত লয়। মাহিলী ৩০০০০? টকা আদিত্যৰ মাকৰ একাউণ্টত আৰু ২০০০০ টকা পাপৰিৰ খৰচৰ বাবে পাপৰিৰ একাউণ্ট জমা কৰি আহিছিলঞ্জ, বাকী কিছু সংখ্যক টকাৰে নিজৰ খৰচটো কোনোমতে চলাইছিল। কিন্তু প্ৰতিদিনে নিয়মীয়াকৈ ফোন কথা পতা কোনেও পাহৰা নাছিল। ইপিনে টকাৰ লোভত পাপৰিৰ মাকে আদিত্যক জোঁৱাই জোঁৱাই ফোন আদৰিছিল। প্ৰায় তিনিবছৰৰ অন্তত আদিত্য ঘৰত আহিব খোজে, পাপৰিয়ে কোৱা মতে তাইক বিয়া পাতিব খোজে। কিন্তু পাপৰিয়ে কলে মই মাষ্টাৰ্ছ কৰিব বিচাৰোঁ, তুমি এতিয়াই আহিলে বৰ সমস্যা হৈ পৰিব জান। দুটা বছৰ পিছত আহা আমি বৰ সুন্দৰকৈ বিয়া পাতিম।

আদিত্য: (ফোনত) মা, মই যে ইমান দিনে টকা পঠিয়াইছো তাৰে এখন ধুনীয়া ঘৰ নিৰ্মাণ কৰা, তোমালোকৰ আৰ্শীবাদ মতেই আৰু মাত্ৰ দুটা বছৰৰ পিছত মই বিয়া পাতিব খোজোঁ। মা, মা মই পিছত কথা পাতো হা/ মালিকে মাতিছে।

ইয়াৰ প্ৰায় এবছৰ মান পিছত লাহে লাহে পাপৰিয়ে নিয়মীয়াকৈ ফোন কৰা বন্ধ কৰিলে। আদিত্য কৰিলেও তাই বিভিন্ন অজুহাত দেখাই ফোন কাটি দিয়ে। সেয়ে প্ৰায় ৪ বছৰৰ অন্তত কোনো খবৰ নিদিয়া কৈ আদিত্য ঘৰলৈ উভতি আহে। ঘৰত আহি জানিব পাৰে যে আদিত্যৰ পিতৃ আৰু নাই, ঞ্জতেখেত এই পৃথিৱীৰ মায়া প্ৰায় ৬ মান আগতেই ত্যাগ কৰিছিল। আদিত্য বুঞ্জজিবলৈ বাকী নাথাকিল যে ইমান দিনে মোৰ মায়ে কেৱল মোৰ টকাৰ কাৰণে হে মুখত মিঠাই লগাই ফোন কথা পাতিছিল। আদিত্যক ঘৰত দেখি তেওঁৰ মা আৰু মাহি মাকৰ ল'ৰাটোৱে কিবা যেন তেওঁৰ লগত বেয়া ব্যৱহাৰ কৰা আৰম্ভ কৰিলে। অৱশেষত আচল কথাটো কৈয়ে দিলে, যে এইখন ঘৰত তোৰ আৰু ঠাই নহ'ব, তোৰ দেউতাৰ মৃত্যুৰ আগত সকলো সম্পত্তি মোৰ ল'ৰাটোৰ নামত লিখি দিছে। এতিয়া তঞ্জই যদি এইখন ঘৰৰ পৰা নিজে নিজে ওলাই নোযোৱা তেন্তে পুলিচক মাতিবলৈ আমি অলপো কোণ্ঠাবোধ নকৰোঁ।

আদিত্য (মনে মনে): ছি: সঁচায়ে মাহি মা কেতিয়াও আপোন নহয়, আপোন হ'বঞ্জই নোৱাৰে। আজি মোৰ টকা খোৱা শেষ, আজি মোৰ লগত সম্পৰ্কঞ্জও শেষ কৰিলে সিহঁতে। মানুহ ইমান বেয়া হ'ব পাৰণে? যি নহঞ্জওক অন্ততঃ মোৰ পাপৰি হয়তো মোক আঁকোৱালি ল'ব।

এই বুলি তেওঁ পাপৰিৰ ঘৰৰ পালেহি। ঘৰত গৈ দেখে পাপৰি ঘৰত নাই। ঘৰত কেৱল তাইৰ মা। ইমান দিনে ফোনত জোঁৱাই জোঁৱাই বুলি মতা মানুহজনী আজি কিয় নাজানো ভালকৈ এশাৰ মাতো নিদিলে। মোৰ হাতত এটা চিঠি ধৰাই দি কলে, ''চিঠিখন লোৱা আৰু ঘৰৰ পৰা ওলাই যোৱা।''

কি হৈছে বুজি পোৱাৰ আগতেই চিঠিখন মেলি চালোঁ। ''প্ৰিয় আদিত্য, তুমি আজি মোক কি ভাবা এয়া একান্তঞ্জই তোমাৰ কথা। আজিৰ পৰা প্ৰায় ৩ মাহ মান আগতে মোৰ এটা বিয়াৰ ঘৰ আহে, ল'ৰাজন চৰকাৰী হাইস্কুলৰ শিক্ষক। আমাৰ দৰে এটা দুখীয়া ঘৰত যে ইমান ধুনীয়া সম্বন্ধ আহিব কল্পনাও কৰা নাছিলোঁ। তুমি বহি ৰাজ্যত কাম কৰি যি টকা উপাৰ্জন কৰা তাৰে পৰিয়ালখন নচলে বুজিলা। মোৰ এই সম্বন্ধখন বৰ পছন্দৰ, মোৰ সন্মতি মৰ্মেই এই বিয়াখন পাতিলো। তুমিও বৰ ভাল ছোৱালী পাবা। অ, আৰু এটা কথা, মোক সন্ধান কৰিবলৈ নাহিবা। মই নিবিচাৰোঁ যে তোমাৰ কাৰণে মোৰ সম্পৰ্কত কোনো বাধা আহক।''

চিঠিখন পঢ়ি উঠি কি কৰোঁ কি কৰিলে ভাল হ'ব, কাৰ ওচৰলৈ যাম এতিয়া একো বুজি পোৱা নাছিলো। নিজৰ বুলিবলৈ যে একো নাছিল। নাছিল নিজৰ এটা ঘৰ, নাছিলে আপোনজন। যাৰ বাবে অত বছৰ বহি ৰাজ্যত কটালো, ধন উপাৰ্জন কৰিলোঁ, যাক সুখী কৰিবলৈ বহি ৰাজ্যৰ বুকুত দিনে নিশাই কষ্ট কৰিলোঁ, আজি সেইজনেই এইদৰে মুক থেকেচা দিব পাৰিলেনে? এনে ক্ষেত্ৰত কি কৰা উচিত বুজি উঠাৰ আগতেই দোকান এটাৰ পৰা ৫০ টকাত বিষ কিনি আনি ৰাস্তাৰ কাষৰ গছ এটাৰ তলত বহি গুটেইখিনি বিষ পান কৰিলোঁ। কিন্তু মোৰ লগত হৈ যোৱা ঘটনাৰ চমু বিৱৰণ এই ডায়েৰি খনত ৰাখি থৈ গলো। এদিন মঞ্জই হয়তো নাথাকিম, কিন্তু সেইদিনা মোৰ ডিয়েৰিখনে কথা কব। সচায়ে মৃত্যু কোনো সমাধান নহয়, কিন্তু কেতিয়াবা নিৰ্মম মানুহবোৰতকৈ আমাক মৃত্যুৱেই ভালকৈ আঁকোৱালি ল'ব জানে। সেয়ে মৃত্যুৰ বুকুত আজি নিজকে অৰ্পণ কৰিলোঁ।

মানুহ যদি মানুহ নহয়
বিচাৰ দিমনো কাক?
বুকুৰ মাজত মাৰিলে কুঠাৰ
প্ৰেম মায়াৰে অত দিনে
হিয়াত ৰাখিছিলো যাক।

ফোন ঃ ৯৩৬৫৮০৭১৯৫

অনু গল্প

## হেঁপাহ

দেউতাকৰ মলঙি যোৱা চাৰ্টটোক নতুন কৰাৰ দুৰ্বাৰ সপোন, হেঁপাহ এটাৰ পাছে পাছে দৌৰি আছিল। চৰকাৰী চাকৰিৰ নিযুক্তি পত্ৰখন হাতত আহি পোৱাৰ দিনা তাই বাৰীৰ চুকটোলৈ একেথৰে চাই ৰৈছিল, কলপুলিৰ কাষত আধা ভঙা কলহটো আৰু কেঁচা মাটিৰ টিপটোত বন গজিবলৈ তেতিয়াও বহুত বাকী..।

**হেমাক্ষী বৰগোহাঁই**

মোবাইল ঃ ৬০০০৩৪৭৯৭১

## খেলিমেলি

"হেৰা, আৰু এজাক আহিছে। আজিকালি চুবুৰীয়ে চুবুৰীয়ে পতা হৈছে। তুমিয়েই কিবা এটা লৈ ওলাই যোৱা।"

"ককায়েৰা ঘৰত নাই। ৫০ টকাকে লোৱা।"

"মানে বাইদেউ আমি. . . .।" তেতিয়াহে ডেকা ল'ৰাটোৰ হাতত থকা ফাইলটোলৈ তেওঁৰ চকু গ'ল। ট-টকৈ জিলিকি আছে 'একলব্য জুনিয়ৰ কলেজ'।

তেওঁলোকৰ ল'ৰাটোৱে পৰহি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল।

**অংশুমান ভূঞা**

ম'বাইল ঃ ৬০০২৯৯৪৯৮০



## ফটো উঠা পৰ্ব

মা ক্ষন্তেক ৰোৱা তোমাকো এখন ফটো তুলি দিওঁ গছ পুলি ৰুই থকাৰ। ফেচবুকত দিব পাৰিবা। এ -যা এইবোৰ ধেমালি কৰি নাথাকিবি। গছপুলিটো ৰুই বাঁহৰ খুঁটি কেইটাৰে বেৰা দিওঁতে হাততে শূল এটা সোমাল। আহ টেঙা কাঁইট এটা লৈ উলিয়াই দে।

কেমাৰালৈ চাই গছপুলি ৰোপণ কৰা। চাফাই অভিযানৰ নামত হাতত ঝাৰু লৈ কেমেৰালৈ চাই প'জ দিয়া আদি কামবোৰ চাই চাই বৰ আমোদ পাওঁ মই।

মোৰ ফটো উঠি থাকিবৰ সময় নাই। শূলটো উলিয়াই দে সোনকালে ভাত ৰান্ধোগৈ। বাপেৰে পথাৰৰ পৰা আহি ভাত খাব নেপালে হালোৱা এচাৰি মোৰ পিঠিত চিঙিব।

**ইন্দা গৰীমা ফুকন**

গল্প

# প্ৰত্যুত্তৰ

**মীনাক্ষী বৰুৱা সূত**

অমৰে আঙুলিৰ মূৰত কথাবোৰ গণি গ'ল মাক দেউতাকৰ বাবে এজনী ভাল ছোৱালী বিচাৰি বিয়াত বহিবলৈ।

বৰ্তমান লগৰ চিনাকি বান্ধৱী কেইজনীৰ কথা ভাবিলে। কৰবীৰ ঠিক হৈ আছে। ৰুমী আৰু পৰীৰ গম পোৱা নাই। ৰুমীৰ কথানো কি আশা কৰিম- / মনত পৰিলে অতীতৰ কথাবোৰ হাঁহিয়েই উঠে।



তাইযে ইমান মানুহক কিয় বেয়াকৈ কয় ক'ব নোৱাৰো। তাইৰ ভাৱনাবোৰ ইমান ঠেক। সেইবাবেই তপনৰ লগত তাই প্ৰেমৰ বিছ্ছেদ হৈছিল। মই এদিন সিহঁতৰ ঘৰলৈ গৈছিলো। লগতে পৰীৰ ঘৰো তাইৰ কাষতে। পৰীয়ে গধূলিৰ ভাতসাজ সিহঁতৰ ঘৰত খাবলৈ মাতিলে। তেতিয়া তাই পৰীক কৈছিল তই পিকজাৰ বনাব জান? ই-টো নগৰত থকা ল'ৰা। তোৰ ঘৰত ঐটেঙা জোলৰ শাকে ভাত খাব পাৰিব জানো? তাই আচৰিত হৈ কৈছিল পাৰিব, আমি আমাৰ আইতাহঁতে খাবলৈ শিকোৱা মাৰ হাতৰ অতীতৰ সেই ৰন্ধন প্ৰণালীৰে আজি আমাৰ বন্ধুক ভাত খোৱাম। প্ৰকৃত বন্ধুত্ব আন্তৰিকতাত আৰু মানৱীয়তাতহে থকাটো মই বিচাৰো।

মই হাঁহি এটি মাৰি থ এইবোৰ কথা এই বুলি কৈ ইউনিভাৰচিটিৰ হোষ্টেলৰ আড্ডা অলপ মনত পেলাই সিহঁতৰ মাজত থকা বিভেদ কণ আঁতৰাই থলো। একেই তায়ো গাঁৱৰে ছোৱালী। নিজক পঢ়াৰ নামত মহানগৰীৰ বতাহ লাগিল বুলি গাঁৱৰ কেঁচা মাটিৰ গোন্ধ পাহৰিলে নহব নহয়।

সন্ধিয়া লাগিল। বাহিৰত গাড়ীৰ হৰ্ণ মৰা শুনিবলৈ পালো। ৰুমীৰ মাকে দুৱাৰখন খুলি দিলে। অ'হ তুমি পালাহি। আহা আজি আমাৰ ৰুমীৰ বন্ধু আহিছে। দেউতাকলৈ চাই মই প্ৰণাম জনালোঁ।

মাকে ক'লে ইউনিভাৰচিটিত একেলগে পঢ়িছিল। তেওঁ এতিয়া দৰং কলেজৰ অধ্যাপক।

দেউতাকেও মোক হাই হেল্ল ৰে কথাবোৰ বৰ স্মাৰ্ট দেখুৱাই সুধি গ'ল। মই প্ৰত্যুত্তৰ দি গ'লো। বুজি পালো ৰুমীৰ দৰেই দেউতাকৰ একেই কথাবোৰ। তাই এজনীয়েই ছোৱালী।

গধূলিহ'ল। মই পৰী হঁতৰ ঘৰলৈ গ'লো। প্ৰথম গৈছো। ঘৰত মই যাম বুলি পৰীৰ ককায়েক আৰু দেউতাক মাকহঁতে আগ্ৰহেৰে বাট চাই আছে। লগতে আইতাকো। মই গৈ পোৱাৰ লগে লগে পৰীয়ে আইতাকক লগতে ঘৰৰ সকলোকে চিনাকি কৰি দিলে। মই আইতাকক সেৱা এটি কৰিলো। আইতাকে মোক কপালত চুমা এটি উপহাৰ দিলে। মোৰ যেন অতীতৰ আইতাৰ উমাল বুকুত হোৱা সেই গোন্ধটোৱে আমনি কৰি গ'ল। মই শান্ত ল'ৰাৰ দৰে বহি সকলো নিৰীক্ষণ কৰিলো।

পৰীৰ দেউতাক এজন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক। ককায়েক স্নাতক উত্তীৰ্ণ হৈ ঘৰতে আছে। চাকৰি বিচাৰি ইফাল সিফাল কৰি আছে। সকলো কথা চাহ খোৱাৰ মাজে মাজে পাতি শেষ কৰিলো। মই অনুমান কৰিলো পৰীয়ে পাকঘৰত মাকক ৰান্ধনী কামত সহায় কৰিছে। মই তেতিয়া আইতাৰ কথাৰ মাজতে ক'লো আইতা আজি মই আপোনালোকৰ ঘৰত ঐটেঙা মাছৰ জোলেৰেহে ভাত খাম। গাঁৱৰ এই খাদ্যবোৰ মোৰ লগতে আমাৰ ঘৰখনৰ বৰ প্ৰিয়। আইতাই হয়নেকি বুলি কৈ পৰীক মাতি টেঙা মাছৰ জোল ৰান্ধিবলৈও ক'লে। ৰাতি ভাত খোৱাৰ পাছত ৰুমীৰ ঘৰলৈকে শুবলৈ গ'লো।

লগত ৰুমীও আছিল। আমি ৰুমীৰ ঘৰলৈ গৈ মাত দিয়াত দেউতাকে দুৱাৰখন খুলি দিলে। আহা বুলি কওঁতেই তেওঁৰ মুখৰ পৰা বিলাতী সুৰাৰ গোন্ধ মোৰ নাকত লাগিলহি। ৰুমীয়ে মোৰ বাবে বিছনা ঠিক কৰি শুবলৈ দিলে।

পিছদিনাখন পুৱাতে মই ঘৰলৈ ওলালো। ৰুমীৰ ঘৰৰ পৰা ওলাই আহোঁতে পৰীকো মাত লগালো। তাই হাতত এটি উপহাৰ মোলৈ আগবঢ়াই হাতত তুলি দি ক'লে - বেয়া নাপাবা পুনৰ আহিবা।

"পুনৰ আহিবা" বুলি কোৱা কথাষাৰ কোৱা আজি দুবছৰ হ'ল। মই মাক পৰীয়ে দিয়া উপহাৰটো দেখুৱাই ক'লো- মা দেউতাৰ লগত পাতিবাচোন। এই উপহাৰটোত থকা আন্তৰিকতাটো মোৰ মনত এতিয়াও সাঁচ বহি আছে। গতিকে কালিলৈ আমি পৰীহঁতৰ ঘৰলৈ গৈ এটি সিদ্ধান্ত কৰি আহো ব'লা। মাক দেউতাক তাৰ কথাত সুখী হ'ল।



চুটি গল্প

# বদনাম

**মেৰী বৰদলৈ**



বদনামলৈ ভয় কৰা ব্যক্তি নাছিল তাই। তাই জানিছিল একেলগে একেখন চোতালতে বহি চাহ-তামোল খাই হাঁহিস্ফূৰ্তি কৰি ফুৰা কেইগৰাকীয়েই তাই বদনাম গাই ফুৰিছিল বুলি, কাৰণ তাই সফলতা আৰু তাই সজোৱা ৰঙীন ফুলনিডৰাক সিহঁতবোৰে পেটেপেটে ভালপোৱা নাছিল। তাই আছিল নম্ৰ প্ৰকৃতিৰ সহজসৰল স্পষ্টবাদী এগৰাকী মহিলা। তাই স্পষ্টবাদিতাক সিহঁতে পচন্দ নকৰিছিল, সেয়ে সিহঁতে তাইক অহংকাৰী আৰু বেয়া মানুহ বুলি আনৰ চোতালত বহি চাহৰ জুতিলৈ তাইক দোষী আৰু বদনামী সজাই তাই গঢ়া সংসাৰখন ধ্বংস কৰি পেলাই ছিল, নিঃশেষ কৰি পেলাইছিল। তথাপি কিন্তু তাই বদনামলৈ ভয় কৰা নাছিল, তাই সদায় নিজৰ মগজুৰ কথা শুনিছিল আৰু নিজৰ ওপৰত হাজাৰ বিশ্বাস ৰাখিছিল সেয়ে তাইক সহজে লঠিয়াই পেলাব পৰা নাছিল কোনোৱে। তাইৰ জীৱনত যিমান কাল-ধুমুহা আহিলেও তাই ধৈৰ্য্য আৰু বিশ্বাসে সেই ধুমুহাক দমন কৰিছিল...।

আজিকালি তাই অকলে থাকিয়েই সুখী অনুভৱ কৰে, বন্ধুত্বৰ নামত তাই মৰমৰ কলমটো আৰু কিছু শব্দ। বন্ধু-বান্ধৱী বুলি কাৰো কাষ নাচাপে তাই....। কোনোবাই যদি মাতষাৰ লগাই তাৰ উত্তৰ এটি হাঁহিৰে দিছিল তাই, তাতকৈ বেছি নহয়... ইমানেই

ঠিকনা ঃ ফুলগুৰি, নগাঁও

গল্প

# ডাৱৰ আঁতৰি গ'ল

**নিবেদিতা হাজৰিকা**

ফৰকাল বতৰটোৱে যে হঠাতে এনে ৰূপ ল'ব সেই কথা তৰাই ভবাই নাছিল।খৰ -খেদাকৈ বাহিৰৰ পৰা কাপোৰ খিনি আনিবলৈ গৈ তৰাই ভাবিলে-মানুহৰ মনবোৰো যেন বতৰৰ লগত সাদৃশ্য থকা। মানুহো বতৰৰ দৰে হোৱা হ'লে অন্তঃত মনত চেপি - খুন্দি থকা কথাবোৰে মন ভাৰাক্ৰান্ত কৰিব নোৱাৰিলে হেঁতেন। আৰু এনে দৰে কৰিব পৰা হ'লে হয়তো তৰাই আজি আকাশৰ দৰে ইচ্ছা মতে বৰষুণ দিয়াৰ দৰে মনৰ দুখবোৰ পাতলাবলৈ ইচ্ছামতে কান্দিব পাৰিলে হেঁতেন।

বাহিৰত শান্ত-সমাহিত তৰাই কিন্তু কাল ধুমুহাৰ দৰে অহা প্ৰস্তাৱটোৰ পাছৰে পৰা বহু উজাগৰী নিশা পাৰ কৰিছিল। বন্ধ কোঠাৰ ভিতৰৰ উতপ্ত বতাহ জাকে তৰাক বাৰুকৈয়ে শ্বাসৰুদ্ধ কৰি তুলিছিল। মনৰ শান্তি হেৰুৱাই তৰা ভিতৰি অস্থিৰ হৈ পৰিছিল।কিন্তু অশেষ কষ্টৰে সেই অস্থিৰতা লুকুৱাই ৰাখিছিল। বন্ধু -বান্ধৱৰ লগতো এই বিষয়ত আলোচনা কৰিবলৈ, তেওঁলোকৰ পৰা পৰামৰ্শ বিচাৰিবলৈ সংকোচ কৰিছিল।প্ৰকৃততে ব্যক্তিগত সমস্যা সমূহ ৰাজহুৱা কৰিবলৈ তৰাই নিবিচাৰে।

পৰিস্থিতিৰ সৈতে খোজ মিলাই চলিব পৰা তৰা সাহসী লগতে ভূত-ভৱিষ্যত চিন্তা কৰিব পৰা মগজুৰে এজনী সচেতন মহিলা। সকলো চিন্তা বা পদক্ষেপ চালি -জাৰি চাই হে লয়। কিন্তু তৰাৰ স্বামী তনয়ে দিয়া প্ৰস্তাৱটো যে কোনো মতেই মানি ল'ব পৰা নাই তৰাই।

তৰাৰ আজিও মনত আছে সেই দিনটোৰ কথা ,যি দিনা তনয়ৰ মুখত আৰু এটা সন্তানৰ কথা ওলাইছিল। তৰা প্ৰথমে আচৰিত হৈছিল আৰু তাৰ পাছত প্ৰায় চিঞৰি কোৱাৰ দৰে কৈছিল - তুমি এইবোৰ কি কৈছা তনয়? আমাৰ দুজনীকে ছোৱালী থকাৰ পাছতো আৰু এটা সন্তান ? আৰু সেই সন্তানৰ নামকৰণো কৰি দিছা ' ল'ৰা সন্তান ' বুলি। শুনা তনয়, তোমাৰ নিচিনা শিক্ষিত আধুনিক মানুহৰ মনত ল'ৰা সন্তানৰ প্ৰতি মোহ দেখি মোৰ ঘৃণা উপজিছে। মই সন্তান জন্ম দিয়া মেচিন নহয়। দানলৈ, পূণ্যলৈ বুলি কোনো কথা নাই। কোনেও কাকো নুখুৱায়।

একেলগে বহু খিনি কথা কৈ তৰা ভাগৰি পৰিছিল। দুয়ো বহু সময় মৌণ হৈ ৰৈছিল আৰু গধুৰ মন এটা লৈ দুয়ো বিছনাত পৰিছিল যদিও টোপনি হ'লৈ অহা নাছিল। দুয়ো নীৰৱে নিজ ভাবত মগ্ন হৈছিল

পিছদিনাৰ পৰা ঘৰখনৰ পৰিৱেশ বহুত সলনি হৈছিল। সময় সুবিধা পালেই ধেমেলীয়া পৰিৱেশৰ সৃষ্টি কৰা তনয়ৰ ব্যৱহাৰ সলনি হৈছিল। তনয়ৰ পৰিৱৰ্তনৰ কাৰণ তৰাই ঠিকেই বুজিছিল। কিন্তু তৰাই ভাবিছিল তনয়ৰ মনৰ পৰিৱৰ্তন হওক।

আৰু সেই দিনটো বৰ সোনকালে তথা আকস্মিক ভাবেই আহিছিল। সমাজৰ ভিন্ন দায়িত্বত থকা তৰাই ঘৰ খনৰ দৰে সমাজৰো বহু কেইটা দায়িত্ব পালন কৰি আহিছিল। সামাজিক ক্ষেত্ৰত তৰা আৰু তনয় আগবঢ়া। ব্যস্ততাৰ মাজতো তনয় আৰু তৰাই সভা -সমিতি আদিত যোগদান কৰে। সেই বাবেই মাজে -মাজে সভা -সমিতিলৈ নিমন্ত্ৰণ পাই থাকে।স্থানীয় মহিলা সকলে আয়োজন কৰা 'নাৰী আৰু কন্যা সন্তানৰ নিৰাপত্তা' শীৰ্ষক সভা খনলৈ তৰা আৰু তনয় দুয়ো গৈছিল ।

সভা শেষ কৰি উভতি আহোতে তৰাই তনয়ৰ পৰিৱৰ্তন লক্ষ্য কৰিছিল।দুয়ো বহু সময় নীৰৱেই আছিল। শেষত তনয়েই নীৰৱতা ভংগ কৰিছিল আৰু দোষী -দোষী ভাবেৰে সিহঁতৰ মাজত চলি থকা শীতল যুদ্ধ খনৰ সমাপ্তি ঘটোৱাৰ কথা কৈছিল।তনয়ে তৰাক কৈছিল - তৰা মই তোমাক দিয়া প্ৰস্তাৱ উঠাই লৈছো। সঁচা সন্তান সন্তানেই। ইয়াত ল'ৰা বা ছোৱালী বুলি কোনো কথা নাই। নিয়াৰিকৈ চলাই থকা ঘৰ খনত মোৰ বাবেই তুমি মনত কষ্ট পাব লগা হ'ল মোৰ বৰ ভুল হ'ল ।প্লিজ মোক ক্ষমা কৰি দিবা। ল'ৰা সন্তানৰ কথা মই আৰু কোনো দিন নাভাবো। আমাৰ ফুলৰ দৰে কুমলীয়া ছোৱালী দুজনীক আমি উপযুক্ত ভাৱে গঢ়ি তুলিম। তনয়ৰ কথাবোৰ শুনি তৰাৰ মনটো বহু দিনৰ মূৰত বৰ মুকলি যেন লাগিল।



# ডিব্ৰুগড় চহৰত যানজঁটৰ সমস্যা দিনে দিনে বৃদ্ধি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ জুন ঃ** ডিব্ৰুগড় চহৰৰ যান-জঁটৰ সমস্যা বহুদিনীয়া। এই ক্ষেত্ৰত সম্পূৰ্ণ বিফল জিলা পৰিবহণ বিভাগ আৰু যানবাহন আৰক্ষী।আজি পৰ্যন্ত সমাধান নহল ডিব্ৰুগড়ৰ'ৰ যান-জঁটৰ সমস্যা। চহৰ খনৰ ভিতৰত বাইক বা স্কুটি এখন থবলৈ ঠাইকন নাই। বজাৰৰ ভিতৰত মাৰোৱাৰীপট্টিৰ পথৰ কথা কবই নালাগে। বছৰ বছৰ ধৰি এঘৰৰৰে দুই তিনিখনকৈ গাড়ী পৰি থাকে। তাৰ প্ৰতি কাৰো ভ্ৰুক্ষেপ নাই। দিনটো মিনি ট্ৰাকৰ দৌৰাত্মৰ কথা ৰাইজে জানে। ডিব্ৰুগড় এতিয়া দ্বিতীয়খন মহানগৰ হল।ডিব্ৰুগড়ত পৌৰনিগম হল।ডিব্ৰুগড়ত অসম চিকিৎসা মহাবিদ্যালয়খনৰ লগতে একুৰিৰো অধিক ব্যক্তিগত চিকিৎসালয় মূল পথৰ কাষতে আছে।ডিব্ৰুগড় জিলাৰ ভিতৰত কেইখনমান দলং হল আৰু কেইবাখনো দলং নিৰ্মাণৰ কাম চলি আছে। ডিব্ৰুগড়খন জাকত জিলিকাই তুলিবলৈ বিভিন্ন প্ৰদক্ষেপ হাতত লৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।ডিব্ৰুগড়ৰৰ ৰাজপথ বহল হোৱা নাই কিন্তু গাড়ী মটৰ প্ৰতিদিন লাখ লাখ যাতায়ত কৰে। লখিমপুৰ অৰুণাচলৰ পৰা ডিব্ৰুগড়লৈ অহাটো সুলভ হল। বিভিন্ন ৰাজ্যৰ পৰা অগণন অতিথি ডিব্ৰুগড়ত গাড়ীলৈ আহি ভ্ৰমণ কৰে। গতিকে চহৰখনত ইমানবোৰ যান-জঁটৰ সমস্যাই দেখা দিয়ে যাৰ বাবে ৰ্সবসাধাৰণ ৰাইজৰ চকু কপালত উঠে।কিন্তু বিভাগীয় কৰ্তৃপক্ষৰ চকুতে নপৰে। ডিব্ৰুগড় জিলা পৰিবহণ কাৰ্য্যালয়ৰ মুৰব্বীয়ে দিয়া জাননী একাংশ চালকে বৃধাঙ্গুষ্ঠ দেখুৱাই নিজৰ মইমতালিৰে নিজ ইচ্ছা মতে ইলেক্ট্ৰিক অটোৰিক্সাবোৰ নগৰ খনৰ ভিতৰত অবাধে চলাই আছে। প্ৰশাসনে নিজাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে যদিও ৰাইজে কৰা কিন্তু দেখা নাই, গতিকে যান-জঁটৰ সমসা সমস্য হৈ ৰল ডিব্ৰুগড় বাসীৰ বাবে, সমাধা নাই। এতিয়া আকৌ নতুন নাটক আৰম্ভ হল,সেই নাটক খনৰ নাম "ইভি ইলেক্ট্ৰিক অ'টো ৰিস্কা"। জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়ৰ আদেশ মতে ইলেক্ট্ৰিক অটো ৰিক্সাৰ গ্ৰাহকৰ পৰা নটাৰীকৃত অণ্ডাৰটেকিং লব লাগিব ডিলাৰে,যে তেওঁলোকে ডিব্ৰুগড় চহৰৰ ভিতৰত তিনি-হুইলাৰ পেচেঞ্জাৰ বাহনৰ পৰ্যাপ্ত সংখ্যাৰ বাবে তেওঁলোকৰ ইভি ইলেক্ট্ৰিক অটো - ৰিক্সা চলাব নোৱাৰিব ডিব্ৰুগড় সদৰ চহৰৰ ভিতৰত। পৰিবহণ বিভাগে আদেশ দিয়ে যদিও একাংশই এই আদেশ পালন নকৰাৰ বাবে ডিব্ৰুগড় চহৰত মৌ মাখিৰদৰে অবাধে ভুনভুনাই ফুৰে এই ইলেক্ট্ৰিক অ'টো ৰিক্সাবোৰে। যিহেতু ডিব্ৰুগড় চেন্টাৰত পাৰ্মিট থকা প্ৰায়ে তিনি হাজাৰতকৈ অধিক তিনি চকীয়া অটো ৰিক্সা চলি আছে।ডিব্ৰুগড়ত ইমানবোৰ আটো ৰিক্সা চলি থকাৰ বাবে জিলা পৰিবহণ কাৰ্য্যালয়ৰ কৰ্তৃপক্ষই এই নিবিদা আহ্বান কৰিছিল যদিও নতুন কৈ অহা গগ' বাজাজ কোম্পানী আৰু মহেন্দ্ৰ কোম্পানীৰ ইলেক্ট্ৰিক অ'টো ৰিস্কাবোৰেৰে ভৰি পৰিছে ডিব্ৰুগড়ৰ চহৰ।ডিব্ৰুগড় সদৰ যানবাহন আৰক্ষীৰ থানাৰ সন্মুখতেই অবিৰাম গতিত চলাই এই থ্ৰি হুইলাৰ গাড়ী, যাৰ বাবে চহৰ খনত যান জঁটৰ অধিক সৃষ্টি হৈছে। কিন্তু এইবোৰ নিয়ন্ত্ৰণত ব্যাৰ্থ, ইয়াৰ অন্তৰালত কি লুকাই আছে সেয়া আন এক সাঁথৰ।ডিব্ৰুগড় যানবাহন আৰক্ষী নিমাত হোৱাৰ আৰৰ কাহিনী কি?ৰাইজৰ স্বাৰ্থত যদি যানবাহন আৰক্ষীৰ লগতে এনফৰ্চমেণ্টৰ বিষয়া সকলে এই বিষয়ত অলপমান গুৰুত্ব দিয়ে ভবিষ্যতে ডিব্ৰুগড় চহৰৰ যান-জঁটৰ সমস্যাৰ পৰা ৰাইজে সকাহ পাব বুলি সচেতন মহলে ভাৱে।

# লখিমপুৰৰ দুই অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীক লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ সন্মান

## সুন্তি মিত্ৰ, প্ৰতিমা মহন্তক 'লখিমপুৰ সৌৰভ সন্মান বঁটা'

**অসম বাৰ্তা, লীলাবাৰী, ২৯ জুন ঃ** অসমৰ শক্তিশালী কাব্য, সাহিত্য, সংস্কৃতিৰ অনুষ্ঠান লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ সৌজন্যত কবি, নৃত্য শিল্পী, অৱসৰী শিক্ষয়িত্ৰী সুন্তি মিত্ৰ আৰু কবি, অৱসৰী শিক্ষয়িত্ৰী প্ৰতিমা মহন্তক 'লখিমপুৰ সৌৰভ সন্মান বঁটা' প্ৰদানৰ এটি কাৰ্যসূচী আজি ৰূপায়ণ কৰে। সেইমৰ্মে ২৮ জুন শনিবাৰে লখিমপুৰ চহৰৰ হাতীলুং বান্তৌস্থিত অৱসৰী শিক্ষয়িত্ৰী সঞ্জীমণি গগৈৰ বাসগৃহ চোতালৰ উমাল পৰিৱেশত অনুষ্ঠিত হৈ যায়। লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ উপদেষ্টা, শিক্ষাবিদ দণ্ডী তামুলীৰ পৌৰহিত্যত অনুষ্ঠিত বঁটা প্ৰদান সভাখনি উদ্বোধন কৰে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ জ্যেষ্ঠ প্ৰচাৰ সম্পাদক, কৃতী শিক্ষক ভোলা নাথ দাসে। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ সাধাৰণ সম্পাদক বিশিষ্ট যুৱ সাহিত্যক কাব্যপ্ৰাণ ৰূপজ্যেতি দত্ত কোচে বহুভাষিক কবি সন্মিলনৰ লক্ষ্য, উদ্দেশ্য, বঁটা প্ৰদানৰ উদ্দেশ্য সুন্তি মিত্ৰ আৰু প্ৰতিমা মহন্তৰ কৰ্মজীৱনৰ সন্দৰ্ভত চমু বক্তব্য আগবঢ়ায়। বহুভাষিকৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক বিকাশ দত্ত, জিল সদস্যা, সমাজসেৱিকা ইন্দিৰা ভৰালী দাস, অৱসৰী শিক্ষয়িত্ৰী সঞ্জীমণি গগৈয়ে মিত্ৰ আৰু মহন্তৰ শৈক্ষিক, সমাজ জীৱন, কাব্য-সাহিত্য, সংস্কৃতিলৈ অৱদান ইত্যাদিৰ সম্পৰ্কত চমু ভাষণ ৰাখে। বঁটা প্ৰাপক দুয়োগৰাকীৰ পৰিয়ালবৰ্গ, ওচৰ-চুবুৰীয়া শুভাকাংক্ষীৰ উপস্থিতিত অনুষ্ঠিত সভাত নৃত্য শিল্পী, কবি, অৱসৰী শিক্ষয়িত্ৰী, সৱবৰহী সুন্তি মিত্ৰ আৰু কবি, অৱসৰী শিক্ষয়িত্ৰী প্ৰতিমা মহন্তক শৈক্ষিক, সমাজ জীৱন, কাব্য-সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ তৰফে "লখিমপুৰ সৌৰভ সন্মান বঁটা-২০২৫" প্ৰদান কৰে। অসম বহুভাষিক কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, উপদেষ্টা, বিশিষ্ট শিক্ষাবিদ দণ্ডী তামুলী ফুকন, সন্মিলনৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বিকাশ দত্ত, জিলা প্ৰচাৰ সম্পাদক, গীতিকাৰ ভোলানাথ দাস, সদস্যাদ্বয় সঞ্জীমণি গগৈ, ইন্দিৰা ভৰালী দাসে সমূহীয়াভাৱে অৰ্পণ কৰা ল বঁটাত শৰাইফুঁঞ্জৰা, প্ৰশস্তি-পত্ৰ, কলম, চেলেং, গামোচা আদি সামগ্ৰী প্ৰদান কৰে। বঁটা সাদৰে গ্ৰহণ কৰি কবিদ্বয়ে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ এনে ব্যতিক্ৰমী ৰুচিশীল পদক্ষেপ সমূহক ভূয়সী প্ৰশংসা কৰি আগলৈও এনে ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ অব্যাহত ৰাখিবলৈ অনুৰোধ জনোৱাৰ লগতে ভৱিষ্যত জীৱনত শৈক্ষিক, কাব্য-সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অধিক সেৱা আগবঢ়াই যাব বুলি মন্তব্য কৰে। সদৌ শেষত উপস্থিত সকলোৰে সুধাকণ্ঠৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে যদিহে অকনো নাভাৱে" শীৰ্ষক কালজয়ী গীতটি পৰিৱেশনৰ অন্তত বঁটা প্ৰদান সভাখনিৰ সামৰণি পৰে।



# গোলাপাৰা-বাংলাপাৰা গাঁও পঞ্চায়তত নৱনিবাচিত দুই সদস্যৰ বিৰুদ্ধে জালিয়াতিৰ অভিযোগ, এজাহাৰ দাখিল

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৯ জুন ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ গোলাপাৰা-বাংলাপাৰা গাওঁ পঞ্চায়তত দুই নৱনিবাচিত পঞ্চায়ত সদস্যৰ বিৰুদ্ধে তথ্য জালিয়াতি কৰাৰ অভিযোগ উত্থাপন কৰি সংবাদমেল দিয়ে কংগ্ৰেছী নেতাই। ইয়াকে লৈ কংগ্ৰেছৰ নেতা মকিবুল ইছলামে সংবাদমেলত দণ্ডাধীশ পৰ্যায়ৰ তদন্ত হোৱা বুলি অভিযোগ উত্থাপন কৰে যদিওঁ পঞ্চায়ত সদস্য দুজনে অস্বীকাৰ কৰে । কালি পঞ্চায়তখনৰ গোলাপাৰাত এক সংবাদমেল আয়োজন কৰি মকিবুল ইছলামে কয় যে পঞ্চায়তখনৰ গোলাপাৰা ৪ৰ্থ খণ্ড উত্তৰ (খণ্ড নং-৩)ৰ নিৰ্বাচিত পঞ্চায়ত সদস্য শাহজামাল আলীয়ে নিজৰ সন্তানৰ ভুৱা তথ্য দাখিল কৰি নিৰ্বাচনত পঞ্চায়ত সদস্য হিচাপে নিৰ্বাচিত হৈছে। আলীৰ প্ৰথমা কন্যা ৰেজিনা আকতাৰৰ ২০১৩ চনত জন্ম লাভ কৰে। দ্বিতীয় কন্যা ছুলতানা আহমেদৰ ২০১৯ত জন্ম লাভ কৰাৰ লগতে পুত্ৰ ইয়ামিম ২০২৪ চনত জন্মলাভ কৰে বুলি সংবাদমেলত উল্লেখ কৰে। স্হানীয় একাংশ লোকে নিৰ্বাচন আয়োগৰ লগতে বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দাখিল কৰে বুলি কয়।আনকি মনোৱাৰ হুছেইন নামৰ যুৱকজনে অভয়াপুৰী আৰক্ষী থানাত Pocso Act 2012 আইন আৰু বাল্যবিবাহৰ অপৰাধত গোছৰ ৰুজু কৰাত আৰক্ষীয়ে GDF NO 41 Dated 23 6 25ৰ অধীনত পঞ্জীয়ন কৰিছে।সাংবাদিকে পঞ্চায়ত সদস্যজনক প্ৰশ্ন কৰাত তেওঁ কয় যে তেওঁৰ নিজৰ বাউদেউৰ কন্যাক নিজৰ ঘৰত ৰাখি লালন-পালন কৰি আছে, আচলতে তেওঁৰ এজনী ছোৱালী আৰু এজন লৰা বুলি কয়। আনহাতে গোলাপাৰা প্ৰথম খণ্ড (খণ্ড নং-৯)ৰ নিৰ্বাচিত পঞ্চায়ত সদস্য ইমৰান হোছেইনৰ বিৰুদ্ধে শিক্ষাগত অৰ্হতা জালিয়াতি কৰাৰ অভিযোগ উত্থাপন কৰি কৰ্তৃপক্ষক অভিযোগ দাখিল কৰিছে বুলি সংবাদমেলত কয়। দুয়োজন নৱনিবাচিত সদস্যৰ বিৰুদ্ধে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত চলিছে বুলি কয়। তথ্য জনাৰ অধিকাৰ আইন ২০০৫ ত এই সকলো তথ্য ওলাই পৰিছে বুলি সংবাদমেলত উল্লেখ কৰে। সংবাদমেল আয়োজন কৰি শীঘ্ৰে দুয়োজনৰ পঞ্চায়ত সদস্য পদ খাৰিচ কৰাৰ লগতে নিৰ্বাচনী আয়োগৰ ওচৰত তথ্য জালিয়াতি কৰাৰ বাবে দৃষ্ঠান্ত মূলক শাস্তি প্ৰদান কৰাৰ দাবী জনায়।ইমৰান হোছেনক সাংবাদিকে প্ৰশ্ন কৰাত কয় যে তেওঁ বালাৰচৰত প্ৰাথমিক বিদ্যালয় আৰু এমই স্কুল পাছ কৰে আৰু দৰিদ্ৰতা বাবে দিল্লীত কাম কৰিবলৈ যায়। তাতে তেওঁ Nios and State open School ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা উত্তীৰ্ণ হয়। একাংশ স্হানীয় সচেতন ব্যক্তিয়ে পঞ্চায়তখনৰ সভানেত্ৰী পদৰ বাবে অভিযোগ প্ৰতি অভিযোগ উত্থাপন হৈছে। সেয়ে দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ দাবী উত্থাপন হৈছে।

# ডুমডুমা মহাবিদ্যালয়ত লম্ভেশ্বৰ সোণোৱাল সোঁৱৰণী পঞ্চম দ্বি-বাৰ্ষিক বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ জুন ঃ** ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত আৰু ইক'নমিক ফ'ৰাম আৰু আভ্যন্তৰীন মান নিশ্চিতকৰণ কোষৰ সহযোগত আজি মহাবিদ্যালয়খনৰ আলোচনা কক্ষত এক মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ একালৰ অধ্যাপক লম্ভেশ্বৰ সোণোৱাল সোঁৱৰণী পঞ্চম দ্বি-বাৰ্ষিক স্মাৰক বক্তৃতা অনুষ্ঠানটি বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে অৰ্থনীতি বিভাগৰ বিভাগৰ অৱসৰী অধ্যাপিকা বীণা দেৱী বৰদলৈ আৰু প্ৰণীতা সন্দিকৈয়ে। বিভাগৰ মুৰব্বী অধ্যাপিকা অঞ্জু কোঁৱৰে আঁত ধৰা অনুষ্ঠানত বীণা বৰদলৈয়ে প্ৰয়াত লম্ভেশ্বৰ সোণোৱালৰ কৃতিত্ব আৰু মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অবদানক সুঁৱৰি তেখেতৰ প্ৰেৰণাত বিভাগটো কেনেদৰে আগবাঢ়ি গৈছিল তাৰ এক নিৰ্মোহ আলোচনা আগবঢ়ায় । অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতাই প্ৰয়াত লম্ভেশ্বৰ সোণোৱালক অৰ্থনীতি বিভাগে এইদৰে সোঁৱৰণ কৰি ৰখাৰ বাবে বিভাগক ধন্যবাদ জ্ঞাপন কৰে । তেখেতে প্ৰসংগত মহাবিদ্যালয় পৰ্য্যায়ত অৰ্থনীতিৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকল ব্যৱহাৰিক আৰু জীৱনমুখী শিক্ষাৰে শিক্ষিত হ'ব পাৰিলেহে প্ৰকৃত শিক্ষা লাভ কৰাৰ গুৰুত্ব থাকিব বুলি উল্লেখ কৰে ।তেখেতে সুস্থ শিক্ষাৰ পৰিৱেশেহে সমাজ উন্নত কৰিব পাৰে বুলিও কয়। অনুষ্ঠানত "সুখৰ অৰ্থনীতি" শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক, তথা নাট্যকাৰ, নিবন্ধকাৰ, ডঃ প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে কয় যে অৰ্থনীতি এক আচৰণ । বিশ্বৰ বিভিন্ন অৰ্থনীতিবিদৰ সংজ্ঞাৰ আঁত ধৰি তেখেতে সুখৰ অৰ্থনীতিৰ বিভিন্ন সংজ্ঞা দাঙি ধৰে । সমাজত সুখৰ অৰ্থনীতি এক নতুন ধাৰণাৰ প্ৰসংগ টানি আনি তেখেতে সমাজত কেৱল টকা, সম্পদ, ৰাজনৈতিক অধিকাৰ আদিয়ে অৰ্থনীতিত সুখৰ সংজ্ঞা নহয় বুলি উল্লেখ কৰে আৰু আচৰণক বিজ্ঞানৰ সৈতে সম্বন্ধ থকাৰ প্ৰসংগ দোহাৰে।ঞ্জ মানুহে জীৱনত সুখ বিচাৰে। কিন্তু, আমি সম্পদক গুৰুত্ব দিওঁ । সম্পদ এক আহিলা । শিক্ষাই সুখী কৰে । ক্ষমতা, সম্পৰ্ক আদিয়ে জীৱন শৈলী পৰিৱৰ্তন কৰিলেও সুখী নহ'বও পাৰে ।ঞ্জ সম্পদে যদি আমাক সুখী কৰিব নোৱাৰে তেন্ত অৰ্থনীতিত কোনো সম্পদ নাথাকে । অৰ্থনীতিত সুখে প্ৰাধান্য পাব লাগে । অৰ্থনীতিয়ে সুখ দিব নোৱাৰিলে সেই অৰ্থনীতিৰ মূল্য নাই বুলি তেখেতে কয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় সংগীত পৰিবেশন কৰে । অনুষ্ঠানত বহুকেইগৰাকী প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আদি কৰি বহু লোক উপস্থিত থাকে । শেষত শলাগৰ শৰাই আগবঢ়ায় ইক'নমিক ফ'ৰামৰ সম্পাদিকা কৰবী বৰাই ।

# শিৱসাগৰত ছাত্ৰীক যৌন নিৰ্যাতনৰ ভয়ংকৰ অভিযোগ

**অসম বাতা, দিচাংমুখ, ২৯ জুন ঃ** শিৱসাগৰ জিলাৰ দিচাংমুখ উদয়জ্যোতি প্ৰাথমিক বিদ্যালয়ত নিযুক্ত উজ্জ্বল ডাৰিক নামৰ এগৰাকী শিক্ষকৰ বিৰুদ্ধে ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উঠাৰ পাছত সমগ্ৰ অঞ্চলতে তীব্ৰ প্ৰতিবাদৰ ঢৌ উঠিছে। সংঘটিত এই ঘটনাৰ অভিযোগ অনুসৰি, অভিযুক্ত শিক্ষকগৰাকীয়ে বিদ্যালয়খনৰ ভিতৰতে ছাত্ৰীৰ ওপৰত একাধিকবাৰ অপৰাধমূলক কাৰ্যকলাপ চলাই অহাৰ লগতে, বিগত সময়তো এনে ব্যৱহাৰৰ অভিযোগ উত্থাপন কৰিছে। অথচ, বিদ্যালয় পৰিচালনা সমিতি আৰু শিৱসাগৰ শিক্ষা বিভাগে অভিযোগ লোৱাৰ পৰিৱৰ্তে চকু মুদা নীৰৱতা অৱলম্বন কৰি ৰক্ষা কৰি অহাৰো অভিযোগ উত্থাপন কৰিছে।অৱশেষত, ভুক্তভোগী ছাত্ৰীৰ অভিভাৱকে দিচাংমুখ আৰক্ষী চকীত অভিযোগ দাখিল কৰি গোচৰ পঞ্জীয়ন কৰে (গোচৰ নং ৯৫ ২৫, পকছো আইনৰ অধীনত)। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও অভিযুক্ত শিক্ষক বৰ্তমানলৈকে পলাতক অৱস্থাত আছে বুলি জানিব পৰা গৈছে।

# শান্তিপূৰত জীয়াই থাকিব বিচৰা এটি জননীৰ হৃদয়বিদাৰক আৱেদন

## 'মোৰ দুজনী কন্যা আছে, মুখ্যমন্ত্ৰী মোক বচাওঁক'

**অসম বাৰ্তা, ডিমৌ, ২৯ জুন ঃ**শিৱসাগৰ জিলাৰ ডিমৌ আৰক্ষী চকীৰ অন্তৰ্গত শান্তিপূৰৰ এটি পৰিয়ালৰ জীৱন-মৃত্যুৰ যুঁজজি থকাঞ্জ হৃদয়বিদাৰক কাহিনীয়ে এতিয়া অঞ্চলজুৰি দুঃখ আৰু সমবেদনা জন্মাইছে। শান্তিপূৰৰ বাসিন্দা মামনি পাল কৌৰ নামৰ এগৰাকী গৃহিণী যোৱা চাৰি মাহ ধৰি জটিল ৰোগত আক্ৰান্ত হৈ বিছনাত পৰি আছে। জীৱনৰ সৈতে সংগ্ৰাম কৰি থকা মহিলাগৰাকী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ আহ্বান জনাই, কান্দি-কান্দি কয় যে—"মোক বচাওঁক মুখ্যমন্ত্ৰী মহোদয়, মই জীয়াই থাকিব বিচাৰোঁ। মোৰ দুজনী কন্যা আছে, মোৰ কোনো নাই।" চকুপানীত ভিজা দুই কণমানি কন্যাই বিছনাত পৰি থকা মাতৃৰ চকু মচি দিয়াৰ দৃশ্য যিকোনো হৃদয়ক বিদীৰ্ণ কৰিব পৰা এক মন-স্পৰ্শী ছবি। মামনিৰ স্বামী কাৰ্তিক কৌৰে পত্নীৰ চিকিৎসাৰ বাবে ঘৰখনৰ সকলো ধন-সম্পত্তি বিক্ৰী কৰি ইতিমধ্যে একেবাৰে নিঃস্ব হৈ পৰিছে। বৰ্তমান পৰ্যন্ত স্থানীয় সহৃদয় লোকে ব্যক্তিগতভাৱে চিকিৎসাৰ বাবে সহায় আগবঢ়াইছে, তথাপি উন্নত চিকিৎসাৰ অভাৱত মহিলাগৰাকীৰ অৱস্থা দিনক দিনে অৱনতি অভিমুখী হৈছে।ঞ্জ কাৰ্তিক কৌৰে সংবাদ মাধ্যমৰ আগত কান্দি-কান্দি কয় যে—"ঘৰৰ সকলো বস্তু বিক্ৰী কৰিলোঁ, এতিয়া মই শূন্য।কন্যাদ্বয়ৰ চকুত মৰম আৰু ভয়। মাকৰ বাবে কান্দে। কিন্তু মই কি কৰিম? ক'লৈ যাওঁ, কাক কওঁ? মোৰ সকলো আশা আৰু ভৰসা এতিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত। তেওঁ সদায় জনতাৰ সহায়ত আগবাঢ়ি আহে বুলি শুনিছোঁ।এইবাৰ মোৰ পত্নীৰ বাবে সহায় কৰা অনুৰোধ জনাওঁ।" এই পৰিয়ালটোৰ দুৰ্ভগীয়া কৰুণ কাহিনীয়ে অঞ্চলবাসীৰ হৃদয় স্পৰ্শ কৰিছে। ইতিমধ্যে স্থানীয় কিছুমান সচেতন নাগৰিক আৰু সামাজিক সংগঠনৰ এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছে যদিও পৰ্যাপ্ত নহয়।সাধাৰণ ৰাইজৰ মাজত এটাই আহ্বান জনাইছে যে—"মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সদায় দুখীয়াৰ সহায় হৈ ওলাই আহে। এইবাৰো জনতাৰ জননীৰ বাবে সহায়ৰ হাত আগবাঢ়াব।" শান্তিপূৰৰ এই জননীৰ জীৱন ৰক্ষা কৰিবলৈ এক দলীয় বা ৰাজনৈতিক নহয়, একান্তই মানৱতাৰ খাতিৰত সমবেদনা, সহানুভূতি আৰু চৰকাৰী সহায়ৰ প্ৰয়োজন।অঞ্চলবাসীয়ে আশা প্ৰকাশ কৰিছেঞ্জ যে—"মামনি পাল কৌৰক নতুন জীৱন দান কৰিব।"

# মুকালমুৱাৰ আদৰ্শ কৃষক ভগৱান পাটোৱাৰীৰ মৃত্যু

**অসম বাৰ্তা, দৌলাশাল, ২৯ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত টেঘেৰিয়াট্টাৰী গাঁৱৰ নিৱাসী, আদৰ্শ কৃষক, ভকত ভগৱান পাটোৱাৰী (৭৫)ৰ আজি বিয়লিৰ ভাগত আকস্মিক মৃত্যু হয় । কিছুদিন ধৰি ৰোগাক্ৰান্ত হৈ থকা ভগৱান পাটোৱাৰীয়ে আজি দুপৰীয়াৰ ভাগত শ্বাস- প্ৰশ্বাসজনিত সমস্যাত ভুগি অস্থিৰ হৈ পৰে। পৰিয়ালৰ লোকে ততাতৈয়াকৈ মুকালমুৱা মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও স্বাস্থ্যৰ অৱস্থা গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হস্পিটাললৈ প্ৰেৰণ কৰে। ভগৱান পাটোৱাৰীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটাল পোৱাৰ পিছত চিকিৎসা লাভৰ পূৰ্বেই মৃত্যুক আকোঁৱালি লয়। ভগৱান পাটোৱাৰীয়ে অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত ভকত হিচাপে আগভাগ লোৱাৰ সমান্তৰালকৈ বিভিন্ন সামাজিক অনুষ্ঠানত ব্যস্ত থকাৰ উপৰিও হকাৰ সন্থাৰ লগত ওতঃপ্ৰতভাৱে জড়িত থাকি সন্থাৰ সভাপতি হিচাপেও কাৰ্যভাৰ কৰিছিল। আদৰ্শবান কৃষক ভগৱান পাটোৱাৰীৰ মৃত্যুৰ খবৰ বিয়পি পৰাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। তেখেতে মৃত্যুৰ সময়ত পত্নী, সাংবাদিক পুত্ৰ ৰবেন পাটোৱাৰী, বোৱাৰী, কন্যা-জোঁৱাই, নাতিকে ধৰি আত্মীয় স্বজনক ইহঁ সংসাৰত এৰি থৈ যায়। আদৰ্শবান কৃষক ভগৱান পাটোৱাৰীৰ মৃত্যুত বৰক্ষেত্ৰীৰ সাংবাদিক মহলৰ লগতে অসম সত্ৰ মহাসভাৰ, নামনিৰ প্ৰচাৰ সম্পাদক প্ৰদীপ বৰক্ষেত্ৰীয়া, বিৰিণা গোষ্ঠী অসমৰ সভাপতি জিয়াউৰ ৰহমান, চিকিৎসক ডাঃ জেহেৰুল ইছলাম, প্ৰাক্তন ছাত্ৰনেতা ক্ৰমে সুৰজিৎ পাঠকে শোক প্ৰকাশ কৰিছে।



# জে ই ই, নীট পৰীক্ষাত উজলিল যোৰহাটৰ ৰিতীষ শ্ৰাৱানী

**অসম বাৰ্তা, নিমাতীঘাট, ২৯ জুন ঃ** যোৰহাট জিলাৰ ৩৬ নং নাওবৈছা পঞ্চায়তৰ অন্তৰ্গত নঁকাৰি গাঁৱৰ নিবাসী মহেন্দ্ৰ শৰ্মাৰ নাতি ৰিতীশ শ্ৰাৱানীয়ে এইবাৰ হৈ যোৱা চি বি এইচ ই দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ৯৬% শতাংশ নম্বৰ, জে ই ই (পৰীক্ষাত ৯৯' ৩৬৮ শতাংশ , চি ই ই পৰীক্ষাত অসমৰ ভিতৰত ১০ নং স্হান লাভ কৰি যোৰহাট জিলা খনলৈ গৌৰৱ কঢ়িয়াই আনিছে । ছাত্ৰ জনে জে ই ই (Advance) পৰীক্ষাত ১২৫২২ নং স্থান লাভ কৰা উপৰিও নীট পৰীক্ষাত ১৪৩৫১ স্থান আৰু ৯৯.৩৪৫ শতাংশ , আই আই এচ ই আৰ সৰ্বভাৰতীয় পৰীক্ষাত ১৬৫ নং স্থান পায় অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে । পিতৃ জয়ন্ত শৰ্মা ও মাতৃ জোনালী শৰ্মাৰ পুত্ৰ ৰিতীশৰ এনে কৃতিত্বত পিতৃ মাতৃ, আত্মীয়ৰ লগতে অঞ্চলবাসীয়েও গৌৰৱ অনুভৱ কৰিছে।

# ডিমাছা সংগঠনে অসমৰ জনজাতীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ আৰু স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, বাগানপাৰা, ২৯ জুন ঃ** ডিমাছা ৰাইটাৰ্জ ফৰামৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মুক্তেশ্বৰ কেম্পাই, ডিমাছা পিপুলচ কাউন্সিলৰ কেন্দ্ৰীয় সমিতিৰ ৰঞ্জিত পৰবোচা, হোজাই জিলাৰ সভাপতি বিনয় হাফিলা আৰু বৃহত্তৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংগঠন বৰ্মন ডিমাছা কছাৰী ছাত্ৰ সন্থা, ডিমাছা পিপুলচ কাউন্সিল আৰু ডিমাছা ছ'চিও কালচাৰ অৰ্গেনাইজেশ্বন সমূহে যৌথভাৱে ২৭ জুনত অসমৰ জনজাতীয় মন্ত্ৰী ডা:ৰণোজ পেগুৰ সৈতে আলোচনাত মিলিত হয় । উক্ত আলোচনাত ১৫জন প্ৰতিনিধি উপস্থিত থাকে । বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰ মন্ত্ৰীক প্ৰদান কৰা হয়। স্মাৰক পত্ৰ উল্লেখ কৰে যে, ব্ৰহ্মপুত্ৰ উপত্যকাত ডিমাছা কছাৰী বসবাস কৰা অঞ্চল সমূহত প্ৰাইমাৰী আৰু প্ৰি-প্ৰাইমাৰী স্কুল সমূহত ডিমাছা ভাষাৰ কিতাপ যোগান ধৰা, ডিমাছা ভাষা শিক্ষক নিযুক্তি দিয়া, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিমাছা মূলীয় বৰ্মন সকলক ডিমাছা কছাৰী হিচাপে স্বীকৃতি প্ৰদান কৰা , ডিমাছা কছাৰী কলা কৃষ্টিৰ উন্নয়নৰ বাবে ব্যৱস্হা গ্ৰহণ কৰা আদি । জনগোষ্ঠীটোৰ বিষয় লৈ এক যোগাত্মক আলোচনা অনুষ্ঠিত হয় । সমস্যা সমূহ সমাধানৰ বাবে পুনৰ আলোচনা লৈ মতা হ'ব বুলি মন্ত্ৰীয়ে কয় । অসমৰ জনজাতীয় মন্ত্ৰী ডা: ৰণোজ পেগুৱে সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰাত সংগঠন সমূহে ধন্যবাদ জ্ঞাপন কৰে ।

# ডিব্ৰুগড়ত ক'লা বেজ পৰিধান কৰি সাংবাদিকৰ প্ৰতিবাদ ঃ ক্ষমা নুখুজিলে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ কাৰ্যসূচীত অংশগ্ৰহণ নকৰাৰ সকীয়নি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ জুন ঃ**অসম চৰকাৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সাংবাদিকক উদ্দেশ্য কৰি কৰা মন্তব্যৰ বিৰুদ্ধে ২৮-৬-২৫ তাৰিখে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ডিব্ৰুগড়ত। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত ডিব্ৰুগড়ৰ সাংবাদিক সকলে থানা চাৰিআলিত ক'লাবেজ পৰিধান কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে আঁতধৰা প্ৰতিবাদী কাৰ্যসূচীত ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি মনজিৎ বৰা উপস্থিত থাকি সাংবাদিকৰ প্ৰশ্ন সোধাৰ অধিকাৰ আছে আৰু সাংবাদিকে বাতৰি পৰিৱেশন কৰিবলৈ বিভিন্ন প্ৰশ্ন সুধিবই বুলি কয়। তেওঁ আৰু কয় যে প্ৰশ্ন সোধতে মন্ত্ৰীগৰাকীয়ে সাংবাদিক সকল আৰু সমাজখনৰ মাজত শ্ৰেণী বিভাজন কৰিব আহিছে আৰু অতি নিম্নস্তৰৰ ভাষ্য প্ৰদান কৰিছে। য'ত গণতন্ত্ৰক মৰ্যদা প্ৰদান কৰা হৈছে,তাত সাংবাদিক সকলক নিমন্ত্ৰণ কৰি এজন চৰকাৰৰ মন্ত্ৰীয়ে সাংবাদিক মেল পাতি সাংবাদিকক তুচ্ছ তাচ্ছিল্য কৰাৰ অধিকাৰ ক'ত পালে বুলি প্ৰশ্ন উত্থাপন কৰি সাংবাদিকৰ প্ৰশ্ন উত্তৰ দিবলৈ সাহস নহ'লে সাংবাদিকক আমন্ত্ৰণ কৰিব নালাগিছিল বুলি মন্তব্য কৰে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অসমবাসীৰ ওচৰত ৰাজহুৱা ক্ষমা খুজিব লাগিব বুলি কৈ লগতে সাংবাদিকৰ স্বকীয়তা, নৈতিকতা, মূল্যবোধ ৰক্ষা কৰি এনে কাৰ্যৰ বিৰুদ্ধে সদায় মাত মাতি যাব বুলি সঁকীয়াই দিয়ে।প্ৰতিবাদত জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তীয়ে অসমৰ সাংবাদিকতাৰ ইতিহাসত এক নজিৰবিহীন ঘটনা বুলি কয়।এগৰাকী চৰকাৰৰ মন্ত্ৰীয়ে চৰকাৰী আঁচনি নীতি বহিৰ্ভূত ভাবে পত্নীৰ নামত উদৰস্হ কৰা ধন সন্দৰ্ভত প্ৰত্যুত্তৰ দিবলৈ গৈ সাংবাদিকক তুচ্ছ তাচ্ছিল্য কৰাটো এক দুখ জনক বিষয় বুলি কয়। ইয়াৰ পৰাই তেওঁ যে দুৰ্নীতিত লিপ্ত তাক একপ্ৰকাৰ মানি লৈছে বুলি কয়। এই চৰকাৰৰ দিনত সু-শাসনৰ প্ৰতিশ্ৰুতি দি হিতাধিকাৰীৰ বাবে অহা তথা প্ৰৱৰ্তিত আঁচনি চৰকাৰৰ একাংশ চোৰে উদৰস্হ কৰা বুলি কৈ সাংবাদিকক উদ্দেশ্য কৰি কৰা মন্তব্য উঠাই ল'বলৈ দাবী কৰে।দেৱজিৎ চুতীয়াই সাংবাদিক সকল গণতান্ত্ৰিক দেশত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কৈ এই চতুৰ্থ স্তম্ভৰ মানুহক সন্মান কৰিব নজনা এনে ধৰণৰ মন্ত্ৰীক সাংবাদিক সকলে বৰ্জন কৰিব হ'ল বুলি কৈ শেহতীয়াকৈ এই চৰকাৰৰ দিনত সাংবাদিক সকলে মুকলি মনেৰে সংবাদ পৰিবেশন কৰিব নোৱাৰা হ'ল বুলি কয়। সাংবাদিকে প্ৰশ্ন কৰিলেই ভাবুকি অহা বুলিকৈ ই এখন সুস্থিৰ গণতান্ত্ৰিক চৰকাৰৰ লক্ষণ নহয় বুলি কয়। জ্যেষ্ঠ ফটো সাংবাদিক সৌৰভ দুৱৰাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰী গৰাকীয়ে ক্ষমা নোখোজা পৰ্যন্ত তেওঁৰ কাৰ্যসূচী বাতৰি কৰাৰ পৰা বিৰত থকাৰ পোষকতা কৰে। প্ৰতিবাদী কাৰ্যসূচীত জেচিম আহমেদে অংশগ্ৰহণ কৰি সাংবাদিক সকলে বাতৰি কৰিবলৈ এতিয়া চৰকাৰী পক্ষৰ পৰাই প্ৰত্যাহ্বান আহি পৰা বুলি কয়। মুক্তামণি হাজৰিকাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘৰলৈ আলহী মাতি আলহীক অপমান কৰা বুলি কৈ কোনো দিন সাংবাদিকৰ বাবে কোনো মাত নমতা জয়ন্ত মল্ল বৰুৱাই এজন সাংবাদিকক নহয়,অসমৰ সাংবাদিকতাৰ ইতিহাসক অপমান কৰা বুলি কয়। টমাছ বুঢ়াগোহাঁইয়ে কয়, ক্ষমতা সদায় নাথাকে, ক্ষমতা থাকিলে অহংকাৰী হ'ব নালাগে। জয়ন্ত মল্ল বৰুৱা অহংকাৰী হৈ নিজৰ দুৰ্নীতি ঢাকিবলৈ সাংবাদিকক লক্ষ্য কৰা বুলি কয়। সাংবাদিক জ্যোতিষ পাতিৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সাংবাদিকে দায়বদ্ধতাৰে জনসাধাৰণৰ পক্ষত থাকি বাতৰি কৰি আহিছে,তেনে ক্ষেত্ৰত এজন মন্ত্ৰীয়ে সাংবাদিকক তল শ্ৰেণীৰ মানুহ বুলি কোৱা কাৰ্য কেতিয়াও মানি লব নোৱাৰি বুলি কয়। স্বয়ং মুখ্যমন্ত্ৰী গৰাকীয়ে সাংবাদিকক তুচ্ছ তাচ্ছিল্য কৰাৰ লগতে তেওঁৰ সোঁৰে বাওঁয়ে থকা পীযুজ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাই সহযোগ কৰি অহা বুলি কয়। ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰে প্ৰতিবাদত অংশগ্ৰহণ কৰি জয়ন্ত মল্ল বৰুৱাৰ লগতে মুখ্যমন্ত্ৰীকো সমালোচনা কৰি সাংবাদিক সকলক সন্মান কৰিব নজনা এইখন চৰকাৰৰ স্বয়ং মন্ত্ৰীয়েই নিজেই নিজৰ দোষ থাকিবলৈ সময়ে সময়ে এনে কাৰ্য কৰা বুলি কয়। ভাৰতীয় গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ প্ৰণৱ শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি স্বয়ং মুখ্যমন্ত্ৰী গৰাকীয়েই এনে বিষয় সমূহৰ নেতৃত্ব দিয়ে। তেওঁৰ এগৰাকী সতীৰ্থ মন্ত্ৰীয়ে সংবাদ মেল সম্বোধন দিছে গতিকে তাত সকলো সাংবাদিক যায়। যদি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে, তেন্তে সংবাদ মেল দিব নালাগিছিল। কিন্তু সাংবাদিকক অপমান কৰাৰ অধিকাৰ নাই। সাংবাদিক বা সংবাদ মাধ্যমৰ বিষয়ে যদি নাজানে, সংবাদ মাধ্যমৰ ইতিহাস যদি নাজানে, অধ্যয়ন কৰি লবলৈ আহ্বান জনায়। সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সম্পাদক পাপু শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এগৰাকী অলগদ্ধ মন্ত্ৰীয়ে ক'ত কেনেদৰে কথা ক'ব লাগে তাক নাজানে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰেই ক্ষমা খুজিবলৈ দাবী কৰি গৰু চিণ্ডিকেট চলোৱা মন্ত্ৰীক মুখ্যমন্ত্ৰীয়ে অপসাৰণ কৰিব লাগে বুলি কয়।মটক যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি বিতোপন দুৱৰাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰী গৰাকীক চোৰ আখ্যা দি নিজৰ অপযশ থাকিবলৈ এনে মন্তব্য কৰি আহিছে বুলি কয়। সাংবাদিকৰ ওপৰত ভুৱা বিষয় জাপি দি, সাংবাদিকক তুচ্ছ তাচ্ছিল্য কৰিয়েই চৰকাৰ চলাব বিচৰা বুলি কৈ জীৱ জন্তুকলৈ ৰাজনীতি,ধৰ্মক লৈ ৰাজনীতি, সাংবাদিকক লৈ ৰাজনীতি, মানুহৰ মানসিকতাক লৈ ৰাজনীতি কৰিছে বুলি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰেই ক্ষমা নুখুজিলে ৰাজ্য জুৰি আন্দোলন কৰা হ'ব বুলি কয়। সাংবাদিক সকলে মন্ত্ৰী গৰাকীৰ বিৰুদ্ধে বিভিন্ন শেগানৰ লগতে সাংবাদিক ঐক্য জিন্দাবাদ, সাংবাদিকক তুচ্ছ-তাচ্ছিল্য কৰা নচলিব, সাংবাদিক নিগ্ৰহ নচলিব, ইত্যাদি বিভিন্ন শ্লোগানেৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সমীপত পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদ স্থলীত ডিব্ৰুগড়ৰ অন্যান্য জ্যেষ্ঠ কনিষ্ঠ সাংবাদিক সকলৰ লগতে অন্যান্য শুভাকাংক্ষী সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

## আমাৰ সমাজৰ আদৰ্শ গাঁৱৰ

ইয়াৰ পাছৰ বা পৰৱৰ্তী গোটটোৱেই হ'লগৈ গাঁও সংগঠন অথবা গ্ৰাম্য সংস্থা। তাহানিৰ গাঁও পৰিৱেশতেই মানুহে যিদৰে সমাজ পাতি বসবাস কৰাৰ কথা ভাৱিলে, তেনে পৰম্পৰা আজিৰ মানুহৰ মাজতো ৰক্ষিত হৈ আছে। গ্ৰাম্য পৰিৱেশত নানানটা বিচিত্ৰতাৰ মাজতো উজলি থাকে এক মূলগত ঐক্য। এনেহেন একতাৰ ভেঁটিতেই উদ্ভাসি উঠে ঐক্য, শান্তি-সম্প্ৰীতি, সংহতি আৰু ভ্ৰাতৃত্ববোধ। গাঁও পৰিৱেশৰ বন্ধু সম্প্ৰীতিৰ গাতে আওজনি দি গঢ় লৈ উঠে মানুহৰ শিক্ষা, সভ্যতা আৰু সংস্কৃতিৰ ভেঁটি। এইক্ষেত্ৰত মানুহৰ ভাৱ-অনুভৱৰ, পাৰস্পৰিক আদান-প্ৰদানৰ আৱেগ-অনুভূতিৰ অতি সৌহাদ্যপূৰ্ণ মাধ্যম হৈছে ভাষা-কৃষ্টি। মানৱ শিশু এটি ভূমিষ্ঠ হোৱাৰ পাছৰে পৰা যিবোৰ পৰিৱেশত প্ৰথম 'মা' বুলি মাতে, কথা-বতৰা আদি পৰিৱেশৰ সাহচৰ্যত ক'বলৈ, শুনিবলৈ আৰু শিকিবলৈ ধৰে সেয়াই আমাৰ হ'য় মাতৃভাষা, যি কলা-কুশলতাৰ মাজত একোলা-দুকোলাকৈ বাঢ়ে আৰু অনুভৱ-অনুভূতি কৰ্ষণ কৰে বা গঢ়িবলৈ লয়, এয়াই কালক্ৰমত হৈ পৰে আমাৰ জনসমাজৰ শিল্প-সংস্কৃতি আৰু স্থাপত্য-ভাস্কৰ্য আদি।

অতীজৰ গাঁওবোৰ আৰু সাম্প্ৰতিকৰ গাঁওবোৰ আজি আকাশ-পাতাল পাৰ্থক্য হৈ পৰিল। তাহানিৰ বাঁহ-কাঠ, নল-খাগৰি, ইকৰা, বৰতা আৰু নৰা-বিৰিণা আদি বন-বিৰিখেৰে তৈয়াৰ কৰা ঘৰ-বাহৰ আদিবোৰ অসমৰ গ্ৰাম্যাঞ্চলত আজি দেখিবলৈকে পাবলৈ নোহোৱা হ'ল। আজি গ্ৰাম্যাঞ্চলৰ শতকৰা ৮০/৯০ ঘৰ মানুহৰে ঘৰ-দুৱাৰবোৰ মাথোঁন সাধাৰণ ঘৰেই হৈ থকা নাই, ইবোৰ ক্ৰমান্বয়ে সুন্দৰ পকীঘৰ হ'ল আৰু প্ৰায় দালান হৈ আহিবলৈ ধৰিছে।

চৰকাৰে আজিকালি কেতবোৰ শোভন আৰু সুন্দৰ আঁচনি প্ৰস্তুত কৰি আদৰ্শ গাঁওলৈ পৰ্যবসিত কৰা কাৰ্যত মনোনিৱেশ কৰিবলৈ ধৰিলে। গতিকে আজিকালি গাঁওবিলাকৰ মাজত নিতৌ প্ৰতিযোগিতা হ'বলৈ ধৰিছে যে কি উপায়েৰেনো এখন গাঁও আদৰ্শ গাঁৱৰ শাৰীলৈ নিব পাৰি।

এতিয়া আহিছোঁ আমি এখন আদৰ্শ গাঁৱৰ লক্ষণ, বৈশিষ্ট্য আৰু উপকৰণ আদিৰ বিশ্লেষণ প্ৰসঙ্গলৈ। চৰকাৰে আজিকালি কিছুমান বিশেষ উপাদান থকা গাঁৱক আদৰ্শ গাঁও হিচাপে স্বীকৃতি দিয়াৰ পৰিকল্পনা লৈ কেতবোৰ তথ্য সম্বলিত গাঁৱৰ ক্ষেত্ৰত কাৰ্যকৰী ভূমিকা লৈছে। এখন আদৰ্শ গাঁও হ'বলৈ গাঁওখনত শিক্ষা-দীক্ষাৰ হাৰ উচ্চ হ'ব লাগিব, মানুহবোৰ সৎ, সাধু, অধ্যয়নপুষ্ট, ধৰ্মপৰায়ণ, কলা-সংস্কৃতিৰ দিশত সৱল শক্তিশালী, সহনশীল, কৰ্মযোগী, সহযোগী, খেতি-বাতি কৰাত পাৰ্গত আৰু অগ্ৰগামী, ঘৰ-বাৰীবোৰ পৰিষ্কাৰ পৰিপাতি আৰু যিকোনো ৰাজহুৱা কাম-কাজত মানুহবোৰ উদ্যমী, আগ্ৰহী তথা কৰ্মতৎপৰ আদি।

গাঁওখনৰ ৰাস্তা-ঘাট, যাতায়তৰ ব্যৱস্থা, দলং, সেঁতু সু-পাৰিপাত্য শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান, অন্যান্য চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠান আদিবোৰো সুশৃংখল আৰু চকুতলগা বিধৰ হ'ব লাগিব। মানুহবোৰ যিকোনো সময়তে সৰল আৰু সাংস্কৃতিক ভাৱাপন্ন হ'ব লাগিব। গাঁৱৰ নামঘৰ, ধৰ্মীয়ক্ষেত্ৰ বা ৰাজহুৱা কাম-কাজ যেনে মেল-মিটিং, ৰাজহুৱা কাম-সকাম, উৎসৱ-পাৰ্বন আদিবোৰ সুশৃংখল আৰু নীতি-নিয়মৰ মাধ্যমেৰে সম্পন্ন হোৱা হ'ব লাগিব। ইয়াৰ উপৰিও গাঁও পৰিৱেশৰ মাজত থকা ৰাজহুৱা খেলপথাৰ বা ষ্টেডিয়াম আদি বিতোপন হোৱাৰ লগতে খেলপথাৰৰ চৌপাশে সৌন্দৰ্য শোভা বৃদ্ধিকাৰক গছ-গছনি আৰু ফুল-ফলৰ গছ ৰোপণ কৰাটোও একান্ত বাঞ্ছনীয়।

কিছু কিছু গাঁৱৰ মধ্যত কেতবোৰ বৰ বৰ ৰজাদিনীয়া পুখুৰী আদিও পৰিলক্ষিত হ'য়। এনেহেন বৰ বৰ পুখুৰীৰ পাৰতো গছ-বিৰিখ ৰোপণ কৰি চৌহদৰ শোভা বঢ়াব পাৰিলে ভাল।

চৰকাৰৰ আদৰ্শ গাঁৱৰ আঁচনিত ইমানবোৰ বিধি-ব্যৱস্থা হয়তো নেথাকিবও পাৰে। পানীয়েই হৈছে প্ৰাণীৰ প্ৰাণ। গাঁও পৰিৱেশত চৰকাৰী আঁচনি সম্বলিত বিশুদ্ধ খোৱাপানীৰ যোগান ব্যৱস্থা থকাটোও বৰ ভাল। আমি সততে একোখন আদৰ্শ গাঁৱৰ সপোন এনেদৰে বা এনেহেন হোৱাৰ সপোন দেখোঁ। পৰিশেষত আমি ইবোৰৰ কাৰ্যকৰণ ব্যৱস্থাৰ আশা কৰোঁ। এয়াই হ'ব আমাৰ সপোনৰ আদৰ্শ গাঁও।

## বৰপেটাত গুটখা ভৰ্তি

গুটখা ভৰ্তি কৰি আহি থকা এখন ট্ৰাক বৰপেটাৰ নগাঁও বৰবিলাত হাইজেক হয়। নাগালেণ্ড ০১ এ চি ২৩০১নম্বৰৰ গুটখাভৰ্তি ট্ৰাক এখন ছয় চকীয়া এ এচ ০১ আৰ চি ০১২৫ নম্বৰৰ ট্ৰাকেৰে আগ ভেটি ধৰি ড্ৰাইভাৰক মাৰি সমুদায় গুটখা ডকাইতৰ দলটোৰ ট্ৰাকত ভৰাই লৈ যায়। ঘটনা সন্দৰ্ভত ২১৩/২৫ নম্বৰত বৰপেটা সদৰ আৰক্ষী থানাত ৰুজু হয় এক গোচৰ। আৰু সেই ট্ৰাকখনৰ পৰা প্ৰায় ২৫ লাখ টকাৰ গুটখা আৰু জৰ্দা সামগ্ৰী লুটি লৈ যায় ।হাইজেকত ব্যৱহাৰ কৰা এ এচ ০১ আৰ চি-০১২৫ নম্বৰৰ ট্ৰাকৰ স্বত্বাধিকাৰী জাহিদুলকে ধৰি কেইবাজনো পলাতক হৈ আছে। বৰপেটাত ডকাইতৰ দলটোৱে নিশা ভাগত বিলাসী বাহন লৈ ৰাজপথত ঘূৰে। সুযোগ পালেই যিকোনো বাহন আগুছি ধৰি ডকাইতি কৰি লুটি পুতি নিয়ে। অসমৰ বিভিন্ন ঠাইত এইদৰে ডকাইতি কৰি আহিছে দলটোৱে ঘটনাটো সংঘটিত হৈছিল যোৱা ২০ জুন, তাৰ পিছতেই ২১ জুন তাৰিখে চালক যুগল ডেকাই বৰপেটা সদৰ থানাত এক লিখিত এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ আধাৰত বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই বৰপেটা জিলাৰ আৰক্ষী দল এটিক নিৰ্দেশ দিয়ে বৰপেটা জিলাৰ উপ আৰক্ষী অধীক্ষক জিতেস বৰ্মন বৰপেটা সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৰ ঘোচ সাব ইন্সপেক্টৰ সত্যজিত বৰঠাকুৰ আৰু ইউ বি চি ৰাহুল দাস সহ আৰক্ষী দল এটি চলাইছিল অভিযান । অভিযানত গুৱাহাটী, পালহাজী, সোণতলী আদিৰ পৰা ৫জন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ধৃত লোকসকলৰ নাম যথাক্ৰমে - ৰেজ্জাক মল্লিক (পালহাজী) ছাহজাহান আলী (বকো), আব্দুল কায়েম (কলতলি চৰ) নুৰুল ইছলাম (সোণতলী), হাফিজুৰ ৰহমান (সোণতলী)। অভিযানৰ সময়ত আৰক্ষীয়ে ১৬ বস্তা গুটখাৰ পেকেট আৰু ৪ বস্তা জৰ্দাৰ পেকেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লগতে, হাইজেকিঙত ব্যৱহাৰ কৰা এখন ট্ৰাক আৰু এখন চাৰিচকীয়া বাহনও জব্দ কৰে আৰক্ষীয়ে। পূৰ্ব পৰিকল্পিতভাৱে সংঘটিত হোৱা এই হাইজেকিঙৰ সৈতে জড়িত অন্যান্য ব্যক্তি আৰু সম্ভাব্য চুৰি চক্ৰটোৰ সন্ধানত। ডিএছপি জীতেশ বৰ্মণে সংবাদমেলত কয় - "আমাৰ অভিযান অব্যাহত আছে। এই কাণ্ডৰ লগত জড়িত বাকী অভিযুক্তসকলকো চিহ্নিত কৰি গ্ৰেপ্তাৰৰ চেষ্টা চলাইছোঁ। আৰু এই হাইজেকিং এটা সু-সংগঠিত গোটৰ দ্বাৰা পৰিচালিত হোৱা সম্ভাৱনা আছে।" ইতিমধ্যে ধৃত অভিযুক্তসকলক আৰক্ষীয়ে জিম্মাত লৈ আৰু অধিক প্ৰাৰম্ভিক তদন্তৰ বাবে জেৰা অব্যাহত ৰাখে। এই ঘটনাৰ লগত জড়িত থকা এজন ও সাৰি যাব নোৱাৰিব বুলি আৰক্ষীয়ে সংবাদমেল যোগে সদৰি কৰে।

## ৰংঘৰৰ বানপানীৰ সমস্যাৰ

গুৰুত্বপূৰ্ণ স্থান পৰিদৰ্শন কৰি বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে ৰংঘৰ পৰিদৰ্শন কৰি বানপানীৰ পৰিস্থিতি আৰু ৰংঘৰত চলি থকা বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ মূল্যায়ন কৰে। ৰংঘৰ বানপানীৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰস্তুত কৰা আঁচনি এক মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ বাবে লোক নিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী গৰাকীয়ে ।ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে ঘোষণা কৰে যে বছৰ বছৰ ধৰি ঐতিহাসিক কীৰ্তিচিহ্নটোক জুৰুলা কৰি অহা দীৰ্ঘদিনীয়া কৃত্ৰিম বানৰ স্থায়ী সমাধানৰ বাবে ঐতিহাসিক আৰু ৰাজ্যৰ চিনাকি ৰংঘৰ সুৰক্ষাৰ বাবে চৰকাৰে এটা নিৰ্দিষ্ট চেনেল তৈয়াৰ কৰিব ।দেওবাৰে শিৱসাগৰ ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী গৰাকীয়ে অসমৰ ঐতিহ্যৰ গৌৰৱময় প্ৰতীক ৰং ঘৰৰ বাবে এটা নিৰ্দিষ্ট নিষ্কাশন চেনেল নিৰ্মাণৰ বিশদ পৰিকল্পনা প্ৰকাশ কৰি আগন্তুক এমাহৰ পৰা দুমাহৰ ভিতৰত ভেটি কাম আৰম্ভ হ'ব বুলি প্ৰকাশ কৰে ।তেওঁ কয় যে, আমি ব্যৱহাৰিক সমাধানৰ বিষয়ে আলোচনা কৰি আহিছো, আৰু অহা এমাহ বা দুমাহৰ ভিতৰত আমি এটা সঠিক নিষ্কাশন পথ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লক্ষ্য ৰাখিছো ।তেওঁ আস্থা প্ৰকাশ কৰে যে ৰাজ্যখনে ১৬ৰ পৰা ১৮ মাহৰ ভিতৰত প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰিছে, ভৱিষ্যত প্ৰজন্মই শলাগ ল'ব পৰাকৈ এক পৰিৱৰ্তিত পৰিৱেশৰ কথা উল্লেখ কৰে ।মুখ্যমন্ত্ৰী শৰ্মাই জিলাখনৰ অ'এনজিচিৰ সীমাবদ্ধ গেছ নিৰ্গত স্থানলৈ আগন্তুক ভ্ৰমণৰ কথাও নিশ্চিত কৰে। তেওঁ পৰিস্থিতি পুনৰীক্ষণ কৰি স্থানীয় বাসিন্দাসকলৰ সৈতে আলোচনা কৰাৰ পৰিকল্পনা কৰিছে ।তেওঁ কয় যে অ'এনজিচিৰ সৈতে আমাক জিলা পৰ্যায়ৰ আলোচনাৰ প্ৰয়োজন ।মই কেপড গেছ লিক ছাইটটো পৰিদৰ্শন কৰি স্থানীয় লোকসকলক লগ কৰিম ।স্থানীয় আপত্তিৰ সন্মুখীন হোৱা অ'আইএললৈ সম্পত্তি হস্তান্তৰ কৰিবলৈ অ'এনজিচিৰ বাবে পূৰ্বৰ পৰামৰ্শৰ ওপৰত শৰ্মাই চিন্তা-চৰ্চা কৰে ।ইয়াৰ উপৰিও শৰ্মাই উল্লেখ কৰে যে বান পৰিস্থিতি সুস্থিৰ হ'লে ৰাজ্যৰ ৰাজধানী দিছপুৰৰ বাহিৰত অনুষ্ঠিত কেবিনেট বৈঠক পুনৰ আৰম্ভ হ'ব ।তেওঁ লগতে কয় যে স্থানীয় প্ৰয়োজনীয়তাৰ সৈতে জড়িত হৈ থাকিবলৈ আমি প্ৰতি বছৰে দিছপুৰৰ বাহিৰত তিনিৰ পৰা চাৰিখন কেবিনেট বৈঠক অনুষ্ঠিত কৰিম ।বানপানীয়ে এই প্ৰথা বন্ধ কৰি দিলে, কিন্তু পৰিস্থিতিৰ উন্নতি হ'লে আমি তিনিখন জিলাত মন্ত্ৰীসভা অনুষ্ঠিত কৰিম।

## বিটিআৰক এটিএম হিচাপে

ভেঁটি নিশেষ কৰিবলৈ বিজেপি উঠিপৰি লাগিছে।" এই মন্তব্য কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে । দেওবাৰে কোকৰাঝাৰৰ তেৰাপন্থ ভৱনত অসম জাতীয় পৰিষদৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে আয়োজিত হোৱা যোগদান কাৰ্যসূচীত উপস্থিত থাকি লুৰিনজ্যোতি গগৈয়ে কৰে এই উক্ত মন্তব্য। বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কঠোৰ ভাষাৰে সমালোচনা কৰি সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে সকলোকে একগোট হ'বলৈ আহ্বান জনায়। বড়ো জাতীয়তাবাদক বিজেপিয়ে শক্তিহীন কৰাৰ পৰিকল্পনাৰ বিষয়ে ভাষণত উল্লেখ কৰি লুৰিণজ্যোতি গগৈয়ে কয় যে, "বড়ো জাতীয়তাবাদ শক্তিশালী হৈ থাকক।বড়ো জাতীয়তাবাদৰ প্ৰতি সন্মান আছে আৰু বড়ো জাতীয়তাবাদৰ এক দীঘলীয়া ইতিহাস আছে। বড়ো জাতীয়তাবাদ শক্তিশালী হৈ থকাৰ লগতে আন জাতি জনগোষ্ঠীৰ সমমৰ্যদা- সমঅধিকাৰ- সম উন্নয়নৰ অটুট থকাৰ কামনা কৰিছে। এই সকলোবোৰ সুৰক্ষিত কৰি ৰাখিবলৈ যুঁজিব পৰা শক্তি আৰু সাহস আছে বাবেই সাংসদ, মন্ত্ৰী, বিধায়ক নথকা সত্বেও তেওঁলোক সাহসেৰে যুঁজিবলৈ আহিছে" বুলি মন্তব্য কৰে লুৰিণজ্যোতি গগৈয়ে ।আনহাতে, সামুহিক জাতীয়তাবাদৰ স্বাৰ্থত সকলোকে একেলগে থিয় হোৱাৰ আহ্বান জনাই দিল্লীয়ে আমাৰ চকুপানী নুবুজিব আৰু সেইকাৰণে সকলোৱে ঐক্যবদ্ধ হৈ যুঁজি ভেটি -মাটি-অধিকাৰ সুৰিক্ষত কৰিব লাগিব বুলিও উল্লেখ কৰে অজাপৰ সভাপতিগৰাকীয়ে। ইপিনে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত লুৰিনজ্যোতি গগৈয়ে তিনি গগৈৰ প্ৰসংগ উত্থাপন কৰি কয় যে, "অকল তিনি গগৈয়ে নহয়, বিজেপিক প্ৰতিহিত কৰিবলৈ সকলোৱে একগোট হ'ব লাগিব। বড়ো, ৰাভা, মিচিং, মৰাণ, মটক, কলিতা, বৰঠাকুৰ, সোণোৱাল, কোচ-ৰাজবংশী আদিকে ধৰি সকলোৱে এইবাৰ একগোট হৈ যুঁজি বিজেপিক এইবাৰ পৰাভূত কৰিম" বুলি মন্তব্য কৰিছে লুৰিণজ্যোতি গগৈয়ে। একেদৰে "অসমৰ খিলঞ্জীয়া লোকে যুঁজিবলৈ ভয় নকৰে" বুলি মন্তব্য কৰি বিজেপিৰ কামেই হ'ল হিন্দু মুছলমানৰ সংঘাত, উচ্চ -নীচৰ বিভাজন, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু জনজাতিৰ বিভাজন আনি শাসন কৰা বুলি মন্তব্য কৰি "বিভাজন আৰু শাসন " নীতি মানি চলা বিজেপিক উৎখাত কৰিবলৈ সকলোৱে প্ৰতি আহ্বান জনাইছে। জনজাতীয় ভূমি কাৰ্বিআংলংত ১৮০০ বিঘা, ডিমাহাচাওত ৩০০০ বিঘা, কোকৰাঝাৰত ৩৬০০ বিঘা মাটি আৱণ্টনৰ বিৰোধিতা কৰি লুৰিণজ্যোতি গগৈয়ে লুণ্ঠন আৰু শোষণকাৰী বিজেপিক উৎখাত কৰিবলৈ সকলোৱে প্ৰতি আহ্বান জনায়। ইপিনে গৰুখুটি প্ৰসংগত লুৰিণজ্যোতি গগৈয়ে কয় যে, "গৰুখুটিত প্ৰক্ৰিয়াগতভাৱে কাম নকৰি নীতি বহিৰ্ভূতভাৱে কাম সম্পন্ন কৰা হৈছে।" মুখ্যমন্ত্ৰী -মন্ত্ৰীয়ে সাংবাদিকক কটু কথাৰে অপমান কৰা সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি লুৰিণজ্যোতি গগৈয়ে কয় যে, "পৰিস্থিতি এনে পৰ্যায় হৈছে যে সাংবাদিকসকলক মুখ্যমন্ত্ৰী-মন্ত্ৰীৰ সংবাদমেলত যাব নোৱাৰা পৰিৱেশৰ সৃষ্টি হৈছে। গৌৰৱ গগৈ পাকিস্থানৰ এজেণ্ট বনাবলৈ যোৱা মুখ্যমন্ত্ৰীৰ আখ্যান এতিয়া তল পৰিল আৰু ৰাইজেও বুজি পালে" বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কঠোৰ ভাষাৰে সমালোচনা কৰে। লুৰিণজ্যোতি গগৈয়ে কয় যে, "আলফাৰ নামত জেললৈ যোৱা মুখ্যমন্ত্ৰীয়ে যিখনত চহী মাৰি ওলাই আহিছিল সেইখন যদি ওলাই দিও মুখ্যমন্ত্ৰীৰ কি হ'ব, সেইসময়ত ১২ গৰাকীয়ে ৰাৱালপিণ্ডিত আইএচআইৰ কেম্পত প্ৰশিক্ষণ লৈ আছিলে আৰু তেওঁলোকৰ লগত হিমন্ত বিশ্ব শৰ্মাৰ কি লিংক আছিল সেয়া ৰাইজৰ আগত কব লাগিব নেকি" বুলিও প্ৰশ্ন উত্থাপন কৰি লুৰিণজ্যোতিয়ে মুখ্যমন্ত্ৰীক যি তি কথা নকবলৈ আৰু পানীগুণ্ডাৰ দৰে দম নিদিবলৈ আহ্বান জনাই কয় যে, "হিমন্তৰ দমক খিলঞ্জীয়াই ভয় নকৰে।"আনহাতে বিটিচিত নিৰ্বাচন খেলাৰ প্ৰস্তুতি তুংগত আছে বুলি মন্তব্য কৰি লুৰিণজ্যোতি গগৈয়ে কয় সকলো সম্ভাৱনাসমূহ পৰ্যবেক্ষণ কৰি থকা হৈছে আৰু বিটিচি নিৰ্বাচনৰ বাবে ৰণকৌশল তৈয়াৰ কৰি থকা হৈছে। অসম জাতীয় পৰিষদৰ ৰণকৌশলৰ বিষয়ে অধিক কবলৈ অস্বীকাৰ কৰি লুৰিণজ্যোতি গগৈয়ে মাথো কয় যে সাম্প্ৰদায়িক বিজেপিক ৰোধ কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব । উল্লেখ্য যে, দেওবাৰে কোকৰাঝাৰৰ তেৰাপন্থ ভৱনত অসম জাতীয় পৰিষদৰ সম্পাদক চিত্তৰঞ্জন বসুমতাৰীৰ পৰিচালনাত পোনপ্ৰথমবাৰৰ অনুষ্ঠিত হোৱা অসম জাতীয় পৰিষদৰ যোগদান সভাত ৩০০ গৰাকী ব্যক্তিয়ে আনুষ্ঠানিকভাৱে অসম জাতীয় পৰিষদত যোগদান কৰে। আজিৰ কাৰ্যসূচীত সাধাৰণ সম্পাদক জগদীশ ভূঞা, উপ-সভাপতি মানিক বড়ো, সম্পাদক চিত্তৰঞ্জন বসুমতাৰী আদিকে ধৰি বহু বিশিষ্টই অংশগ্ৰহণ কৰে।

## উত্তৰাখণ্ডৰ উত্তৰকাশীত

হৈছে। ভূমিস্খলনত ক্ষতিগ্ৰস্ত শ্ৰমিক শিবিৰত থকা ১৯ জন শ্ৰমিকৰ ভিতৰত ১০ জনক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হৈছে। বাকী ৯ জনৰ সন্ধানৰ বাবে উদ্ধাৰ অভিযান অব্যাহত আছে। বিপৰ্যয় ব্যৱস্থাপনা কৰ্তৃপক্ষই নিখোঁজ শ্ৰমিকসকলৰ পৰিচয় চিনাক্ত কৰিছে। তেওঁলোক হৈছে- দুজে লাল (৫৫), কেবল থাপা (৪৩), ৰোশন চৌধুৰী (৪০), বিমলা ৰাণী (৩৬), কল্লুৰাম চৌধুৰী (৫৫), ৰবী (৩৮), ছোটু (২২), প্ৰিয়াংশ (২০), আৰু মনীষ ধামী (৪০)। প্ৰাথমিক তথ্য অনুসৰি, তেওঁলোক এই অঞ্চলত এখন হোটেল নিৰ্মাণৰ কামত নিয়োজিত শ্ৰমিক আছিল। ৰাজ্য বিপৰ্যয় ব্যৱস্থাপনা কৰ্তৃপক্ষই জনোৱা মতে, দেওবাৰে পুৱা প্ৰায় ২:১২ বজাত প্ৰবল বৰষুণৰ তথ্য লাভ কৰাৰ পিছত জিলা জৰুৰীকালীন কাৰ্যকৰণ কেন্দ্ৰই এটা যুটীয়া দল প্ৰেৰণ কৰিছিল। উদ্ধাৰ আৰু ত্ৰাণ কাৰ্যকৰণৰ বাবে আৰক্ষী, ৰাজ্য বিপৰ্যয় সঁহাৰি দল (SDRF), ৰাষ্ট্ৰীয় বিপৰ্যয় সঁহাৰি দল (NDRF), ৰাজহ বিভাগ, স্বাস্থ্য বিভাগ আদিৰ দলসমূহে কাম কৰি আছে। এই স্থানত যমুনোত্ৰী ঘাই পথৰ প্ৰায় ১০-১২ মিটাৰ অংশ বৰষুণত বুৰি গৈছে। পথৰ পুনৰুদ্ধাৰৰ কাম চলি আছে, আৰু সতৰ্কতা হিচাপে আৰক্ষীয়ে চাৰধাম তীৰ্থযাত্ৰীসকলক সুৰক্ষিত স্থানত থাকিবলৈ নিৰ্দেশ দিছে। SDRFৰ বিষয়াসকলে কয় যে প্ৰবল বৰষুণৰ ফলত এটা ডাঙৰ ভূমিস্খলনৰ সৃষ্টি হৈছিল। তাৎক্ষণিকভাৱে ত্ৰাণ আৰু উদ্ধাৰৰ বাবে SDRFৰ এটা দল প্ৰেৰণ কৰা হৈছিল যদিও পথ বন্ধ হৈ থকাৰ বাবে দলটোৱে পদব্ৰজে ঘটনাস্থলীত উপনীত হ'বলগীয়া হৈছিল। এজন বিষয়াই কয়, "শিবিৰত ১৯ জন লোক আছিল, ভূমিস্খলনৰ সময়ত কেইজনমান পলাই গৈছিল। আমি ধাৰণা কৰোঁ বাকীসকল শুই আছিল। তেওঁলোকৰ সন্ধানৰ প্ৰচেষ্টা অব্যাহত আছে।" "জনসাধাৰণৰ সুৰক্ষাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি, প্ৰশাসনে ক্ষতিগ্ৰস্ত পথত যান-বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰিছে আৰু তীৰ্থযাত্ৰীসকলক সুৰক্ষিত স্থানত ৰখা হৈছে। ইফালে, প্ৰবল বৰষুণ আৰু ৰাজ্যজুৰি ভূমিস্খলনৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত গড়ৱালৰ কমিছনাৰ বিনয় শংকৰ পাণ্ডেয়ে চাৰধাম যাত্ৰা এদিনৰ বাবে স্থগিত কৰাৰ কথা ঘোষণা কৰিছে। তেওঁ কয় যে এই সতৰ্কতামূলক ব্যৱস্থা জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা হৈছে, যাতে পথত আবদ্ধ হৈ পৰা তীৰ্থযাত্ৰীসকলে অসুবিধাৰ সন্মুখীন নহয় আৰু তেওঁলোকক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰিব পৰা যায়। সংশ্লিষ্ট জিলা প্ৰশাসনসমূহক সতৰ্ক অৱস্থাত ৰখা হৈছে, আৰু ত্ৰাণ আৰু উদ্ধাৰ দলসমূহ সক্ৰিয় কৰা হৈছে। কমিছনাৰ পাণ্ডেয়ে আৰু কয় যে সোমবাৰে বতৰৰ পৰিস্থিতি আৰু পথৰ অৱস্থা পৰ্যালোচনা কৰি যাত্ৰা পুনৰ আৰম্ভৰ বিষয়ে সিদ্ধান্ত লোৱা হ'ব। তীৰ্থযাত্ৰীসকলক প্ৰশাসনৰ নিৰ্দেশনা মানি চলিবলৈ আৰু বতৰৰ উন্নতি নোহোৱালৈকে তীৰ্থস্থানৰ দিশে আগবাঢ়িবলৈ বিৰত থাকিবলৈ অনুৰোধ জনোৱা হৈছে।

## '২৬ৰ ভিতৰত সম্পূৰ্ণ হ'ব

মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্মাণ প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয় আৰু জড়িত বিভাগসমূহক নিৰ্ধাৰিত সময়সীমাত কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে সংবাদমাধ্যমৰ সৈতে কথা পাতি কয় যে -মেডিকেল কলেজৰ ২০ শতাংশ আৰু কেঞ্চাৰ হস্পিটেলৰ ৬৫ শতাংশ কাম এতিয়ালৈকে সম্পূৰ্ণ হৈছে। সম্পূৰ্ণ প্ৰকল্প দুবছৰ আঢ়ৈ মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ লক্ষ্য লৈ আগবাঢ়িছে। তেৰেঁ লগতে জানিবলৈ দিয়ে যে, নতুনকৈ হাইৱেৰ পৰা কলেজ সংলগ্ন এক ৰাস্তা নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে যাতে পৰ্যটন আৰু সহজ যাতায়াত নিশ্চিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৮৫ বিঘা মাটিৰ ওপৰত সম্পূৰ্ণ প্ৰকল্প চলিব বুলি জানিবলৈ দিয়ে আৰু ভৱিষ্যতে নাৰ্ছিং কলেজ, ডেণ্টেল কলেজ স্থাপনলৈ প্ৰস্তাৱ আহিলেহে আগবাঢ়িব বুলি স্পষ্ট কৰে। স্থানীয় ADR প্ৰক্ৰিয়াৰ জৰিয়তে নিযুক্তি হ'ব, যি উত্তীৰ্ণ হ'ব, সেইসকলেহে কাম পাব। চতুৰ্থ বৰ্গৰ পদসমূহত যাতে স্থানীয় যুৱক-যুৱতীয়ে লাভান্বিত হয়।" পথ নিৰ্মাণৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰি কয় যে - শিৱসাগৰ-ডিমৌ পথছোৱা অলপ লেহেমীয়া, তেওঁ নিজে পৰিদৰ্শন কৰে আৰু ফেব্ৰুৱাৰী ২০২৬ ৰ ভিতৰত কাম সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰে। লগতে ডিচেম্বৰ ২০২৫ ৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথৰ কাম সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে। পথৰ কামত লেহেমীয়া গতিত অস্বস্তি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ সৈতে বৈঠকৰ আশ্বাস দিয়ে। শিৱসাগৰ জিলাবাসীৰ বাবে স্বাস্থ্য খণ্ডত এনে দুটা বৃহৎ প্ৰকল্পই চিকিৎসা সেৱাৰ গুণগতমান উন্নত কৰাৰ লগতে স্থানীয় উন্নয়ন আৰু নিযুক্তি সম্ভাৱনাতো বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰিছে ৰাজ্য চৰকাৰে।

## সাংবাদিকক দুব্যৱহাৰ!

যে, শুকুৰবাৰে গীৰ গাইৰ প্ৰসংগকলৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত স্পষ্টিকৰণ দিবলৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দিছপুৰৰ জনতা ভৱনত এখন সংবাদমেল সম্বোধন কৰিছিল। সংবাদলেলত মন্ত্ৰীগৰাকীয়ে এটা সংবাদ গোষ্ঠীৰ মালিক আৰু মুখ্য সম্পাদকক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। সেই সময়ত সেই সংবাদ গোষ্ঠীটোৰ এজন সাংবাদিকে কেতবোৰ প্ৰশ্নৰ অৱতাৰনা কৰাত মন্ত্ৰীগৰাকী খৰ্গহস্ত হৈ সাংবাদিকজনক "তলৰ শ্ৰেণী"ৰ বুলি কৈ অপমানিত কৰিছিল। এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে প্ৰতিবাদো হৈছিল। আনকি এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীৰ তেনে মন্তব্যৰ বাবে নিজে ক্ষমা খুজিছিল। লগতে মন্ত্ৰীগৰাকীকো ক্ষমা খোজাৰ বাবে ক'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছিল। অৱশেষত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নিজৰ মন্তব্যৰ বাবে সামাজিক মাধ্যমযোগে দুখ প্ৰকাশ কৰে। সামাজিক মাধ্যমযোগে দুখ প্ৰকাশ কৰাৰ লগতে মন্ত্ৰীগৰাকীয়ে সেই নিৰ্দিষ্ট সংবাদ গোষ্ঠীটোৰ মুখ্য সম্পাদকগৰাকীৰ এটা ভিডিঅ'ও আপলোড কৰে। সাংবাদিকক উদ্দেশ্য কৰি মুখ্য সম্পাদকগৰাকীয়ে কৰা মন্তব্যৰ ভিডিঅ'টোৰ যোগেদি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰশ্ন কৰে যে সেই মুখ্য সম্পাদকগৰাকীক প্ৰেছ ক্লাব অথবা সাংবাদিক সমাজে ক্ষমা খুজিবলৈ বাধ্য কৰাব পাৰিবনে? সামাজিক মাধ্যমযোগে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, "সংবাদ জগতৰ সৈতে আমাৰ পৰিয়ালৰ সম্পৰ্ক বহু পুৰণি। মোৰ দেউতাই ২২ বছৰ দৈনিক অসমৰ দৰে এখন প্ৰতিষ্ঠিত কাকতৰ স্থানীয় সংবাদদাতা হিচাপে কাম কৰিছিল। সেয়ে সাংবাদিকৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা সৰুৰে পৰাই গঢ় লৈ উঠিছিল আৰু এই শ্ৰদ্ধা মোৰ অন্তৰত আছিল, আছে আৰু সদায়েই থাকিব।" তেওঁ লগতে কয়, "ইচ্ছাকৃতভাৱে মই কোনো সাংবাদিকক অপমান কৰা নাই, তথাপি মোৰ কথাত যদি কাৰোবাৰ মনত আঘাত লাগিছে তাৰবাবে মই সঁচাকৈয়ে দুঃখিত। লগতে এটা কথা মই বিনম্ৰতাৰে স্পষ্ট কৰি দিব খোজো যে সিদিনাৰ সংবাদমেলত কোনো সাংবাদিকক তুচ্ছ কৰাৰ মানসিকতাৰে মই একো কথা কোৱা নাছিলো, মাত্ৰ এটা নিৰ্দিষ্ট চেনেলৰ এগৰাকী নিৰ্দিষ্ট সাংবাদিকে তেওঁৰ মালিকপক্ষৰ ব্যক্তিগত স্বাৰ্থত উদ্দেশ্য প্ৰণোদিতভাৱে মোক উপৰ্যুপৰি কৰা প্ৰশ্ন (বা একপ্ৰকাৰৰ জেৰা)-ত অতিষ্ঠ হৈ মোৰ মুখেৰে এযাৰ ক'বনলগীয়া বাক্য ওলাই গৈছিল। সেই বাক্যশাৰী মই নিশ্চয় ক'ব নালাগিছিল। মই যদিও এগৰাকী নিৰ্দিষ্ট সাংবাদিকক উদ্দেশ্য কৰি সেই বাক্যশাৰী কৈছিলো, তাক লৈ সমগ্ৰ সাংবাদিক সমাজে দুখ পোৱা বুলি জানি মই নিজেও মনত বৰ আঘাত পাইছো। সেয়ে সকলোকে ভুল নুবুজিবলৈ মই বিনম্ৰতাৰে অনুৰোধ জনাইছো।" তেওঁ কয়, "মোৰ এই অনিচ্ছাকৃত ভুলৰ অচিলা লৈ সেই নিৰ্দিষ্ট সংবাদগোষ্ঠীটোৰ এগৰাকী মুখ্য সম্পাদকে মোৰ ৰাজহুৱা ভাবমূৰ্তি ধ্বংস কৰিবলৈ বিশেষ উদ্যোগ লৈ অহা আমি দেখিবলৈ পাইছো। সেইগৰাকী সাংবাদিকে নিজৰেই সতীৰ্থসকলৰ প্ৰতি নিজে কিমান শ্ৰদ্ধাশীল, সেই কথা বুজিবলৈ সকলোৱে অনুগ্ৰহ কৰি তলৰ ভিডিঅ'টো সম্পূৰ্ণকৈ এবাৰ চাব পাৰে। আশা কৰো, সকলোৱে সকলোৰে প্ৰতি সমদৃষ্টি ৰাখিব। এয়াই মোৰ বিনম্ৰ অনুৰোধ।"

## পৰাগ জৈনক RAWৰ

পঞ্জাৱ কেডাৰৰ ভাৰতীয় পুলিচ সেৱা (IPS) বিষয়া পৰাগ জৈনক ৰিছাৰ্চ এণ্ড এনালাইছিছ উইং (RAW)ৰ নতুন মুৰব্বী হিচাপে নিযুক্তিৰ ঘোষণা কৰিছে। বৰ্তমান এভিয়েশ্যন ৰিছাৰ্চ চেণ্টাৰৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰা জৈনে ২০২৫ চনৰ ১ জুলাইৰ পৰা দুবছৰীয়া কাৰ্যকালৰ বাবে এই নতুন পদ গ্ৰহণ কৰিব, তেওঁৰ পূৰ্বসুৰী ৰবি সিনহাৰ কাৰ্যকাল ৩০ জুনত সমাপ্ত হ'ব। কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে (DoPT) এই নিযুক্তিৰ আনুষ্ঠানিক নিশ্চিতি প্ৰদান কৰিছে, মন্ত্ৰীসভাৰ নিযুক্তি সমিতিৰ অনুমোদনৰ উল্লেখ কৰি। "মন্ত্ৰীসভাৰ নিযুক্তি সমিতিয়ে শ্ৰীপৰাগ জৈন (পিবি: ৮৯)ক কেবিনেট সচিবালয়ৰ অধীনত ৰিছাৰ্চ এণ্ড এনালাইছিছ উইং (RAW)ৰ সচিব পদত দুই বছৰৰ কাৰ্যকালৰ বাবে নিযুক্তিৰ অনুমোদন জনাইছে, পদ গ্ৰহণৰ তাৰিখৰ পৰা বা পৰৱৰ্তী আদেশ নোহোৱালৈকে, যিটো আগতে হয়, FR 56 (d) আৰু অল ইণ্ডিয়া সেৱা (মৃত্যু-কাম-অৱসৰ সুবিধা) নিয়ম, ১৯৫৮ৰ নিয়ম ১৬ (১এ)ৰ বিধান অনুসৰি, " DoPTৰ আদেশত উল্লেখ কৰা হৈছে। জৈনৰ কেৰিয়াৰ জাতীয় সুৰক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ দ্বাৰা চিহ্নিত। তেওঁ অপাৰেশ্যন ছিন্দুৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, এভিয়েশ্যন ৰিছাৰ্চ চেণ্টাৰৰ দ্বাৰা সংগ্ৰহ কৰা গোয়েন্দা তথ্যৰ সহায়ত পাকিস্তানী সন্ত্ৰাসবাদী অৱকাঠামোৰ সঠিক লক্ষ্য নিৰ্ধাৰণত সহায় কৰিছিল। মানৱ গোয়েন্দা (HUMINT) আৰু প্ৰযুক্তিগত গোয়েন্দা (TECHINT)ৰ সংমিশ্ৰণৰ দক্ষতাই তেওঁক কেইবাটাও উচ্চ ঝুঁকিপূৰ্ণ অপাৰেশ্যনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম কৰিছে, যাৰ ফলত তেওঁক গোয়েন্দা মহলত "চুপাৰ ছ্লুথ" হিচাপে উপাধি লাভ কৰিছে। তেওঁৰ অভিজ্ঞতা অপাৰেশ্যন ছিন্দুৰৰ বাহিৰলৈও বিস্তৃত। কেৰিয়াৰৰ প্ৰাৰম্ভত, পঞ্জাৱত বিদ্ৰোহৰ শীৰ্ষ সময়ত, জৈনে ভাটিণ্ডা, মানছা আৰু হোছিয়াৰপুৰত মূল অপাৰেশ্যনমূলক ভূমিকা পালন কৰিছিল। তদুপৰি, তেওঁ কানাডা আৰু শ্ৰীলংকাত ভাৰতক প্ৰতিনিধিত্ব কৰিছে। বিশেষকৈ কানাডাত তেওঁৰ নিযুক্তিৰ সময়ত তেওঁ ক্ৰমবৰ্ধমান খালিস্তানী আন্দোলনৰ বিষয়ে দিল্লীলৈ সময়োপযোগী সতৰ্কবাৰ্তা প্ৰেৰণ কৰি এই বিষয়ত প্ৰত্যক্ষভাৱে কাম কৰিছিল। জ্যেষ্ঠ বিষয়াসকলে জৈনক পদ্ধতিগত আৰু বিচক্ষণ হিচাপে বৰ্ণনা কৰিছে, যিবোৰ গুণ RAWৰ শীৰ্ষ পদৰ দাবীৰ সৈতে খাপ খাই পৰে। তেওঁৰ কেৰিয়াৰৰ পথ উল্লেখযোগ্য, য'ত ২০২১ চনত পঞ্জাৱত ডাইৰেক্টৰ জেনেৰেল অৱ পুলিচ (DGP) পদত পদোন্নতি লাভ কৰাটোও অন্তৰ্ভুক্ত। জৈনৰ নিৰ্বাচনৰ ফলত সিনহাৰ উত্তৰাধিকাৰীৰ বিষয়ে কেইবাসপ্তাহ ধৰি চলি থকা জল্পনা-কল্পনাৰ অৱসান ঘটিছে। তেওঁৰ বিস্তৃত অপাৰেশ্যনমূলক অভিজ্ঞতা আৰু অপাৰেশ্যন ছিন্দুৰৰ দৰে জটিল গোয়েন্দা সংগ্ৰহ অপাৰেশ্যন পৰিচালনাৰ প্ৰমাণিত ক্ষমতাই তেওঁক RAWক নতুন যুগলৈ নেতৃত্ব দিবলৈ স্থান দিছে। তেওঁৰ পটভূমি আৰু গোয়েন্দা সম্প্ৰদায়ৰ ভিতৰত সুনামে সক্ৰিয় গোয়েন্দা সংগ্ৰহ আৰু দ্ৰুত, নিৰ্ণায়ক কাৰ্যকলাপৰ ওপৰত গুৰুত্ব দিয়াৰ ইংগিত দিয়ে।

## কাইলৈ পুনৰ ৯০০ কোটি

নিলামৰ জৰিয়তে এই ঋণ গ্ৰহণ কৰিব ৰাজ্য চৰকাৰখনে। উল্লেখ্য যে দেশৰ মহাগাণনিকে অপ্ৰয়োজনীয় ৰাজহ ব্যয় হ্ৰাসৰ জৰিয়তে ৰাজহুৱা ঋণৰ সুতৰ চাপ পৰিহাৰ কৰিবলৈ বাৰম্বাৰ সকীয়াই আহিছে। আনকি ৰাজ্যৰ দল-সংগঠন সমূহৰ লগতে ব্যক্তিবিশেষে এনেদৰে প্ৰতি মাহে হাজাৰ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ বাবে ৰাজ্য চৰকাৰখনক সমালোচনা কৰি আহিছে। কিন্তু ইয়াৰ পাছতো ৰাজ্য চৰকাৰখনে প্ৰতি মাহে হাজাৰ হাজাৰ কোটি টকাৰ ঋণ লৈয়ে আছে। যাৰ ফলত ৰাজ্যবাসীৰ মূৰৰ ওপৰত থকা ঋণৰ পৰিমাণ নিতৌ বৃদ্ধি পাবলৈ ধৰিছে। ইতিমধ্যে ৰাজ্যবাসীৰ মূৰৰ ওপৰত থকা ঋণৰ বোজা প্ৰায় ১ লাখ ৭০ হাজাৰ কোটি টকাৰো অধিক হৈছেগৈ । ইফালে যোৱা আঠ বছৰত ৰাজ্যখনে সুতৰ বাবত ভৰিব লগীয়া হৈছে প্ৰায় ৪২ হাজাৰ কোটি টকা। প্ৰতিবছৰে সুদৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত আনকি ২০২৩-২৪ বিত্তীয় বৰ্ষত চৰকাৰখনে ভৰিবলগীয়া হৈছিল সৰ্বাধিক ৮৮১৫ কোটি টকাৰ সুদ। আনহাতে ৰাজ্য চৰকাৰখনে ঋণৰ ধনেৰে এখনৰ পাছত আনখনকৈ হিতাধিকাৰী সৃষ্টিকাৰী আঁচনি ৰূপায়ণ কৰিবলৈ ধৰিছে। বিশেষকৈ নগদ ধন প্ৰদান কৰা আৰুণোদয় আঁচনিৰ নামতে প্ৰতি মাহে প্ৰায় ৪০০ কোটি টকা ব্যয় হৈ আছে। তদুপৰি আছে বহুকেইটা আঁচনি। যিবোৰ আঁচনিৰ বাবদ ৰাজকোষৰ পৰা ধন ওলাই গৈ আছে ।লক্ষণীয় বিষয় যে হিতাধিকাৰী আঁচনিক লৈ বিভিন্ন দল-সংগঠনে সমালোচনা কৰি আহিছে যদিও ২০২৬ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নতুন নতুন হিতাধিকাৰী আঁচনি ৰূপায়ণতহে গুৰুত্ব দিছে চৰকাৰখনে। যাৰ ফলত চৰকাৰখনে অনাগত দিনত আৰু অধিক ঋণ লোৱাৰ সম্ভাৱনা আছে।

## '২৬ৰ নিৰ্বাচনত নলবাৰীৰ

দ্ৰআজিৰ সভাত নলবৰীয়া ৰাইজে দীৰ্ঘদিন ধৰি দাবী জনাই অহা বিষয়ৰ ওপৰত আলোচনা কৰা হয়। ৰাইজৰ দাবী ম'তে ৰাইজৰ সামাজিক স্বাৰ্থৰ বাবে জন্ম হোৱা আঞ্চলিক দল হৈছে অগপ। । নিৰ্বাচনৰ পূৰ্বে এন ডি এ চৰকাৰৰ লগত মিত্ৰতা কৰি আহিছে যদিও ৰাইজে অগপ হিচাপেই ভোট দান কৰি আহিছে। আনহাতে আঞ্চলিকতাবাদৰ দুৰ্গ স্বৰূপ নলবাৰীত বিগত বহু বছৰ ধৰি অগপৰ কোনো বিধায়ক-মন্ত্ৰী নথকা হেতুকে এইবেলি ৰাইজে নলবাৰী সমষ্টিৰ পৰা অগপৰ প্ৰাৰ্থীৰ দাবী জনাই। ৰাইজৰ কথা শিৰগত কৰিয়ে আজিৰ সভাখনত আলোচনা কৰা হয় আৰু এইবেলি বিধানসভা নিৰ্বাচনত নলবাৰীৰ পৰা অগপৰ প্ৰাৰ্থীৰ দাবী জনাব বুলিও ব্যক্ত কৰে। উল্লেখ্য যে আগন্তুক নিৰ্বাচনত নলবাৰীৰ পৰা অগপৰ প্ৰাৰ্থীত্বৰ তালিকাত কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাসৰ নামো চৰ্চাত আছে। সেই সন্দৰ্ভত যুৱ নেতা দাসক সাংবাদিকে প্ৰশ্ন কৰাত দাসে জনাই যে যিহেতু দিৰ্ঘদিন ধৰি ৰাজনীতিৰ লগত জড়িত হৈ ৰাইজৰ সেৱা আগবঢ়াই আছোঁ। সেয়ে ৰাইজে আৰু দলে বিছাৰিলে তেওঁৰ কোনো আপত্তি নাথাকিব। লগতে এইটোও জনাই যে টিকত পোৱা-নপোৱালৈ কথা নাই ৰাইজৰ সেৱা সদাই নিষ্ঠা আৰু সততাৰে আগবঢ়াই যাব।

## হেমচন্দ্ৰ বৰুৱাৰ লেগেছী

উন্নয়নৰ ৰাজ সাহায্য কেলেংকাৰীৰ পৰিপ্ৰেক্ষিতত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাত গোলাঘাট আৰক্ষীয়ে বাধা প্ৰদান কৰে। ইয়াৰ লগে লগে কংগ্ৰেছৰ প্ৰতিবাদী সমদলৰ সৈতে গোলাঘাট আৰক্ষীৰ হতাহতি হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে জনসাধাৰণৰ উন্নয়নৰ বিপৰীতে নিজা লাভালাভৰ ওপৰত গুৰুত্ব দি কাৰ্যপন্থা গ্ৰহণ কৰা বিষয় সমূহ পোহৰলৈ আহিছে। গৰুখুটিৰ গীৰ গাই কেলেংকাৰী, দুগ্ধ উন্নয়নৰ ৰাজ সাহায্য মন্ত্ৰী পত্নীৰ সহিতে বিজেপিৰ নেতা কৰ্মীয়ে সৃজন-তোষণ কৰাৰ লগতে সাংবাদিকসকলক উদ্দেশ্য কৰি আগবঢ়োৱা তৰল মন্তব্যৰ বাবে গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সৌজন্যত, জিলা কৃষক কংগ্ৰেছৰ উদ্যোগত আজি গোলাঘাট জিলা কংগ্ৰেছ ভৱনৰ প্ৰাঙ্গনৰ পৰা বাহিৰ কৰা প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক(সাংগঠনিক) দিগন্ত বাইলুঙে সাংবাদিক সকলৰ বিৰুদ্ধে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আগবঢ়োৱা তৰল মন্তব্যক তীব্ৰ সমালোচনা কৰাৰ লগতে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ লিগেছী বিতৰ্ক বিজেপি নেতা-মন্ত্ৰীৰ পৰিকল্পিত কাৰ্য বুলি উল্লেখ কৰে। অসম প্ৰদেশ কংগ্ৰেছ ৰাজীৱ গান্ধী পঞ্চায়তীৰাজ সংগঠনৰ উপাধ্যক্ষা দিপান্বীতা দুৱৰাই গৰুখুটি প্ৰকল্পলৈ আৱণ্টিত গীৰ গাই সমূহ শাসকীয় বিজেপিৰ মন্ত্ৰী, সাংসদ, বিধায়ক, নেতাই ভাগবতোৱাৰা কৰি লোৱা কাৰ্যক ধিক্কাৰ দিয়ে। গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰূপান্তৰ তাঁতীয়ে যুৱ কংগ্ৰেছৰ ফেচবুক পেজৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইচ্ছু ডাইভাৰ্ট কৰিবলৈ তৰল মন্তব্যৰে অসমৰ সমাজ জীৱনত সাম্প্ৰদায়িক বিষ-বাষ্প বিয়পাবলৈ অপচেষ্টা কৰিছে বুলি কয়। গোলাঘাট জিলা কৃষক কংগ্ৰেছৰ অধ্যক্ষ প্ৰদীপ চেতিয়াই অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি, সাংসদ গৌৰৱ গগৈৰ জনপ্ৰিয়তাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেখেতৰ সতীৰ্থসকলে দিগবিদিক হেৰুৱাই পেলাইছে বুলি কয়। গৰুখুটিৰ গীৰ গাই কেলেংকাৰী বন্ধ কৰক, সাংবাদিকৰ অপমান বন্ধ কৰক, বিজেপি দলৰ মন্ত্ৰী-বিধায়ক-নেতা কৰ্মীৰ গীৰ গাই কেলেংকাৰী নচলিব, দুগ্ধ উন্নয়নৰ ৰাজ সাহায্য কেলেংকাৰী নচলিব, সাংসদ দিলিপ শইকীয়া হায় হায়, বিধায়ক পদ্ম হাজৰিকা হায় হায়, বিজেপি হুচিয়াৰ, হিমন্ত বিশ্ব শৰ্মা হায় হায় ইত্যাদি শ-'গান প্ৰদান কৰি প্ৰতিবাদী কাৰ্য উত্তাল কৰি তোলা দেখা যায়। কংগ্ৰেছৰ যুৱ নেতা ভাস্কৰ জ্যোতি বৰাই মন্ত্ৰী আৰু বিধায়ক পত্নীৰ ৰাজ সাহায্য কেলেংকাৰীৰ ন্যায়িক তদন্ত দাবী কৰাৰ লগতে দুগ্ধ উন্নয়নৰ ৰাজ সাহায্য লাভ কৰাত প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰাৰ লগতে অৰুনোদই আচনি ১২৫০ টকা প্ৰদান কৰি অসমৰ মহিলাক আভুৱা ভৰাইছে বুলি কয়। গোলাঘাট জিলা কংগ্ৰেছ মেডিয়া বিভাগৰ অধ্যক্ষ গোপাল কৃষ্ণ খাউণ্ড, গোলাঘাট জিলা কংগ্ৰেছ সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ ৰুস্তম বৰা, জিলা কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক তৌফিক আলি, সাধাৰণ সম্পাদক আশিস ৰাজখোৱা, গোলাঘাট নগৰ ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি নয়নমণি বৰা, পদুমণি ব্লক কংগ্ৰেছৰ সভাপতি জীতেন বৰুৱা, কঠালগুৰি ব্লক কংগ্ৰেছৰ সম্পাদক সমীৰ মজুমদাৰ, গোলাঘাট জিলা যুৱ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তৃষ্ণা চুতীয়া, জিলা যুৱ কংগ্ৰেছৰ সমাজিক মাধ্যম বিভাগৰ সাধাৰণ সম্পাদক কাপুল কৃষ্ণ নাথাকে প্ৰমুখ্যে শতাধিক কংগ্ৰেছ কৰ্মীয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

## অশিক্ষক কৰ্মচাৰী পুৱা

শিক্ষা বিভাগৰ তৰফৰ পৰা। বিশেষকৈ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে বিদ্যালয় পৰিদৰ্শক সকললৈ দিছে কেতবোৰ নিৰ্দেশনা। সেই অনুসৰি উচ্চতৰ মাধ্যমিক স্তৰৰ বাবে নিয়োজিত একাংশ শিক্ষকে হাইস্কুলত পাঠদান কৰিবলৈ ইচ্ছা নকৰে যদিও স্নাতকোত্তৰ শিক্ষকক হাইস্কুল পৰ্যায়ৰ শিক্ষাৰ্থীক ২০২৫-২৬ শৈক্ষিক বৰ্ষত শিক্ষাদান কৰাটো বাধ্যতামূলক কৰি নিৰ্দেশনা জাৰি কৰা হৈছে। নতুন শৈক্ষিক বৰ্ষটোৰ বাবে ৫টা নীতি-নিৰ্দেশনা জাৰি কৰিছে মাধ্যমিক শিক্ষা সঞ্চালকে। ৰাজ্যৰ সকলো বিদ্যালয় পৰিদৰ্শকলৈ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে জাৰি কৰা নীতি-নিৰ্দেশনা অনুসৰি শিক্ষকৰ লগতে কৰ্মচাৰী সকলেও নিৰ্দিষ্ট কৰা সময়ত বিদ্যালয়ত উপস্থিতি দিব লাগিব। সকলো স্নাতকোত্তৰ শিক্ষকে হাইস্কুল শাখাত পাঠদানত নিয়োজিত হ'ব লাগিব। বিদ্যালয়ৰ মুৰব্বীয়ে সেই অনুসৰি সময়সূচী প্ৰস্তুত কৰিব। নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ মুৰব্বী দায়বদ্ধ হ'ব। আনহাতে অধিক তথ্যৰ বাবে উপস্থিতিৰ তথ্য, স্নাতকোত্তৰ শিক্ষকে হাইস্কুলৰ শ্ৰেণীত কৰা পাঠদানৰ প্ৰতিবেদন লিখিত ৰূপত বিদ্যালয়ত ৰাখিব লাগিব। সকলো বিদ্যালয়ে কঠোৰভাৱে মানি চলিবলগীয়া নিৰ্দেশনাসমূহৰ ভিতৰত সকলো শিক্ষকে পুৱা ৯ বজাৰ আগতে বিদ্যালয়ত উপস্থিতি দি শৈক্ষিক দিনপঞ্জীৰ নিৰ্ধাৰিত সময় অনুসৰি কাৰ্য সম্পাদন কৰিব লাগিব। শিক্ষা সেতু এপত উপস্থিতি আৰু প্ৰস্থানৰ দুয়োটা সময় সঠিকভাৱে দিয়াটো বাধ্যতামূলক। প্ৰতিটো শ্ৰেণীৰ শ্ৰেণী শিক্ষকে ব্যক্তিগতভাৱে প্ৰতিজন ছাত্ৰৰ উপস্থিতি লিপিবদ্ধ কৰাৰ দায়িত্ব ল'ব লাগিব। এই কাৰ্য বিদ্যালয়ৰ মুৰব্বীয়ে নিৰীক্ষণ কৰিব লাগিব। বিদ্যালয়সমূহৰ সকলো অশিক্ষক কৰ্মচাৰীয়ে পুৱা ১০ বজাৰ আগতে বিদ্যালয়ত উপস্থিতি দিব আৰু বিয়লি ৪.৩০ বজালৈকে উপস্থিত থাকিব লাগিব। প্ৰয়োজনত বিভাগে বিচাৰিলেই বিদ্যালয়খনৰ সকলো দিশৰ প্ৰতিবেদন দিবলৈ কৰ্মচাৰীসকল সাজু হৈ থাকিব লাগিব।

## পূৰ্বে সংঘাতৰ বাবে পৰিচিত

আত্মবিশ্বাস ফুটবল খেলপথাৰত স্পষ্ট হৈ পৰিছে।" বিটিআৰত চলি থকা বড়োলেণ্ড CEM Cup ৰ কথা উল্লেখ কৰি তেওঁ কয় যে, "এয়া কেৱল প্ৰতিযোগিতা নহয়, এয়া ঐক্য আৰু আশাৰ উদযাপন।" তেওঁ কয় যে, এই প্ৰতিযোগিতাত ৩৭০০ৰো অধিক দল আৰু প্ৰায় ৭০ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে, ইয়াৰে বহু সংখ্যক ছোৱালী। তেওঁ লগতে কয় যে, এই সংখ্যাই বড়োলেণ্ডৰ পৰিৱৰ্তনৰ কাহিনীক প্ৰতিফলিত কৰে। বড়োলেণ্ড এতিয়া দেশৰ ক্ৰীড়া মানচিত্ৰত অধিক উজ্জ্বল হৈ উঠিছে।" এটা সময় আছিল যেতিয়া 'সংঘাত' বড়োলেণ্ডৰ পৰিচয় আছিল। যুৱক-যুৱতীসকলৰ বাবে সুযোগ সীমিত আছিল। কিন্তু আজি তেওঁলোকৰ চকুত নতুন সপোনেৰে ভৰি পৰিছে আৰু তেওঁলোকৰ মাজত আত্মনিৰ্ভৰশীল হোৱা সাহস দেখা গৈছে।" এইদৰে কয় প্ৰধানমন্ত্ৰী মোদীয়ে। হলিচৰণ নাৰ্জাৰী, দুৰ্গা বড়ো, অপূৰ্ণা নাৰ্জাৰী, মনবীৰ বসুমতাৰীৰ দৰে খেলুৱৈৰ কথা উল্লেখ কৰি বড়োলেণ্ডৰ ফুটবল খেলুৱৈয়ে এতিয়া উচ্চ পৰ্যায়ত স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে প্ৰধানমন্ত্ৰীয়ে। তেওঁ কয় যে, এয়া কেৱল নাম নহয়, বৰঞ্চ নতুন প্ৰজন্মৰ পৰিচয় যিয়ে বড়োলেণ্ডক ৰাষ্ট্ৰীয় মঞ্চলৈ লৈ গৈছে। যোৱা ১৫ জুনৰ পৰা চাৰিটা পৰ্যায়ত বিটিআৰৰ পাঁচখন জিলাত আৰম্ভ হৈছে বড়োলেণ্ড চিইএম কাপ ১.০। এই প্ৰতিযোগিতাৰ মুঠ বাজেট ৬.৪৪ কোটি টকা। মুঠ পুৰস্কাৰ ধন ৭২.৫৫ লাখ টকা।

## পুৰীৰ ৰথযাত্ৰাৰ সময়ত

ওচৰত সংঘটিত হয়, য'ত হাজাৰ হাজাৰ ভক্তই ৰথযাত্ৰাৰ আৰম্ভণি চাবলৈ গোট খাইছিল। ঘটনাটোৰ পিছত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝীয়ে এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰি সম্পূৰ্ণ দায়িত্ব স্বীকাৰ কৰিছে। তেওঁ এটা তদন্ত আৰম্ভ কৰাৰ কথা ঘোষণা কৰি নিশ্চয়তা দিছে যে যিসকলৰ এইক্ষেত্ৰত অবহেলা ধৰা পৰিব, তেওঁলোকক কঠোৰ শাস্তি দিয়া হ'ব। মুখ্যমন্ত্ৰী গৰাকীয়ে লগতে কয়, "ভৱিষ্যতে এনে দুৰ্ঘটনা ৰোধ কৰাতো আমাৰ দৃঢ় সংকল্প। ভক্তসকলৰ নিৰাপত্তাই আমাৰ প্ৰথম অগ্ৰাধিকা।"

## পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ উদ্যোগত মুখা নিৰ্মাণ কৰ্মশালাৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ জুন ঃ অসমৰ অন্যতম লোকশিল্প চৰ্চাৰ অনুষ্ঠান নগাঁও জিলাৰ পুৰণিগুদামৰ কলং কলা কেন্দ্ৰই ৰূপালী জয়ন্তী বৰ্ষ উদযাপন উপলক্ষে এইবৰ্ষত অনুষ্ঠিত কৰিছে এখনি পৰম্পৰাগত মুখা নিৰ্মাণ কৰ্মশালা। অহা ৰ জুলাই তাৰিখৰ পৰা জ্জ্ব জুলাইলৈ চলিব লগা কৰ্মশালাখনিত অসমৰ ভাওনা মুখা সজাৰ কৌশল সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। কৰ্মশালাখনি পুৰণিগুদাম স্থিত কলং কলা কেন্দ্ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। কৰ্মশালাৰ বিস্তৃত তথ্যৰ বাবে তলৰ ফোন নম্বৰত যোগাযোগ কৰিবলৈ কলং কলা কেন্দ্ৰৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে। যোগাযোগৰ নম্বৰ- ৭৫৭৬৮৫২৩১১ অথবা ৯৯৫৪৭৩৩৩৪৭।**

# বিশ্বৰ বুকুত নাম উজলাবলৈ সক্ষম সৰুপথাৰৰ কণমানি সংযুক্তা শ্যাম

## ৱৰ্ল্ড জুনিয়ৰ টুৰিজিম এম্বেচাদৰ ২০২৫ত সংযুক্তা শিৰত শ্ৰেষ্ঠ কেট ৱাকৰ মুকুট




**অসম বাৰ্তা, ধনশিৰি, ২৯ জুন ঃ** পুনৰ সৰুপথাৰবাসীক গৌৰৱান্বিত কৰিলে কণমানি সংযুক্তা শ্যাম টুনখামে। মালায়েচিয়াৰ কুৱালালামপুৰত অনুষ্ঠিত হৈ যোৱা ৱৰ্ল্ড জুনিয়ৰ টুৰিজিম এম্বেচাদৰ ২০২৫ত কণমানি সংযুক্তাই অংশগ্ৰহণ কৰি ফিমেল কেটেগৰীৰ বেষ্ট কেটৱাকৰ মুকুট জয় কৰাৰ লগতে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ বক্তাৰ খিতাপো জয় কৰিবলৈ সক্ষম হৈছে। কণমানি সংযুক্তাই প্ৰতিযোগিতাখনৰ প্ৰতিটো ৰাউণ্ডত নিজৰ শ্ৰেষ্ঠ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। সংযুক্তাই ভাৰতবৰ্ষৰ তাজমহল, ঐতিহাসিক শিৱসাগৰ আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিষয়ে ইংৰাজী ভাষাত সাৱলীলভাৱে বৰ্ণনা দি সকলো বিচাৰকৰ মন জয় কৰি শ্ৰেষ্ঠ বক্তাৰ খিতাপ লাভ কৰে। কণমানি সংযুক্তা শ্যামে ইয়াৰ পূৰ্বেও জুনিয়ৰ মিছ ইণ্ডিয়া ২০২৪ খিতাপ জয় কৰি সৰুপথাৰবাসীৰ মাজলৈ গৌৰৱ কঢ়িয়াই আনিছিল। সংযুক্তা শ্যাম সৰুপথাৰৰ ৰজাপুখুৰী অঞ্চলৰ ডঃ নিপন শ্যাম আৰু পাপৰি বুঢ়াগোহাঁই শ্যামৰ কন্যা। গোলাঘাট গুৰুকুল গবেল একাডেমিত পঢ়ি থকা কণমানি সংযুক্তা শ্যামে মাত্ৰ ৯বছৰ বয়সতে বিশ্বৰ বুকুত নাম উজলাবলৈ সক্ষম হোৱাত উৎফুল্ল হৈ পৰিছে ৰজাপুখুৰীৰ লগতে সমগ্ৰ সৰুপথাৰবাসী তথা গোলাঘাটৰ গুৰুকুল গবেল একাডেমি। সংযুক্তাৰ সফলতাত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনকে ধৰি সকলো সৰুপথাৰবাসী ৰাইজে অভিনন্দন জনাইছে।

# আন্তঃজিলা ১৫ বছৰৰ অনুৰ্দ্ধ ছোৱালী ক্ৰিকেটত হোজাইৰ চমকপ্ৰদ জয়

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৯ জুন ঃ** অসমৰ চেমনীয়া ছোৱালী ক্ৰিকেটাৰ সকলৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে অসম ক্ৰিকেট সন্থাৰ জৰিয়তে পৰিচালিত ১৫ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ গ্ৰুপ "১"ৰ তৃতীয়খন খেলত হোজাই জিলা ক্ৰীড়া সন্থাই মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ বিপক্ষে ১০ উইকেটত জয়লাভ কৰিছে । মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ আতিথ্য আৰু ক্ৰিকেট উপসমিতিৰ তত্ত্বাৱধানত ক্ষীৰোদ বৰুৱা স্টেডিয়ামত অনুষ্ঠিত হোৱা আজিৰ খেলত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ দলটোৱে প্ৰথমে বেটিঙ কৰি পৰীনিতা ছেত্ৰীৰ ধৈৰ্যশীল ১৩ আৰু কংকণা পাতৰ সময়োচিত ৮ ৰাণৰ বৰঙনিৰে ১৭-৪ অভাৰত সকলো উইকেট হেৰুৱাই ৫৩ ৰাণ সংগ্ৰহ কৰে । হোজাই জিলা ক্ৰীড়া সন্থাৰ হৈ সুন্দৰ বলিঙ প্ৰদৰ্শনৰে কৌশল্যা সাহু আৰু দিশাৰাণী চৰকাৰে ৩ টাকৈ উইকেট দখল কৰাৰ লগতে দীপাঞ্জলী সাহুয়ে ২ টা উইকেট লাভ কৰে । প্ৰত্যুত্যৰত হোজাই দলে বেটিংত দৃঢ়তা প্ৰদৰ্শন কৰি ঋতিকা মালাকাৰৰ ১৬ আৰু কৌশল্যা সাহুৰ ২৪ ৰাণৰ অৱদানৰ সহায়ত ১০—৪ অভাৰত বিনা উইকেটত ৫৪ ৰাণ সংগ্ৰহ কৰি ১০ উইকেটত জয়লাভ কৰে । অসম ক্ৰিকেট সন্থাৰ পেনেল আম্পায়াৰ হিমাদ্ৰী দাস আৰু সোমৰাজ পালে পৰিচালনা কৰাৰ আজিৰ খেলখনৰ শেষত আয়োজিত এক চমু বঁটা বিতৰণী অনুষ্ঠানত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা হোজাইৰ কৌশল্যা সাহুক প্ৰদান কৰা হয় ।

## সাংবাদিকক অপমান কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ

# দুলীয়াজানত দল সংগঠনসহ সংবাদকৰ্মীৰ প্ৰতিবাদ

**অসম বাৰ্তা, দুলীয়াজান, ২৯ জুন ঃ** অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকক ৰাজহুৱাভাৱে কৰা অপমানৰ বিৰুদ্ধে আজি দুলীয়াজানত বিভিন্ন দল সংগঠনৰ লগতে সমূহ সাংবাদিকে প্ৰতিবাদ সাব্যস্ত কৰে। সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজান আৰু দুলীয়াজান প্ৰেছ ক্লাৱৰ উদ্যোগত আজি সন্ধিয়া দুলীয়াজান মিডিয়া চেণ্টাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীৰ আঁত ধৰে সন্মিলিত সাংবাদিক মঞ্চ দুলীয়াজানৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল শইকীয়াই। উক্ত প্ৰতিবাদী কাৰ্যসূচীত আছুৰ ডিব্ৰুগড় জিলা আৰু দুলীয়াজান আঞ্চলিক সমিতি, অসমীয়া মহিলা মঞ্চ, তাই আহোম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতি, দুলীয়াজান আঞ্চলিক সমিতি, দুলীয়াজান সাহিত্য সভা, মটক যুৱ ছাত্ৰ সন্মিলন, অসমীয়া যুৱ মঞ্চ, চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী সভাত সমবেত লোক সকলে ক'লা বেজ পৰিধান কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা আৰু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমক কৰা তুচ্ছ তাছিল্যৰ বিৰুদ্ধে দুলীয়াজান প্ৰেছ ক্লাৱৰ সভাপতি ব্ৰজেন গগৈ, সম্পাদক দিগন্ত শইকীয়া, দুলীয়াজান সাহিত্য সভাৰ সম্পাদক মনোজ দত্ত, অসমীয়া মহিলা মঞ্চৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদিকা ৰাণু তামূলী, তাই আহোম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰূপম গগৈ, আছুৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক ৰূপাঞ্জিত ৰাজগিৰী, দুলীয়াজান আঞ্চলিকৰ সাধাৰণ সম্পাদক মঞ্জিল প্ৰতীম ডেকা, মটক যুৱ ছাত্ৰ সন্মিলনৰ দুলীয়াজান আঞ্চলিকৰ সম্পাদক দিব্যজ্যোতি বৰুৱা, দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক পবিত্ৰ বৰঠাকুৰ, সন্মিলিত সাংবাদিক মঞ্চ দুলীয়াজানৰ সভাপতি জয়ন্ত ভূঞা আদিয়ে বক্তব্য প্ৰদান কৰে।

# তিনিচুকীয়া জিলাত সাংবাদিকৰ প্ৰতিবাদ

**ষ্টাফ ৰিপৰ্টাৰ , তিনিচুকীয়া, ২৯ জুন ঃ** অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কালি নলবাৰীত অনুষ্ঠিত এক সংবাদমেলত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ নিদি বৰঞ্চ ওলোটাই প্ৰশ্নকৰ্তা সাংবাদিকজনক কটু বাক্যৰে তুচ্ছ - তাচ্ছিল্য কৰা কাণ্ডক আজি ভূমডুমা প্ৰেছ ক্লাবৰ সদস্যসকলে সমৱেত হৈ ক'লা বেজ পৰিধান কৰি মন্ত্ৰী গৰাকীক তীব্ৰ গৰিহণা দিয়ে। আনহাতে কাকপথাৰ প্ৰেছ ক্লাবৰ সদস্যসকলেও কাকপথাৰত অনুৰূপ কাৰ্যসূচী ৰূপায়ন কৰে। ইপিনে তিনিচুকীয়া জিলা সাংবাদিক সন্থাইও মন্ত্ৰীগৰাকীৰ এই কাৰ্যক ধিক্কাৰ দি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক এই ক্ষেত্ৰত মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি গণতান্ত্ৰিক প্ৰমুল্যবোধৰ সন্মান ৰক্ষা কৰিবলৈ আহ্বান জনাইছে । সন্থাৰ সভাপতি ডঃ ঋষি দাস আৰু সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে এক প্ৰেছ বিবৃতিৰ জৰিয়তে কয় যে - "ক্ষমতাই মূৰত ধৰা জয়ন্তমল্ল বৰুৱাই পাহৰি গৈছে যে - ৰাইজে ৰজা পাতিবও পাৰে , ভাঙিবও পাৰে । ক্ষমতা পাই গুৰু গোসাই নমনা কোনো শাসককে ৰাইজে সহ্য নকৰে বুলি সন্থাই মত প্ৰকাশ কৰে । মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ এই অহংকাৰ গণতান্ত্ৰিক দেশ এখনৰ বাবে শুভ নহয় বুলি কৈ মুখ্যমন্ত্ৰী শৰ্মাক তেওঁৰ মন্ত্ৰীসকলক নিয়ন্ত্ৰণ কৰিবলৈ আহ্বান জনায় ।

# ধৰ্মপ্ৰাণ ব্যক্তি দিলীপ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি-স্মৃতিচাৰণ

**পশ্চিম যোৰহাটৰ প্ৰতিবেদক, ২৯ জুন ঃ** পশ্চিম যোৰহাটৰ লখিমী নগৰৰ ৪ নং পথ কাষৰ নিৰাসী দিলীপ বৰুৱা (৬০)-ৰ যোৱা ১৪ জুনত মৃত্যু হয়। আজি বাসগৃহত অনুষ্ঠিত আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি লখিমী নগৰ উন্নয়ন সমিতি, নামঘৰ সমিতি আৰু মহিলা সমিতিয়ে বহুসংখ্যক লোকৰ উপস্থিতিত দিলীপ বৰুৱাক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে স্মৃতিচাৰণ কৰে। এই উদ্দেশ্যে পুৱা দিলীপ বৰুৱাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত ধূপ-দীপ প্ৰজ্বলন কৰে মহেন্দ্ৰ বৰাই। দিলীপ বৰাৰ নেতৃত্বত সকলোৱে প্ৰাৰ্থনা কৰাৰ পাছতে শ্ৰদ্ধাঞ্জলি-পত্ৰ জীৱকান্ত বৰাই পাঠ কৰে আৰু নামঘৰ, উন্নয়ন, মহিলা সমিতিৰ হৈ সভাপতি-সম্পাদসকলে পৰিয়ালৰ লোকসকলক অৰ্পণ কৰে। তাৰপাছতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি স্মৃতিচাৰণ কৰে বিজিত ভাগৱতী, চিদানন্দ দত্ত, দেৱযানী দাস, দীপা সাধনীদাৰ, অসীম কুমাৰ বৰা, ডাক্তৰ অভিজিৎ কুমাৰ গগৈ, মহেন্দ্ৰ দত্ত, ৰমেন শইকীয়া, হেমচন্দ্ৰ শইকীয়া, ড"ৰ প্ৰমোদ চন্দ্ৰ নেওগ, জয়ন্ত মাধৱ শইকীয়া, ৰবীন হাতীবৰুৱা প্ৰমুখ্যে উপস্থিত লোকসকলে। অনুষ্ঠানৰ আঁতধৰে অসীম কুমাৰ বৰাই।

# ভূমিহীনত পৰিণত দুই শতাধিক পৰিয়াল

## বাঘমাৰা চৰত গৰাখহনীয়াৰ সংহাৰী ৰূপত সৰ্বশান্ত গঞা

**অসম বাৰ্তা, শিমলীতোলা, ২৯ জুন ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১ নং বাঘমাৰা চৰৰ খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰি সৰ্বশান্ত কৰিছে দুই শতাধিক পৰিয়াল। স্থানীয় লোকে জনোৱা মতে, দীৰ্ঘদিন ধৰি প্ৰত্যেক বছৰে ১ নং বাঘমাৰা চৰত জলজলী নদীৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বিগত সময়ছোৱাত জলজলীৰ খহনীয়াত অঞ্চলটোৰ কেইবাশ হে"ৰ কৃষিভূমি নদীৰ বুকুত জাহ যোৱাত শতাধিক পৰিয়ালৰ কৃষিভূমি যথেষ্ট হ্ৰাস পাইছে। একাংশ লোকৰ সমস্ত কৃষিভূমি জাহ যোৱাত ভূমিহীনত পৰিণত হৈছে। এনে পৰিস্থিতিত কৃষিৰ ওপৰত নিৰ্ভৰশীল অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়ন প্ৰায় স্থবিৰ হৈ পৰিছে। ইতিমধ্যে জলজলী নদীৰ খহনীয়াৰ কৱলত পৰাৰ বাবেই দুখন চৰকাৰী বিদ্যালয়, শ শ বিঘাকৃষিভূমিৰ লগতে কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰো খহনীয়াত জাহ যোৱাৰ পাছত সম্প্ৰতি ১ নং বাঘমাৰা চৰৰ মূল গাঁওখনৰ প্ৰতিও চৰম ভাবুকি আহিছে। অসম চৰকাৰৰ জলসম্পদ বিভাগ, স্থানীয় বিধায়ক, সাংসদক বাৰে বাৰে অৱগত কৰাৰ পিছত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত উপায়ন্তৰ হৈ প্ৰত্যেক বছৰেই বাৰিষাৰ আগে আগে গাঠিৰ ধনেৰে নদী বান্ধৰ কাম কৰিবলগীয়া হৈছে। ৰাইজৰ বিপদৰ সময়ত সহাৰি নিদিয়া জনপ্ৰতিনিধিক অনাগত দিনত প্ৰয়োজনত প্ৰৱেশ নিষিদ্ধ কৰাৰ দৰে সিদ্ধান্ত লোৱাৰ ওপৰিও আগন্তুক ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ আগতে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ প্ৰদান কৰিছে ভুক্তভোগী ৰাইজে। জলজলী নদীৰ তীব্ৰ গৰাহখহনীয়ৰ পৰা নৈপৰীয়া ৰাইজৰ জীৱন সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থত শীঘ্ৰে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগ, স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদ, চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইনৰ লগতে বৰপেটা জিলা আয়ুক্তক ভুক্তভোগী ৰাইজে দাবী জনাইছে।

# বঙাইগাঁৱত ই-ৰিক্সা চলাচল সন্দৰ্ভত জিলা দণ্ডাধীশৰ নিৰ্দেশনা

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৯ জুন ঃ** কেন্দ্ৰীয় যান-বাহন আইন,১৯৮৯ অনুসৰি ই-ৰিক্সা বা ই-কাৰ্টসমূহ ঘাইপথ সংযোগী স্থানলৈহে যাত্ৰী বা সীমিত পৰিমাণৰ সামগ্ৰী কঢ়িয়াই চলাব পাৰে। তদুপৰি এই বাহনসমূহত লাইট লগোৱাটোও বাধ্যতামূলক। আনহাতে এই বাহনসমূহ কেৱল গ্ৰাম্যাঞ্চলত চলোৱাৰহে অনুমতি আছে যদিও ৰাষ্ট্ৰীয় ঘাইপথতো নিয়ম বহিৰ্ভূতভাৱে বিনাদ্বিধাই চলোৱা দেখা যায়। কেইদিনমান আগতে অনুষ্ঠিত জিলা পথ সুৰক্ষা সমিতিৰ সভাত সদস্যসকলে মত পোষণ কৰিছিল যে ৰাষ্ট্ৰীয় ঘাইপথ বা ৰাজ্যিক ঘাইপথত যথেষ্ট সংখ্যক ই-ৰিক্সা চলোৱা পৰিলক্ষিত হয়, বিশেষকৈ চাপাগুৰিৰ পৰা শ্বহীদ বেদীলৈ আৰু শ্বহীদ বেদীৰ পৰা শালমাৰালৈ দিনে-নিশাই ই-ৰিক্সাসমূহ চলাই থকা দেখা যায় যাৰ ফলত পথ সুৰক্ষাৰ বাবে জিলা পথ সুৰক্ষা সমিতিয়ে কৰা প্ৰয়াস বাধাগ্ৰস্ত কৰিব পাৰে। ৰাষ্ট্ৰীয় ঘাইপথ বা ৰাজ্যিক ঘাইপথত গধুৰ যান-বাহন,মজলীয়া তথা লঘু যান-বাহন নিৰ্দিষ্ট গতিত গৈ নিজৰ গন্তব্য স্থান পোৱাৰ তাগিদা থাকে। ঘাইপথসমূহত বৰ্ধিত সংখ্যক ই-ৰিক্সাৰ চলাচলে খোজকাঢ়ি যোৱা লোকসকলৰ বাবে অসুবিধাৰ সৃষ্টি কৰে তথা দুৰ্ঘটনাৰ কাৰক হ'ব পাৰে।যিহেতু যান-বাহন আইন অনুসৰি জিলা আয়ুক্ত তথা আঞ্চলিক পৰিবহণ প্ৰাধিকৰণৰ অধ্যক্ষক জিলাৰ পৰিসীমাত যান-বাহনৰ চলাচলৰ সুবিধাৰ্থে তথা জনসাধাৰণৰ নিৰাপত্তাৰ খাতিৰত নিষেধাজ্ঞা জাৰি কৰাৰ কৰ্তৃত্ব দিয়া হৈছে সেয়ে জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ নৱদ্বীপ পাঠকে পূৰ্বতে দিয়া নিৰ্দেশনা বাহাল ৰাখি লগতে জিলা পথ সুৰক্ষা সমিতিৰ অলপতে হৈ যোৱা সভাৰ সন্মতি সাপেক্ষে কেবাটাও নিৰ্দেশনা জাৰি কৰিছে।উক্ত নিৰ্দেশনা অনুসৰি ই-ৰিক্সাসমূহ বঙাইগাঁও জিলাৰ পৰিসীমাৰ ভিতৰত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথ,২৭নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ১১৭নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু চাপাগুৰিৰ পৰা পুৰণি বঙাইগাঁও পথেৰে শালমাৰা হৈ অভয়াপুৰী চহৰলৈ- ৰাজ্যিক ঘাইপথছোৱাত চলোৱা নিষেধ কৰা হৈছে। উক্ত নিষেধাজ্ঞা জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু জিলা পৰিবহণ বিষয়াই বলবৎ কৰিব আৰু সংশ্লিষ্ট যান-বাহন আইনৰ দফা অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। নিষেধ কৰা পথত যদি কোনোবা ই-ৰিক্সাই দুৰ্ঘটনা সংঘটিত কৰে তেনেহ'লে ই-ৰিক্সাৰ মালিকক জবাবদিহি কৰি সংশ্লিষ্ট আৰক্ষী থানাত গোচৰ পঞ্জীয়ন কৰা হ'ব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। এই নিৰ্দেশনা অমান্য কৰিলে আইনৰ সংশ্লিষ্ট ধাৰা অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উক্ত নিৰ্দেশনা তৎকালীনভাৱে বলবৎ হ'ব আৰু পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত বাহাল থাকিব বুলিও কোৱা হৈছে।

# মৰিগাঁৱত জ্ঞানমঞ্জৰী আলোচনা চক্ৰৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশন

## প্ৰদীপ পৰাশৰ সভাপতি, সীমা বৰা সম্পাদক নিৰ্বাচিত

**ষ্টাফ ৰিপৰ্ট, মৰিগাঁও, ২৯ জুন ঃ** মৰিগাঁৱৰ সাহিত্য সংস্কৃতি আৰু বৌদ্ধিক চিন্তা চৰ্চাৰ অগ্ৰণী অনুষ্ঠান জ্ঞানমঞ্জৰী আলোচনা চক্ৰৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনখন আজি দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ কাৰ্যালয় গুৰুচৰণ মেধি ভৱনত অনুষ্ঠিত কৰা হ'ব। অধিৱেশনৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰে অনুষ্ঠানটোৰ সভাপতি হৰেন্দ্ৰ বৰাই। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে উপ-সভাপতি প্ৰদীপ পৰাশৰে। আনহাতে বন্তি প্ৰজ্বলন কৰে সম্পাদক জ্যোতিষ বৰ্মন আৰু জ্যেষ্ঠ সদস্য ঋতুৰাজ গোস্বামীয়ে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে প্ৰাক্তন সভাপতি নুৰ মহম্মদ আৰু জ্যেষ্ঠ সদস্য ভবানী ডেকাই। দুপৰীয়াৰ ভাগত হৰেন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় অধিৱেশনৰ প্ৰতিনিধি সভা। সভাখন আনুষ্ঠানিক ভাবে উদ্বোধন কৰে প্ৰাক্তন সভাপতি নুৰ মহম্মদে। সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক জ্যোতিষ বৰ্মনে। সভাত অনুষ্ঠানটোৰ সাংগঠনিক দিশত ওপৰত বক্তব্য ৰাখে ক্ৰমে চন্দ্ৰলেখা গোহাঁই লাহন, পৰমেশ্বৰী ডেকা, প্ৰদীপ পৰাশৰ, স্মৃতিৰেখা গোহাঁই, জাৰ্জিনা বেগম, ড০ নাজমা বেগম, ঋতুৰাজ গোস্বামী প্ৰমুখ্যে কেবাগৰাকীও জ্যেষ্ঠ সদস্যই। অনুষ্ঠানতে পুস্পলতা গোহাঁইয়ে এটি কবিতা আৰু পৰমেশ্বৰী ডেকাই এটা গীত পৰিৱেশন কৰে। ইয়াৰ ওপৰত এটা পৰ্যালোচনামূলক ভাষণ প্ৰদান কৰে শেৱালি শৰ্মা বৰকটকীয়ে। এই সভাতে বিশিষ্ট কবি সাহিত্যিক প্ৰদীপ পৰাশৰক সভাপতি, স্মৃতিৰেখা গোহাঁই, জ্যোতিষ বৰ্মনক উপ-সভাপতি, সীমা বৰাক সম্পাদক, দীপাঞ্জলী গোস্বামীক সহকাৰী সম্পাদক, ঋতুৰাজ গোস্বামী আৰু প্ৰণৱ কুমাৰ ভট্টাচাৰ্যক হিচাপ পৰীক্ষক হিচাপে নিৰ্বাচিত কৰি জ্ঞানমঞ্জৰী আলোচনা চক্ৰৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

# কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিবৰ দ্বাৰা কামৰূপ জিলাৰ ধৰতী আবা জনভাগীদাৰী অভিযানৰ সজাগতা শিবিৰ পৰিদৰ্শন

**ষ্টাফ ৰিপৰ্টাৰ , অসম বাৰ্তা, ২৯ জুন ঃ** কামৰূপ জিলাত ধৰতী আবা জনভাগীদাৰী অভিযানৰ অধীনত চলি থকা এক সজাগতা শিবিৰ আজি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব দেৱলীনা ঠাকুৰে পৰিদৰ্শন কৰে। উল্লেখ্য যে জনজাতীয় সম্প্ৰদায়ৰ লোকৰ সবলীকৰণৰ লক্ষ্যৰে মন্ত্ৰালয়ৰ উদ্যোগত চলি থকা ধৰতী আবা জনভাগীদাৰী অভিযানৰ অংশ হিচাপে সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাতো প্ৰতিটো উন্নয়ন খণ্ডত সজাগতা শিবিৰসমূহৰ আয়োজন কৰা হৈছে। কামৰূপ জিলাত আজি বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত সৰু বাকা চাৰ্চ খেলপথাৰত আয়োজিত শিবিৰ পৰিদৰ্শনৰ সময়ত জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিবগৰাকীয়ে হিতাধিকাৰী আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। আজিৰ শিবিৰত উপস্থিত স্বাস্থ্য, কৃষি, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ বিভাগৰ প্ৰতিনিধি তথা বেংকৰ অগ্ৰণী জিলা প্ৰবন্ধকে জনজাতীয় সম্প্ৰদায়ৰ লোকসকলক আয়ুষ্মান ভাৰত স্বাস্থ্য কাৰ্ড, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পিএম-কিষান), প্ৰধানমন্ত্ৰী জন ধন যোজনা, ৰেচন কাৰ্ড, আধাৰ আৰু ই-শ্ৰমৰ বাবে পঞ্জীয়নৰ দৰে জন কল্যাণমূলক আঁচনিৰ সুবিধা সম্পৰ্কে সজাগ কৰাৰ লগতে আৰু এনে আঁচনিৰ অধীনত হিতাধিকাৰীসকলক পঞ্জীয়নৰো ব্যৱস্থা কৰে। আজি যুটীয়া সচিব দেৱলীনা ঠাকুৰৰ সৈতে কামৰূপৰ সহকাৰী আয়ুক্ত সুনম দাস আৰু বেজেৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাও উপস্থিত থাকে।

# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মগজুৰ বিকাশ শীৰ্ষক কৰ্মশালা

**অসম বাৰ্তা সেৱা, ভক্তৰডোবা, ২৯ জুন ঃ** বৰপেটা জিলাৰ ভিতৰত অন্যতম আৰু জনপ্ৰিয়তা অৰ্জন কৰা 'স্মাৰ্ট গুৰু এবাকাচ আৰু ব্ৰেইন জিম'ৰ উদ্যোগত আৰু ভৱানীপুৰ মহাবিদ্যালয়ৰ 'শিক্ষা সম্প্ৰসাৰণ কোষ'ৰ সহযোগত আজি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সভাকক্ষত ছাত্ৰ ছাত্ৰীৰ মাজত মগজুৰ বিকাশ শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যাপক ৰাজু দাসে আত ধৰা কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মানস কুমাৰ চক্ৰৱৰ্তীয়ে ।আদৰণি ভাষণত তেখেতে কয় যে জন্মগ্ৰহণৰ সময়ত সকলোৰে ব্ৰেইন সমানেই থাকে কিন্তু ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি ই কম বেছি হৈ পৰে। সমল ব্যক্তি হিচাবে 'স্মাৰ্ট গুৰু এবাকাচ আৰু ব্ৰেইন জিম'ৰ পৰিচালন সঞ্চালক উবাইদুল্লা হকে উপস্থিত থাকি ছাত্ৰ- ছাত্ৰী সকলে ব্ৰেইনৰ বিকাশ ঘটাবলৈ হলে কেনেকুৱা ধৰণৰ অনুশীলন, অভ্যাস কৰিব লাগে তাৰ ওপৰত বিস্তৃত ভাবে কয় । তদুপৰি এবাকাচৰ প্ৰাথমিক ধাৰণাখিনি সুন্দৰ বুজাই দিয়ে । শিশু সকলে কি কৌশল অৱলম্বন কৰিলে একাগ্ৰতা ,শিক্ষণ ক্ষমতা,দক্ষতা,ফটোগ্ৰাফিক স্মৃতি শক্তি, সৃজনশীলতা আৰু কল্পনা শক্তি আৰু মস্তিষ্কৰ সঠিক বিকাশ ঘটিব তাৰ ওপৰত বুজাই দিয়ে। কৰ্মশালাত ভৱানীপুৰ চেণ্টাৰ হেড তথা জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত কুমাৰ দাসে মেডিটেচন কি আৰু ইয়াৰ জৰিয়তে কেনেকৈ আত্মশুদ্ধি কৰিব পাৰি সেই সম্পৰ্কে কয় । উক্ত কৰ্মশালাত বৰপেটা চেণ্টাৰ হেড মৰিয়ম জমিলা হক আৰু ইয়াৰ বিষয়-ববীয়, কলগাছিয়া চেণ্টাৰৰ বিষয়-ববীয়া, ভৱানীপুৰ চেণ্টাৰৰ বিষয়-ববীয়া,এবাকাচৰ শিশু আৰু ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী উপস্থিত থাকে। আৰম্ভণিতে অতিথি আদৰণি পৰ্ব পৰিচালনা কৰে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক ৰাজু দাসে আৰু অন্তত শলাগৰ শৰাই আগবঢ়াই ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক তথা শিক্ষা সম্প্ৰসাৰণ কোষৰ সমন্বয়ক ৰূপম মজুমদাৰে।

# মাজুলী মহাবিদ্যালয়ত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ সফল সামৰণি

**উজনী মাজুলী, ২৯ জুন ঃ** মাজুলীৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ মাজুলী মহাবিদ্যালয়ত কালিৰে পৰা অনুষ্ঠিত 'Bioresources Conservation: Challenges and Opportunity on the Dynamic Climate Changes in Northeast India' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰখনিৰ আজি সফল সামৰণি পৰে। 'অনুসন্ধান নেশ্যনেল ৰিচাৰ্চ ফাউণ্ডেশ্যন' আৰু 'জৈৱ প্ৰযুক্তিবিদ্যা বিভাগ'ৰ অৰ্থ সাহাযঞ্জ্যৰে মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ, ইক' ক্লাৱ তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত অনুষ্ঠিত আলোচনাচক্ৰখনিৰ দ্বিতীয় দিনা প্ৰায় শতাধিক অংশগ্ৰহণকাৰীয়ে অনলাইন মাধ্যমেৰে নিজৰ গৱেষণা পত্ৰ পাঠ কৰে। বিয়লিৰ ভাগত আনুষ্ঠানিকভাৱে আলোচনাচক্ৰখনিৰ সামৰণি অনুষ্ঠান আয়োজন কৰঞ্জ হয়। সামৰণী অনুষ্ঠানত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই আলোচনাচক্ৰখনিত হোৱা আলোচনাসমূহে জৈৱ সম্পদ সুৰক্ষাৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে। লগতে মাজুলী মহাবিদ্যালয়ত এনে এটি প্ৰাসংগিক বিষয়ত আলোচনা চক্ৰঅনুষ্ঠিত কৰাৰ সুবিধা প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ দুয়োটা গৱেষণা প্ৰতিষ্ঠানকে কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ পিছত উপস্থিত অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত আৰ্য মহাবিদ্যালয়ৰ অধ্যাপক ডঃ অজয় দাস, ধেমাজি মহাবিদ্যালয়ৰ অধ্যাপক ভাস্কৰ শৰ্মা, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, আই কিউ এ চিৰ সমন্বয়ক ডঃ দেৱজঞ্জ্যঞ্জতি ভট্টাচাৰ্য, জঞ্জ্যঞ্জষ্ঠ অধ্যাপক গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, ডঃ ৰূপজ্যোতি বৰা, সুৰেন চন্দ্ৰ দাস, তুলসী ৰাজখোৱা, বসন্ত বৰা, অপূৰ্বজ্যোতি হাজৰিকা, ডঃ দুলাল হাজৰিকা, ডঃ প্ৰফুল্ল বৰা, প্ৰণৱজঞ্জ্যঞ্জতি বৰা, নৰজিৎ চেলেং, দিনেশ পেগু, ডঃ জুলি গগৈ, ডঃ পল্লৱী দুৱৰা, বিজয় টিমুং, ডঃ অৰূপ বুঢ়াগোহাঁই, ডঃ জয়া কলিতা গগৈ, লেঃ কংকন বৰদলৈ, আচাৰ্য মোহন দাস, ডঃ বিশাল ভূঞা, সুদৰ্শনা ফুকন, অভিনৱ শংকৰ গোস্বামী, বিদিশা ভট্টাচাৰ্য, বিশাল শইকীয়া, প্ৰজ্ঞা পাৰমিতা কৌশিকে প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশ লৈ অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত সহায় কৰে। আলোচনাচক্ৰখনি সাফল্যমণ্ডিত হোৱাত অৰিহণা যোগোৱা সকলোকে শলাগ জ্ঞাপন কৰে সমন্বয়ক ডঃ মহঃ আমিনুল ইছলামে। উল্লেখঞ্জ্য, মাজুলীৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ মহাবিদ্যালয়খনত অনুষ্ঠিত এই বিশেষ আলোচনাচক্ৰখনত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক অংশগ্ৰহণকাৰীয়ে নিজৰ গৱেষণা পত্ৰ পাঠ কৰে।

# উত্তৰ গুৱাহাটীত 'অপ্টিমিষ্টা' এনজিঅ'ৰ গছপুলি ৰোপণ কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, ২৯ জুন ঃ** উত্তৰ গুৱাহাটীৰ উত্তৰ ফুলুংত অৱস্থিত গুৱাহাটী টাউন ক্লাবৰ খেল পথাৰত শনিবাৰে অসমৰ অন্যতম এক লেখত লবলগীয়া সামাজিক অনুষ্ঠান "অপ্টিমিষ্টা"ই তেওঁলোকৰ উৎকৰ্ষ যাত্ৰা কাৰ্যসূচীৰ অধীনত প্ৰায় ১০০ জোপা মূল্যবান গছ পুলি ৰোপণ কৰে।"অপ্টিমিষ্টা"ৰ সঞ্চালিকা তৃবেণী ভট্টাচাৰ্যই কয় যে গছ পুলি ৰোপণকে ধৰি যুৱ সমাজৰ মানসিক স্বাস্থ্যৰ ওপৰত সজাগতা মূলক কাম কাজৰ লগতে বিভিন্ন বিষয়ত আগ্ৰহী ছাত্ৰ ছাত্ৰী সকলৰ বাবে শিক্ষা মূলক প্ৰশিক্ষণ প্ৰদানৰ কাম কৰি অহাৰ লগতে সমাজখনৰ উত্তৰণৰ বাবে ভিন ভিন সামাজিক কাম কৰি আহিছে এই NGO টোৱে,আৰু যুৱ প্ৰজন্ম তথা সমাজৰ হিতৰ বাবে অনাগত দিনটো "অপ্টিমিষ্টা"ই নিঃস্বাৰ্থ ভাবে সেৱা আগবঢ়াই যাব। গছপুলি ৰোপণ অনুষ্ঠানত মুখ্য অতিথি হিচাবে উপস্থিত থাকে BCCIৰ সম্পাদক দেৱজিৎ লন শইকীয়া,"অপ্টিমিষ্টা"ৰ সঞ্চালিকা তৃবেণী ভট্টাচাৰ্য্য,উত্তৰ গুৱাহাটীৰ সমাজকৰ্মী আব্দুল আলিৰ লগতে বিভিন্ন স্কুল কলেজৰ পৰা অহা ছাত্ৰ ছাত্ৰী আৰু কেইবাজনো গণ্য মান্য ব্যক্তি উপস্থিত থাকি গছ পুলি ৰোপণ কাৰ্যসূচী সফল ৰূপায়ন কৰে।

# লংকাৰ কাকিত পথ দুৰ্ঘটনাত নিহত এজন

**অসম বাৰ্তা, লংকা, ২৯ জুন ঃ** লংকা চহৰৰ ওচৰৰ ২ নং কাকিৰ ১ নং গাঁৱত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দুখন বাইকৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত এজন লোকৰ মৃত্যু হয়। AS311708 আৰু AS02S4688 নম্বৰৰ দুখন বাইকৰ মুখামুখিকৈ সংঘৰ্ষত হয়। এই কাণ্ডত মৃত্যু হয় ২৫ বছৰীয়া এজন যুৱকৰ। মৃত্যু হোৱা যুৱকজন কাকি ছ'হ'লচোলিৰ নতুন ব্লকৰ শ্বুৱেৰ মাহমুদ বুলি চিনাক্ত কৰা হৈছে। এই ঘটনা সংঘটিত হোৱাৰ লগে লগে দুয়োজনকে জোৱাপুখুৰি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। কিন্তু শ্বুৱেৰ মাহমুদ নামৰ যুৱকজনৰ অলপ সময়ৰ ভিতৰতে মৃত্যু হয়। উল্লেখযোগ্য যে শ্বুৱেৰ মাহমুদে বাংগালুৰুৰ পৰা ব্যৱসায় কৰি ঈদৰ বাবে নিজৰ ঘৰলৈ আহিছিল যদিও বেংগালুৰুলৈ উভতি যাব পৰা নাছিল। উদীয়মান যুৱক শ্বুৱেৰ মাহমুদৰ কৰুণ মৃত্যুৱে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে।

# ধিং আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ উদ্যোগত বিশাল ত্ৰিৰংগা যাত্ৰা

## ত্ৰিৰংগা যাত্ৰাত অংশগ্ৰহণ নগাঁও জিলা আয়ুক্ত দেবাশীষ শৰ্মাৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ২৯ জুন ঃ** ধিং আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ উদ্যোগত ধিং জগন্নাথ মন্দিৰৰ প্ৰাংগনত শনিবাৰে অনুষ্ঠিত হয় প্ৰাক্তন সৈনিক সন্মিলন আৰু ত্ৰিৰংগা যাত্ৰা । ধিং জগন্নাথ মন্দিৰৰ চৌহদত অনুষ্ঠিত উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জিলা আয়ুক্ত দেবাশীষ শৰ্মা। ইফালে সভাৰ পিছতেই ধিং জগন্নাথ মন্দিৰ প্ৰাংগনৰ পৰা ধিং চাৰিআলিলৈকে অনুষ্ঠিত হয় বিশাল ত্ৰিৰংগা যাত্ৰা। এই ত্ৰিৰংগা যাত্ৰাত ভাৰত মাতা কি জয় ধ্বনিৰে মুখৰিত হৈ পৰে ধিঙৰ আকাশ বতাহ । উল্লেখ্য যে অপাৰেশ্যন সিন্দুৰৰ সফলতাৰ বাবেই বীৰ জোৱান সকলক উৎসাহ কৰাৰ উদ্দেশ্যেৰে এই ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰে। অপাৰেশ্যন সিন্দুৰ সফলতাৰ বাবে ধিংত অনুষ্ঠিত কৰা এই বিশাল ত্ৰিৰংগা যাত্ৰাত নগাওঁ, মৰিগাঁওৰ অঞ্চলৰ বহু কেইজন প্ৰাক্তন সৈনিকৰ লগতে বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলেও অংশ গ্ৰহণ কৰে।




## চামগুৰিত সাংবাদিকৰ তীব্ৰ প্ৰতিবাদ

# মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক ৰাজহুৱা ক্ষমা খোজাৰ দাবী

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ জুন ঃ** অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই যোৱা কালি এখন সংবাদমেলত এগৰাকী সাংবাদিকক "তলৰ শ্ৰেণীৰ মানুহ" বুলি কৈ সাংবাদিক সকলক তুচ্ছ তাচ্ছিল্য কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দি আজি চামগুৰিৰ বৈদ্যুতিন মাধ্যমৰ সাংবাদিক সকলে ক'লা বেজ পৰিধান কৰাৰ লগতে হাতে-হাতে প্লে-কাৰ্ড লৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ বিৰুদ্ধে সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক সাংবাদিকসকলৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা খোজাৰ বাবে চামগুৰি বৈদ্যুতিন মাধ্যমৰ সাংবাদিক সকলে দাবী উত্থাপন কৰে।চামগুৰি বৈদ্যুতিন মাধ্যমৰ কাৰ্যকৰী সভাপতি হেমন্ত শইকীয়া,সম্পাদক অভিজিত বৰাৰ লগতে সমূহ সাংবাদিকসকলে একেলগ হৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই 'তলৰ শ্ৰেণীৰ' বুলি কোৱা মন্তব্যক সকলো সাংবাদিকে কয় যে, তেওঁ যিদৰে সাংবাদিক গোষ্ঠীক অপমান কৰিছে এয়া কেতিয়াও গ্ৰহণযোগ্য নহয় ।সেয়েহে মন্ত্ৰী জয়ন্ত মল্লৰ এনে মন্তব্যক গৰিহণা দি চামগুৰিৰ বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকলে অসমৰ সমূহ সাংবাদিক মহলৰ আগত ক্ষমা খোজাৰ দাবী উত্থাপন কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆

❐ সম্পাদক ঃ তনয় বৰা

❐ মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন